শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (মন্ত্ৰী) ঃ মই উত্তৰত কৈছো যে আমাৰ পৰিচালনা সমিতিক নিৰ্দ্দেশ দিয়া হৈছে যে আগৰ যি অনুমোদন কৰা হৈছিল তাক উঠাই লোৱা হৈছে ? পৰিগালনা সমিতিয়ে আমাৰ নিৰ্দ্দেশ এতিয়াও মনা নাই। এতিয়ালৈকে কি ব্যৱস্থা লোৱা হৈছে সেইটো অনুসন্ধান কৰি চাব লাগিব, কাৰণ এইটো এটা সুকীয়া বদী । অনুসন্ধান আদি কৰাৰ পাছতহে ব্যৱস্থা লব পাৰিম।

শ্ৰীপ্ৰমোদ গগৈ ঃ এই গোচৰটোৰ সম্পৰ্কত কোৰ্টৰ ৰায় হৈ গল । এই সম্পৰ্কত শিক্ষা বিভাগৰ পৰা কেনেভাবে নিৰ্দ্দেশ দিয়া হৈছে ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (মন্ত্ৰী) : ৰায় দিয়া নাই, ইনজাংচন দিছিল।

অধ্যক্ষ ঃ তাৰিখটো আছেনেকি ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ ঃ তাৰিখটো নাই ।

শ্ৰীজানকী সন্দিকৈ ঃ এই স্কুলৰ মেনেজিং কমিটিৰ সভাপতিৰ ঘৰত ৫২ মাইল দূৰ গৈ সভাত সভ্যসকলে উপস্থিত হবগৈ নোৱাৰে—এই কথাটো চৰকাৰে জানেনে ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ ঃ নাজানো ।

শ্ৰীপ্ৰমোদ গগৈ ঃ মন্ত্ৰী ডাঙৰীয়াই অলপতে কৈ গল যে চৰকাৰে দিয়া এখন চাৰ্কোলাৰ মতে এখন স্কুলৰ শিক্ষক অন্য স্কুলৰ মেনেজিং কমিটিৰ মেম্বাৰ হব নোৱাৰে কিন্তু বৰহাট হাইস্কুলৰ মেনেজিং কমিটিৰ সম্পাদকজন অন্য স্কুলৰ এজন প্ৰধান শিক্ষক গতিকে চৰকাৰী নিৰ্দ্দেশ অনুযায়ী তেওঁক সেই দায়িত্বৰ পৰা অপসাৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (মন্ত্ৰী) ঃ তেওঁ যদি চিলেক্টেট্ প্ৰিন্সিপাল বা হেডমাষ্টৰ হয়, আৰু এটা কথা আছে যে আমি এডুকেচনিষ্ট নমুনেট কৰিব লাগে । তেনেক্ষেত্ৰত চৰকাৰে বিবেচনা কৰিব যে এডুকেচনিষ্ট হিচাবে বেলেগ পৰ্য্যায়ৰ হলে নমুনেট কৰিব পাৰে । এতিয়া কথা হল সেই পৰ্য্যায়ৰ হয়নে নহয় ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ চৰকাৰী নীতিমতে সম্পাদকজন অন্য এখন স্কুলৰ শিক্ষক হব নোৱাৰে । এই ক্ষেত্ৰত যিজন সম্পাদক হৈ আছে তেওঁক আতৰুৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (মন্ত্ৰী ঃ মই উত্তৰত কৈছো যে চাৰ্কোলাৰ দিয়াৰ আগতে যদি হৈ আছে তেন্তে অসুবিধা হব। কাৰণ কেচ হব পাৰে। চাৰ্কোলাৰ দিয়াৰ পাছত নতুন পৰিচালনা কমিটি গঠন কৰা হব।

শ্ৰীপ্ৰমোদ গগৈ ঃ শিক্ষা বিভাগে স্পেচিয়েল কমিটি কৰি দিয়ে। গতিকে সেই কমিটিয়ে চৰকাৰী আইনৰ বিৰোদ্ধে গলে তাৰ পৰা বৰ্খাস্ত কৰাত কি অসুবিধা আছে?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (মন্ত্ৰী) ঃ চাৰ্কোলাৰ দিয়াৰ পাছত যদি হৈছে সেইটো মই চাম আৰু ব্যৱস্থা লম।

শ্ৰীজানকী সন্দিকৈ : বহুকেইজন মেম্বাৰে শিৱসাগৰত বৰহাটৰ পৰা ৬০ মাইল গৈ এই কমিটিৰ বৈঠকত উপস্থিত থাকিব নোৱাৰে। বিভাগক জনোৱা স্বত্বেও কিয় কমিটিখন শিৱসাগৰত পাতিব লগা হয় আৰু কিয় ব্যৱস্থা লোৱা নাই?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (মন্ত্ৰী) ঃ এইটো খবৰ মোৰ হাতত নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ মেনিজিং কমিটিয়ে কি ধৰণে ফাংচন কৰে জনা উচিত। স্পেচিয়েল কমিটি চৰকাৰে পাতিছিল। মই কমিটি আইনৰ বিৰুদ্ধে পতা হোৱা বাবে এই সম্পাদকজনক আতৰুৱাৰ বন্দৱস্ত কৰিবনে?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ ঃ গোটেইবিলাক মেনেজিং কমিটিৰ বিষয়ে জনাটো সম্ভৱপৰ নহয়, কাৰণ এইবিলাক হল অটনমাচ বদী।

Mr. Speaker: Order order. The Question Hour is over. New item No. 2 Shri Santi Ranjan Das Gupta.

## Re : Silchar Regional Engineering College

Shri Abdul Muqtadir Choudhury asked:

*67. Will the Minister, Education be pleased to state—

(a) The progress made so far in establishing the Silchar Regional Engineering College?

(b) Whether it is a fact that some Professors have already

been appointed for this Institution ?

(c) If so, the date of their appointment ?

Shri Harendra Nath Talukdar (Minister, Education) replied :

67. (a)—The progress made so far in establishment of the College are as follows :—

(i) The Approach Road to the Campus has almost been completed and the work is now in progress.

(ii) The High tension lines for supply of Electricity to the campus has already been drawn.

(iii) The construction of one Hostel building was started but the work has to be abandoned due to Government of India's instruction to halt the same at the plinth stage and to keep it postponed till next financial year. The plans and estimates of the other buildings are now under scrutiny and the construction of which is expected to be undertaken in the next financial year ; provided the embargo imposed by the Government of India is lifted. The construction works also hampered for nonreceipt required building materials.

(iv) The water supply project of the College has already been taken up by the State Government and the installations which are common to both Regional Engineering College and Silchar Medical College have already been completed.

(b) and (c)--Two Professors one Electrical Engineering and the other in Mechanical Engineering were appointed

but the former was subsequently released and the latter died while on duty under the College. Since then the posts are remaining unfilled till date. The Professor in Electrical Engineering joined on 26th May 1969 and released on 25th May 1970 while the Professor in Mechanical Engineering joined on 22nd April 1969 and expired on 12th November 1971.

**Re : Junior Technical School, Sibsagar**

Shri Promode Chandra Gogoi asked :

*68. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the land for the Junior Technical School, Sibsagar has been acquired by the Government ?

(b) If so, whether the construction of the buildings are expected to begin during the current financial year ?

Shri Harendra Nath Talukdar (Minister, Education) replied

68. (a)—The land for establishment of the Junior Technical School at Sibsagar is being acquired and the proposal is now under process.

(b)—There is no possiblity of starting the construction works during the current financial year.

**Re : Barak Dam Project**

Shri Jagannath Sinha asked :

*69. Will the Minister, F. C. & I. be pleased to state—

(a) Whether the Government decided to set up Barak Dam Project for the protection of the Cachar District from natural calamities and if so, when?

(b) The Progress made in this regard up todate?

(c) Whether any officials have been appointed for the purpose?

(d) If so, who are they and their places of posting?

Shri Bishnu Prasad (Minister of State, Flood Control & Irrigation) replied:

69. (a)—Yes.

(b)—The preliminary Investigations have been completed and a preliminary Project report prepared by Central Water and Power Commission at the instance of Government of Assam. This being an inter State project, Manipur Government has been moved for their clearance which is still awaited.

(c)—No.

(d)—Does not arise.

## বিঃ বৃত্তি মঞ্জুৰী

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে:

*৭০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ বৰুৱা কছুপথাৰ হাইস্কুলৰপৰা যোৱা ১৯৭২ চনত হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাত ২য় বিভাগত উত্তীৰ্ণ হোৱা শ্ৰীমহেন্দ্ৰ গগৈ নামৰ ছাত্ৰজনে গোলাঘাট ডি, আৰ, কলেজত পি, ইউ, কোৰ্চৰ প্ৰথম বাৰ্ষিকত পঢ়া অৱস্থাত বৃত্তিৰ কাৰণে আবেদন কৰিও কিয় বৃত্তি নেপালে জনাবনে?

(খ) এই ছাত্রজন অন্যান্য পিচপৰা আহোম সম্প্ৰদায়ৰ লৰা হিচাবে অন্ততঃ অন্যান্য পিচপৰা জাতিৰ বৃত্তিটোও নোপোৱাৰ কাৰণ কি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৭০। (ক) আৰু (খ)—গোলাঘাট মহকুমাৰ বৰুৱা কছুপথাৰ হাইস্কুলৰ পৰা ১৯৭২ চনত হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাৰ ২য় বিভাগত উত্তীৰ্ণ হোৱা আৰু ১৯৭২-৭৩ চনত গোলাঘাট ডি আৰ কলেজৰ প্ৰাক-বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ শ্ৰীমহেন্দ্ৰ গগৈৰ বৃত্তিৰ আবেদন পত্ৰখনত লাগতিয়াল চাৰ্টিফিকেট খিনি অসম্পূৰ্ণ ভাবে দিয়া বাবে সেইখন নাকচ কৰা হৈছে ।

## Re : Chairman of A. S. I. D. C.

Shri Atul Chandra Saikia asked :

*71. Will the Minister, Industries be pleased to state— Whether it is a fact that the Chairman of the Assam Small Scale Industries Development Corporation has started discharging the duties hitherto performed by the Managing Director of the said Corporation ?

Shri Mahammad Idris (Minister, Industries) replied :

71.—Yes, pending appointment of a separate whole time Managing Director.

## বিঃ কঠিয়াতলি চাবচিডাইজ্ড ডিচপেনচৰী

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*৭২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ অন্তৰ্গত দক্ষিণ হেঙেৰা মৌজাৰ পূৰ্ব্বৰ কঠিয়াতলী নামৰ চাবচিডাইজ ডিচপেনচেৰীখন উন্নত কৰাৰ কিবা আঁচনি চৰকাৰৰ আছে নেকি ?

(খ) এই কঠিয়াতলী চাৰচিডাইজ ডিচ্‌পেনচেৰী খনতে লগলগাই পৰিয়াল পৰিকল্পনা অঁাচনি এখন কৃতকাৰ্য্য কৰিবলৈ চৰকাৰে যোৱা বছৰৰ পৰা এখন অঁাচনি লোৱাৰ কথা বিবেচনা কৰিছিল, এই কথা সঁচানে ?

(গ) স্থানীয় ৰাইজৰ আৱশ্যকতালৈ লক্ষ্য কৰি এনে এখন পৰিয়াল পৰিকল্পনা অঁাচনি এই কঠিয়াতলী চাৰচিডাইজ ডিচ্‌পেনচৰীখনৰ লগতে লোৱাৰ দিহা কৰি কৰ্ম্মকৃতকাৰ্য্য কৰি গঢ়ি তুলিবনে ?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৭২। (ক)—নাই ।

(খ)—নহয় ।

(গ)—এইটো এতিয়াও বিবেচনা কৰিব পৰা হোৱা নাই ।

## Re : Assam and Meghalaya State Road Transport Corporation

Shri Atul Chandra Saikia asked :

*73. Will the Minister, Transport be pleased to state—

(a) Whether of late the Government has appointed an Enquiry Committee to enquire all aspects of the administration of the Assam and Meghalaya State Road Transport Corporation ?

(b) If so, whether the Enquiry Committee has submitted its Report ?

(c) If not, when the report will be submitted by the Enquiry Committee ?

Shri Harendra Nath Talukdar (Minister, Transport) replied :

73.—(a) Yes.

(b)—The Enquiry Committee has not yet submitted final

Report. It has only submitted an interim report.

(c)—The final report of the Committee is expected to be available within the 31st December, 1973

## UNSTARRED

## QUESTIONS AND ANSWERS

( To Which replies were laid on each Member's table)

### বিঃ বেকী দলং

শ্ৰীমতী প্ৰণীতা তালুকদাৰে সুধিছে :

১১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সৰহভোগ সমষ্টিৰ বেকী দলংখন কোন চনত নিৰ্ম্মাণ কৰা হৈছিল ?

(খ) এই দলংৰ বাবে কিমান মাটি অধিগ্ৰহণ কৰা হৈছিল ?

(গ) এই অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপুৰণ মুঠতে কিমান খন গাওঁত কিমান টকা দিবলৈ আছে ?

(ঘ) বান্দৰ খোৱা গাওঁৰ মাটি অধিগ্ৰহণৰ বাবে ক্ষতিপুৰণ দিবলৈ কিমান টকা বাকী আছে ?

শ্ৰীপৰমানন্দ গগৈ : (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১১। (ক)—১৯৬৩-৬৪ চনত বেকী দলং নিৰ্ম্মাণ কৰা হৈছিল।

(খ)—৩২৪ বিঘা ১২ লেছা।

(গ)—মাত্ৰ এথম গাওঁত প্ৰায় ৪৭,০০০ টকা ক্ষতিপূৰণ দিবলৈ বাকী আছে।

(ঘ)—প্ৰায় ৪৭,০০০ টকা।

### বিঃ প্ৰধান শিক্ষক বৰখাস্ত

শ্ৰীগোলাপ বৰবৰাই সুধিছে :

১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কলিয়াবৰ সমষ্টিৰ চুলুং মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু সম্পাদকক

বিভাগীয় কৰ্ত্তৃপক্ষই সাময়িক ভাবে চাকৰিৰ পৰা বৰখাস্ত (Suspend) কৰা কথা সচাঁনে ?

(খ) যদি উক্ত শিক্ষক গৰাকীক বৰখাস্ত কৰা সঁচা, তেন্তে তেওঁক কি অভিযোগত এনে কৰা হল আৰু কিমান দিন ধৰি এনেকৈ ৰখা হৈছে জনাবনে ?

(গ) এনে অভিযোগ থকা শিক্ষকৰ বিচাৰ শিক্ষানুষ্ঠানৰ মঙ্গলৰ বাবে দীঘলীয়া নকৰি খৰটকীয়া ভাবে কৰাৰ কথা ৰাজ্যিক শিক্ষা বিভাগে ভাবিছেনে ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

১১। (ক)—কৰ্ত্তৃপক্ষই সাময়িক ভাবে বৰখাস্ত কৰা কথাটো সঁচা ।

(খ)—চুলুং মধ্য ইংৰাজী বিদ্যালয় প্ৰধান শিক্ষক আৰু সম্পাদক শ্ৰীনীলকান্ত শৰ্ম্মাক স্কুলৰ ২,৮৮৮·৯০ পইচা আত্মসাৎ কৰাৰ অভিযোগত সাময়িক ভাবে বৰখাস্ত কৰা হৈছে। তেওঁ ২৯-৩-৬৮ তাৰিখৰ পৰা বৰ্ত্তমান পৰ্য্যন্ত সাময়িক ভাবে বৰখাস্ত হৈয়েই আছে আৰু তেওঁৰ বিৰুদ্ধে পুলিচক মোকদ্দমা ৰুজু কৰিবলৈ গোচৰ দিয়া হৈছে।

(গ)—এনেবোৰ অভিযোগ থকা শিক্ষকৰ বিভাগীয় বিচাৰ যাতে ক্ষীপ্ৰতাৰে কৰিব পাৰি তাৰ বাবে শিক্ষা বিভাগে সদায় যত্নপৰ আৰু শ্ৰীশৰ্ম্মাৰ বিৰুদ্ধে ৰুজু হোৱা পুলিচ কেছৰ সমাপ্তি হলেই তেওঁৰ বিৰুদ্ধে ৰুজু কৰা বিভাগীয় বিচাৰো যথাশীঘ্ৰে শেষ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হব।

## Re : Kokrajhar Incident

Shri Dulal Chandra Barua : Sir, yesterday I told the Chief Minister to make a statement on the Kokrajhar incident. Now, the girls are demonstrating and resorting to hunger strike. When we are in session it looks odd if we do not discuss the matter. If the Chief Minister is ready with facts he may be asked to make a statement. We must know what is going on there.

Shri Sarat Chandra Sinha (Chief Minister) : I shall make the statement tomorrow.

### Calling attention.

Shri Santi Ranjan Das Gupta : Sir, I beg to call the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Hindusthan Standard, dated the 26th October, 1973 under the caption "Assam C.M's Assurance to deputationists".

Shri Sarat Chandra Sinha (Chief Minister) : Mr. Speaker Sir, My attention has been drawn to the news item appearing in the "Hindusthan Standard" of October 26,1973 under the caption "Assam CM's assurance to deputationists" and I would like to state the following in this connection.

The managment of Meghdoot Cinema Hall, Gauhati wanted to screen the picture, "Bigalita Karuna Jahnabi Jamuna" with effect from 19.10.73. The inaugural show of the picture was peacefully over at Meghdoot on 19.10.73 morning. Dr. Bhupen Hazarika inagurated the same in presence of a large number of dignitaries belonging to different communities.

Immediately after the premier show was over at Meghdoot, about 40/50 youngmen assembled in front of the Hall and threatened to organise picketting with a view to stop screening of the picture. All precautionary measures were taken and the management of the Cinema hall was assured necessary police assistance, but the management declined to screen the picture as per schedule.

On 19.10.73 about 10 youths met the Manager of the Meghdoot Cinema Hall and demanded screening of the picture. Gradually more people assembled there and raised the same demand. Some persons from among the crowd made some objectionable remarks with communal overtone and some tension prevailed. No sonner Police appeared at the scene they became unruly and aggressive following which police had to arrest 11 leading agitators in connection with a specific case U/S 147/341/447/153A IPC which is at present under investigation.

The management of Aruna Cinema Hall, Pandu, screened the same picture on 19.10.73 and from 21.10.73 to 24.10.73 without any trouble. A few ghost telephone calls were received by the Manager of Aruna Cinema threatening him with dire consequences if he continued screening the said film. On the other hand another crowd assembled in front of the said Cinema Hall and demanded continuance of the screening of the said film and opposed exhibition of Hindi picture. Some posters demanding closure of the Hall if the screening of the said film was stopped appeared in and around the compound of the hall. The management of the Aruna Cinema continued in these circumstances screening of the film abandoning the idea of screening of the Hindi picture inspite of adequate police precautionary measures.

There does not appear to be any organised move by any organisation or institution to stop screening that film in local cinema houses. The allegations against police and the

alleged police lathi charge were found to be without any foundation during enquiry.

The Police Authorities take suitable action whenever the management of Cinema Halls inform the Police about the obstruction to screening of a picture.

Whenever there is any trouble for screening of a film the Police takes adequate measures. I would like to assure all concerned that the Government will extend all suitable police assistance to take necessary precautions and other measures in this matter.

Shri Santi Ranjan Das Gupta : Sir, a point of clarification. Sir, whether the persons who picketed for non-exhibition of the film has anybody of them been arrested ?

Shri Sarat Chandra Sinha ( Chief Minister ) : The whole matter is under consideration.

Shri Santi Ranjan Das Gupta : Is it a fact that some persons were arrested from the Cinema Hall ?

Shri Sarat Chandra Sinha (Chief Minister : They agitated and were arrested.

## Matter under Rule 301

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নিয়ম অনুসৰি ৰাজ্য খনত চৰকাৰ আৰু আমাৰ নিৰাপত্তা আদিৰ ক্ষেত্ৰত উপস্থিত হোৱা এটা অতি জন স্বাৰ্থৰ আৱশ্যকীয় বিষয় ৩০১ ধাৰা অনুসৰি উত্থাপন কৰিছো ।

যোৱা ১৬ নভেম্বৰ তাৰিখে আসাম ট্ৰিবিউন কাকতৰ প্ৰথম পৃষ্ঠাত এই বাতৰিটো প্ৰকাশ হৈছিল । বাতৰিটোৰ শিৰোনামাটো এই—

"Construction work of paper plant inaugurated".

এই কাগজৰ কলটো শিৱসাগৰ জিলাৰ গেলেকি ৰিজাভৰ তুলি নামৰ ঠাইত নগা চৰকাৰৰ ফালৰ পৰা নগা ফাইনান্স মিনিষ্টাৰে সিদিনা উদ্বোধন কৰিছে। সেই সম্পৰ্কীয় পৰিবেশিত বাতৰিত কোৱা হৈছে যে নগা ভূমিৰ মোককচাং জিলাৰ তুলিত এই কাগজৰ কলটো প্ৰতিষ্ঠাৰ আধাৰ শিলা স্থাপন কৰিলে। সেই একে বাতৰিতে ১৬ তাৰিখে ৰাতিপুৱা ৭.৫ বজাৰ দিল্লীৰ ৰেডিয়ৰ বাতৰিত মোককচাঙত তুলি বুলি ঘোষনা কৰা হৈছে। এই বিষয়টো এই কাৰণেই ইমান গুৰুত্বৰ যে আমাৰ নিজা ৰাজ্যৰ ভূমি খণ্ড নগাৰাজ্যক সুধাই দিয়াৰ কথাটো অসমৰ বাইজে আৰু প্ৰতিনিধি সকলে নাজানে। তদুপৰি এই বাতৰিৰ সংক্ৰান্তত অসম চৰকাৰে কিবা ব্যৱস্থা লৈছে বুলি আমি এতিয়ালৈকে নাজানো। যোৱা ৩১ মাৰ্চ ১৯৭২ চনত নগা ৰাজ্যৰ চিফ্ চেকেটাৰী আৰু অসম ৰাজ্যৰ চিফ্ চেক্ৰেটাৰীৰ মাজত তুলিক লৈ এখন চুক্তি স্বাক্ষৰিত হৈছিল। তাত লিপিবদ্ধ কৰা আছে যে "The Nagaland Govt. is not to undertake any survey or construction of any road or other structures in the Geleki reserve except one mentioned in para 5." "The Assam Govt. agrees that the Geleki reserve forest shall continue to be a reserve forest and maintained as such. No settlement of villagers and no encroachment will be allowed". সেৰা হৈতে কোনো গেলেকি, আমগুৰি, টুলি ৰাস্তাটো মেৰামতি কৰাৰ কথা কোৱা হৈছিল। এই খিনি চুক্তি হোৱাৰ পিচত এতিয়া দেখা গৈছে যে নগা চৰকাৰে গেলেকি ৰিজাভত কাগজৰ কল প্ৰতিষ্ঠা কৰিছে। আজি প্ৰায় ৩ বছৰ মান হব বোধ হয় বিধান সভাৰ মজিয়াত এই কথা আলোচনা কৰিছিলো। উপাধ্যক্ষ মহোদয়, আপুনি জানে তুলি অঞ্চলত কাগজৰ কল উদ্বোধন কৰিবলৈ ভাৰতৰ ৰাষ্ট্ৰপতিক মাতিবলৈ বিচাৰিছিল। আমি এই কথাত আপত্তি কৰিছিলো। তেতিয়া অসম চৰকাৰে কৈছিল যে নগাক লিজত এই অঞ্চলটো দিব খুজিছো, আমি কৈছিলো যে ভাৰতৰ এনে কোনো ৰাজ্য নাই যত এনেকুৱা দৃষ্টান্ত আছে? এখন ৰাজ্যৰ ভূমি আন এখন ৰাজ্যক লিজত দিছে; নগা ৰাজ্যত এটা কাগজৰ কলৰ কাৰণে ভূমি অভাৱ হোৱা নাই—যে অসমৰ মাটিত কাগজৰ কল প্ৰতিষ্ঠা কৰিব লগীয়া

হৈছে। এইটো এই দৰেই এদেও ছুদেও লোটা নিয়াৰ চেওৰ দৰে হৈছে। এইদৰেই এই মাটি তেওঁলোকে নিজৰ কৰি লব বা নগা চৰকাৰে তাত পুলিচ মিলিটেৰীৰ চকী পতাৰ সুবিধা পাইছে। গতিকে এই প্ৰশ্নটো ৰাজ্যৰ সীমাৰ স্বাৰ্থত বিশেষ গুৰুত্বপূৰ্ণ। সেই কাৰণেই মই বিষয়টো সদনত উত্থাপন কৰিছো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, ১৬।১১।৭৩ তাৰিখে "অসম ট্ৰিবিউন" কাকতত ছপা হোৱা নিম্ন লিখিত বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে।

"কাগজ কলৰ নিৰ্ম্মান কাৰ্য্য উদ্বোধন" - এই সন্দৰ্ভত ১৯৭০ চনৰ ডিচেম্বৰ মাহত চৰকাৰী গেলেকী সংৰক্ষিত বনাঞ্চলৰ আমগুৰি মোককচাঙ পথৰ পূৰ্ব্বাঞ্চলৰ এক নিৰ্দিষ্ট অঞ্চল নগালেণ্ড চৰকাৰে পৰিস্কাৰ কৰি তাত "নগালেণ্ড চৰকাৰৰ কাগজ কলৰ স্থান" - এই শিতানেৰে এখন জাননী ফলি পোতে বুলি বাতৰি পায়। এই বাতৰি পায়েই চৰকাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয় আৰু উদ্যোগ মন্ত্ৰালয়ৰ লগত যোগাযোগ স্থাপন কৰে। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই বুলি জানিবলৈ দিয়ে যে নগালেণ্ড চৰকাৰৰ গেলেকী বনাঞ্চলত বেদখলে আৰু টুলিত কেন্দ্ৰীয় শিতানত পাতিব খোজা কাগজৰ কলৰ জাননী ফলিয়ে ইয়াকে দৰ্শাব যে উক্ত ঠাই অসমৰ সীমাৰ ভিতৰত। এই বেদখলৰ পৰিপেক্ষিতত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত তীব্ৰ প্ৰতিবাদ দাখিল কৰে। ইতিমধ্যে নগালেণ্ড চৰকাৰে অসমৰ সীমাৰ ভিতৰত প্ৰায় ৪০০ একৰ মাটি পৰিস্কাৰ কৰিছে আৰু তাত কাগজ কলৰ সম্পৰ্কত বিষয়াও কৰ্ম্মচাৰী থকা ঘৰৰ নিৰ্ম্মান কাৰ্য্য চলাইছে।

**সেই সময়ত নগালেণ্ড চৰকাৰে আমগুৰি-মোককচাঙ পথৰ ৮ আৰু ১৩½ মাইলৰ ভিতৰত চাৰিটা নগালেণ্ড সশস্ত্ৰ পুলিচ বাহিনীৰ চকি স্থাপন কৰিছে। এই চকি কেইটাৰ সুবিধা লৈয়ে নগালেণ্ড চৰকাৰে গেলেকী বনাঞ্চলৰ ১৩ আৰু ১৩½ মাইলৰ মাজৰ প্ৰায় 400 একৰ মাটি উক্ত কাগজ কলৰ স্থাপন কাৰ্য্যৰ কাৰণে পৰিস্কাৰ কৰিছে। নগালেণ্ড চৰকাৰে বেদখল কৰা উক্ত ঠাই অসম নগালেণ্ড সীমা বিবাদ সমস্যাৰ কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ উপদেষ্টা শ্ৰীকে, ভি, কে সুন্দৰম মহোদয়ক ১৯৭১ চনৰ ২৩ অক্টোবৰ তাৰিখে দেখুৱা হৈছে।**

"টুলি" নামৰ ঠাই ডোখৰ নগালেণ্ডৰ সীমাৰ ভিতৰত। আনকি যেতিয়া পৰিকল্পনা আয়োগৰ কাৰ্য্যকৰী দলে উত্তৰ-পূব অঞ্চলত বনজ সম্পদ আহৰণ কৰি পাতিব লগীয়া উদ্যোগ জনিত কল টুলিত পতা হব বুলি অনুমোদন কৰিছিল তেতিয়া অসম চৰকাৰে কোনো আশঙ্কা কৰা নাছিল, কাৰণ টুলি নগালেণ্ডৰ সীমা ভিতৰত। কিন্তু উক্ত কাগজ কলৰ নামত যেতিয়া নগালেণ্ড চৰকাৰে অসম ৰাজ্যৰ ভিতৰত থকা গেলেকী বনাঞ্চলৰ উক্ত ৪০০ একৰ মাটি বেদখল কৰা বুলি জানিলে, তেতিয়াই কেন্দ্ৰীয় চৰকাৰৰ সেই সন্দৰ্ভত যোগাযোগ কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক জানিবলৈ দিয়ে যে কাগজ কল নিৰ্ম্মান কৰা ঠাই নগালেণ্ডৰ ভিতৰত।

টুলি অসম নগালেণ্ড সীমাৰ পৰা প্ৰায় ৬ মাইল নগালেণ্ড সীমাৰ ভিতৰত। কিন্তু কাগজ কলটো অসম-নগালেণ্ড সীমাৰ ওচৰত নাগালেণ্ডত পাতিবলৈ লৈছে। অসমৰ সীমাৰ ভিতৰত ৪০০ একৰ মোৰা মাটি ডোখৰত নগালেণ্ডৰ দুই-এটা আবাসীঘৰ বান্ধি আছে। গোটেই কথাখিনি শ্ৰীকে, ভি, সুন্দৰমৰ বিবেচনাধীন হৈ আছে। আৰু এই বিষয়টো কেইবাবাৰো বিধান সভাত উল্লেখ কৰি থকা হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: মই এটা স্পষ্টিকৰণ বিছাৰিছো। ৩১ মাৰ্চ তাৰিখে যি চুক্তি হৈছিল তাৰ দুয়ো পক্ষৰ পৰা চহী কৰা হৈছিল। তাত স্পষ্টকৈ লিখা আছে কোনো ক্ষেত্ৰতে তেওঁলোকে গেলেকীত প্ৰবেশ নকৰে "Geleki Reserved Forest shall continue to be a Reserved Forest and m intained as such. No settlement of villagers and no encroachments will be allowed." ইয়াত শ্ৰী দিঃ দাস আৰু শ্ৰীলুঙ্গালাং চহী কৰিছে। এতিয়া মুখ্য মন্ত্ৰীয়ে জনাইছে যে আমাৰ চৰকাৰ অসহায় অৱস্থাত পৰিছে। তাৰ পৰা অনুমান কৰা হৈছে যে দুই ৰাজ্যই চুক্তি মানি চলা নাই। আমাৰ বৰা ডাঙৰীয়াই উল্লেখ কৰিছে যে চৌধুৰী চৰকাৰৰ দিনতো এই কথাটো বিপদভাবে কাগজকল সম্পৰ্কে আলোচনা কৰা হৈছে আৰু সেই মৰ্ম্মে 'উদ্বোধন বন্ধ কৰা হৈছিল। কিন্তু আজি মুখ্য মন্ত্ৰীয়ে কৈছে যে সুন্দৰমক কোৱা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত লিখা লিখি কৰা হৈছে আনহাতে দুই ৰাজ্যৰ মাজত চুক্তিৰ চহী থকা স্বত্বেও আমাৰ ৰাজ্যৰ মাজত আহি যেনেকৈ ঘৰবাৰী বান্ধিছে তাক বন্ধ কৰা টান।

দিছৈ ভেলী চুক্তিমতে অসমৰ ভিতৰত 'The Assam Government, however agrees that the Naga settlement in the Desoi valley Reserved Forest existing on the date of this agreement will not be disturbed,"……

কালি এনেকুৱা অৱস্থা হব পাৰে যে তুলি বুলি কৈ গোটেই কাগজৰ কলটো অসমৰ ভিতৰতে বহুৱাব তেতিয়া আমাৰ চৰকাৰে হয়তো এগ্ৰি কৰিব লাগিব অৱশ্যে মই নকও যে নগালেণ্ড আৰু অসমৰ মাজত কাজিয়া হওক কিন্তু এখন চুক্তি থকা স্বত্বেও সেই চুক্তি মানি নোলোৱাৰ কাৰণ কি ? অসম চৰকাৰৰ লগত মিলা-মিছা নোহোৱাকৈ ঘৰ বন্ধা কাগজকল প্ৰতিষ্ঠা কৰা ইত্যাদি তেওঁলোকৰ দৃঢ়তা বুলি চৰকাৰে নাভাবে নেকি ? গোটেই অঞ্চলটো দখল কৰাৰ পাচত মুখ্য মন্ত্ৰীয়ে কি ভাবিছে আমাক জনাব নেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসম আৰু নগালেণ্ডৰ সীমা বিবাদ এই বিধান সভাত আলোচনা কৰোতে তুলিৰ কথা উঠিছিল। যেতিয়া চুক্তি কৰা হৈছিল তেতিয়া দিচৈ ভেলীত যি চাৰিখন গাওঁ আছিল সেই গাওঁ কেইখন চুক্তি চলি থকা কাৰণে কোনো স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিব পৰা নহ'ল, সুন্দৰম কমিচনৰ ৰিপোৰ্ট পোৱাৰ পাচত এই অস্থায়ী ব্যৱস্থাৰ স্থায়ী মিমাংসা কৰা হব। তুলিত যি ৪০০ একৰ মাটি আছে তাত জংঘল কাতি কাগজৰ কল বহুৱাৰৰ যোজা কৰিছে বুলি ইতিপূৰ্ব্বে উল্লেখ কৰা হৈছে। তুলি চোৱা মাইল নগা সীমান্তৰ ভিতৰত আৰু কাগজকল প্ৰতিষ্ঠা কৰিব খুজিছে নগালেণ্ড সীমান্তৰ একেবাৰে সীমাৰ ওচৰত আৰু তাৰ কাৰণে যিবিলাক আৱাস গৃহ তাৰ কাৰণে অসম সীমান্তৰ ভিতৰৰ ৪০০ একৰ মাটিত কৰাৰ চেষ্টা কৰিছে। এই কথা আগৰে পৰাই চলি আছে। যি সময়ত আমগুৰি মোককচাংৰ চাৰে তেৰমাইল ভিতৰত নগালেণ্ড সমগ্ৰ পুলিচ চকী আছিল। এই গোটেইবিলাক কথাৰ পৰিপ্ৰেক্ষিততে এই চকী আতৰ কৰিব লগা হ'ল। কাগজকল স্থাপন কৰা কথা আগতেও কোৱা হৈছে আৰু আজিও বৰা ডাঙৰীয়াই উল্লেখ কৰিছে যে কাগজকল পতাৰ পিচত কি হব, এই কথাকে ভি সুন্দৰমৰ ৰিপোৰ্ট পোৱাৰ পাচত নিৰ্ণয় হৈ যাব। কাগজকল আমাৰ ভিতৰত পৰিলে আমাৰ কত্তৃত্ব…

শ্ৰীপ্ৰেম বৰা : কেলেই পাতিবলৈ দিম ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ঃ কোৱাটো সহজ, কিন্তু চিন্তা কৰি সমাধান কৰিব লাগিব। গতিকে এই ৪০০ একৰ মাটিৰ ক্ষেত্ৰত কোনো ৰকমৰ ব্যতিক্ৰম হোৱা নাই।

কাগজৰ কল পাতিলেও কে, ভি, সুন্দৰম কমিচনে এটা সিদ্ধান্ত দিব। এই সিদ্ধান্ততে সকলো নিৰ্ণয় হৈ যাব। এতিয়া কাগজকল পতা ঠাইত ৪০০ একৰ মাটি আমাৰ ফালে পৰিলেও কৰ্তৃত্ব সম্পৰ্কত সন্দিহান হবৰ কোনো থল নাই।

শ্ৰীপ্ৰেমধৰ বৰা ঃ কিয় পাতিবলৈ দিম ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ কিয় পাতিবলৈ দিম এই কথাটো কবলৈ সহজ। যেতিয়া আমাৰ সীমাৰ ক্ষেত্ৰত বিসম্বাদ হৈছে আমি দুয়ো খন ৰাজ্যৰ সেই সমস্যাটো বুজা পৰাৰ যোগেদি সমাধান কৰিব লাগিব। চাৰিশ একৰ মাটি সংক্ৰান্তত কে,ভি, কে সুন্দৰম কমিটিয়ে যি সিদ্ধান্ত দিয়ে সেই মতে ব্যৱস্থা লম।

শ্ৰীপ্ৰেমধৰ বৰা ঃ মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিবৃতিটোৰ পৰা সন্তুষ্ট হব পৰা নাই। ১৯৭২ চনত দুজন চিফ চেক্ৰেটৰীৰ মাজত চুক্তি হৈছিল, আগৰ বিধান সভাত মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছিল যে কাগজৰ কল পাতিলেও কতৃত্ব আমাৰ হেৰাই নাযায়। এইটো কেনেকৈ হব পাৰে। সুন্দৰম কমিচনৰ ৰিপৰ্ট ওলোৱাই নাই, এগ্ৰিমেণ্ট ভায়লেট কৰি আমাৰ সীমাত অনুপ্ৰবেশ কৰি কাগজকল পাতিছে। এওঁলোকে বে-দখল কৰিবলৈ আহিছে, খেদি দিব লাগে। তেওঁলোকক আমাৰ মাটিৰ ভিতৰত যদি ঘৰ বনাবলৈ দিয়া হয় তেনেহলে আমাৰ কতৃত্ব কেনেকৈ ৰক্ষা কৰিম ?

শ্ৰীশৰতচন্দ্ৰ সিংহ (মূখ্যমন্ত্ৰী ঃ এইটো ভুল কৰিব নালাগে। কাগজকলটো নগা-লেণ্ডৰ হব অৱশ্যে সীমাৰ ওচৰত। আবাসী ঘৰবিলাক আমাৰ সীমাৰ ভিতৰত হব সেইবিষয়ে ব্যৱস্থা লব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ সুন্দৰম কমিচনে পৰামৰ্শদাতা হিচাবে মাত্ৰ ৰিপৰ্ট দিছে, সীমা নিৰ্দ্ধাৰণৰ ৰিপৰ্ট নিদিয়ে। কাগজৰ কলটো তুলিব ভিতৰত বহিছে। গতিকে মূখ্যমন্ত্ৰীয়ে কেনেকৈ আমাৰ মাটিত বহা নাই বুলি কব পাৰে।

শ্ৰীশৰত চন্দ্ৰ সিংহ ঃ মোৰ হাতত থকা তথ্য পাতি মতে মিলটো নগালেণ্ডৰ ভিতৰত। আবাসী ঘৰ বিলাক আমাৰ ভিতৰত।

শ্ৰীআতাউৰ ৰহমান ঃ এই কথাটো মনত ৰাখি এতিয়া ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : মোৰ উত্তৰৰ ভিতৰত এই কথাটো আছে।

শ্ৰীগিয়াচুদ্দিন আহমদ : যি ঠাইত আবাসী ঘৰবিলাক হৈছে সেই ঠাইত সীমা বিবাদ আছেনেকি ? কাগজৰ কলটো নগালেণ্ডৰ ভিতৰত আৰু আবাসী ঘৰবিলাক আমাৰ ৰাজ্যৰ ভিতৰত - অথচ ইফালে সুন্দৰম কমিচনৰ ৰিপৰ্ট ওলোৱাই নাই। তেনেহলে এইটো আমি ধৰি লব পাৰো যে সেই ঠাইত অসম চৰকাৰৰ বা কেন্দ্ৰীয় চৰকাৰৰ সন্দেহ হৈছে গতিকে অসম চৰকাৰে এই সন্দেহ দূৰ কৰিবলৈ কি ব্যৱস্থা লৈছে ?

শ্ৰীশৰতচন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৪০০ একৰ মাটি অসমৰ ভিতৰত আৰু নগালেণ্ডৰ চৰকাৰেও কৈছে এইটো তেওঁলোকৰ বুলি এই কথা আমাৰ ফালৰ কোৱাই হৈছে।

## Statement by the Minister on City Bus Workers' Strike

Mr. Speaker : Item No. 4. Mr. Talukdar ?

Shri Harendra Nath Talukdar (Minister) : Sir, the other day, I stated on the floor of the House that I make enquiry about the City Bus Workers' strike and would submit the information in the House. Now I like to submit that information. The City Bus Workers' of Gauhati served a strike notice on 7-11-73 through their union known as the City Bus Employees Union intimating their decision to go on token strike for two days on 23. 11. 73, 24. 11. 73. if their demands were not fulfilled. These demands of the union are as follows :—

1. Re-instatement of two drivers.
2. Non-implementation of Tribunal Award passed on 30th May/1970.

On receipt of the strike notice the local Labour Department initiated on 12. 11. 73, Conciliation Proceedings as is required under the Industrial Disputes Act to bring about an amicable settlement. During the Conciliation Proceedings the management sought for time till 30.11.73 as they could not come to any settlement without the President of the Gauhati Transport Association who was away from Gauhati on some important work. The Conciliation officer adjourned the proceedings till 20. 11. 73 at the instance of both the parties in disputes and instructed the City Bus Employees Union not to resort to strike under Section-22 (d) of the Industrial Disputes Act. On the afternoon of 22. 11. 73 the Labour Commissioner gave an urgent call to the Management to discuss this issue once again with the employees union, who were also present there so as to avoid the strike proposed by the Union.

In the said discussion also the management prayed for time. The Conciliation officer requested the union to defer the strike by a few days as there was every possibility of an amicable settlement on return of the President of the Association. But the workers representatives did not pay any heed to the request of the Conciliation officer and insisted on going on strike as proposed. It was further proposed that a high level conciliation meeting would be held on 28. 11. 73 on return of the President of the Association under the Chairmanship of the Labour Commissioner to look into the grievances of the workers if the strike was deferred.

This offer was also not acceptable to the Employees Union. The Union informed the Gauhati Transport Assocation over phone at 10-30 p. m. on 22. 11. 73 that the strike was inevitable and all members of the Union would lunch a strike as scheduled. The Union employees lunched the strike on 23rd and 24th November 1973. On 22.11.73 the Gauhati Transport Association informed the Deputy Commissioner that it would run city bus services for the convenience of the travelling public with the help of the loyal drivers. The Deputy Commissioner also appealed to the Employees Union to postpone the strike. The Gauhati Transport Association has reported that as against 114 City Bus Permits granted in Gauhati City, 70 to 75 buses operate daily on different routes. On 23. 11. 73 that is on the day on which employees went on strike, 58 buses were on routes and on 24. 11, 73, 74 buses plied on the routes. It is clear from above that the said strike by the employees of the city bus was only partial and did not affect the travelling public much.

The grievances of the workers are still under examination of the Labour Deptt., and proper action would be taken as per provision of the Industrial Disputes Act to redress the same. The Conciliation Proceedings are still in progress.

Shri Dulal Chandra Barua : Sir, may I know from the hon'ble Minister whether the Minister also intervened in the matter personally.

Shri Harendra Nath Talukdar (Minister) : No, Sir. This is a dispute between the Union and the employer.

Shri Dulal Chandra Barua : Sir, whether from the Government side, some intervention could be made in this affair.

Shri Harendra Nath Talukder (Minister) : Sir, I have told that we were not given any notice. So, we could not intervene.

Shri Dulal Chandra Barua : Sir, when it is a public utility service, certainly, Government could intervene.

Shri Harendra Nath Talukdar ( Minister ) : Naturally, Sir, we could consult the Employees' Union as well as the Association.

Shri Jagannath Sinha : Sir, since the conciliation proceedings are in progress, whether prohibitary orders have been issued under the Industrial Disputes Act, to the Employees Union to call off the strike.

Shri Harendra Nath Talukdar (Minister) : Sir, I have already stated in my statement that the Conciliation officer requested the Union not to go on with the Strike.

## Further Discussion on Pending Special Motion moved on 23-11-73

শ্ৰীসোনেশ্বৰ বৰা : উপাধ্যক্ষ মহোদয়, এটা কথা সদনৰ অনুমতি লৈ কব খুজিছো যে কাৰ্য্যসূচীৰ ৫ নং যিটো বিষয় আছে তাতকৈ ৮ নং বিষয়টো অতি গুৰুত্বপূৰ্ণ। সেই কাৰণে ৮ নং বিষয়টোত অগ্ৰাধিকাৰ দি এই বিষয়টো আগতে আলোচনা কৰিবলৈ যদি সদনে সন্মতি দিয়ে তেনেহলে আলোচনা কৰিব পাৰো।

শ্ৰীলীলা কান্ত দাস : এই বিষয়টো আগৰে পৰা চলি আছে। গতিকে সেইটোকে আলোচনা কৰিবলৈ দিব লাগে।

Mr. Dy. Speaker : It is upto the House to say whether they would prefer to give priority to item No 8 as suggested by Shri Bora.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, we have no objection.

Mr. Dy Speaker : Then let us come to item No 8.

Shri Dulal Chandra Baura : Then the other items if need be, will be taken up on Friday next.

শ্ৰীপীট সিং কোৰৱ : মাননীয় উপাধ্যক্ষ মহোদয়, আজি ইয়াত যিটো প্ৰস্তাব আহিছে এই প্ৰস্তাবটো হল আমাৰ যিটো লাগতীয়াল দৈনন্দিন বস্তু, যি বিলাক ব্যৱহাৰ্য্য বস্তু সাধাৰণতে সৰ্বসাধাৰণে গ্ৰহণ কৰে সেই বিলাক বস্তুৰ দাম দিনে দিনে বাঢ়িছে। এই বস্তু বিলাকৰ দাম চৰকাৰে নিদ্ধাৰণ কৰি দিব পৰা নাই। আমাৰ আজি গাৱৰ ৰাইজ বা নগৰৰ সকলো মানুহে বিষেশকৈ নিম্ন খাপৰ মানুহে চৰা দামৰ কাৰণে বেচি নিৰ্জাতন ভোগ কৰিব লগীয়া হৈছে। আমি জানো যে এটা বস্তু দাম বাঢ়ি গলে তাৰ লগে লগে বাকী বস্তু বিলাকৰো দাম বাঢ়ি যায় ইটো বস্তুৰ দামৰ লগত সিটো বস্তুৰ সম্বন্ধ আছে। আজি কিছুদিনৰ আগতে বিশেষকৈ চাউলৰ দাম বৰ বেচি বঢ়া নাছিল। কিন্তু চৰকাৰে ১ নবেম্বৰৰ পৰা চাউলৰ ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ আনিব বুলি ঘোষণা কৰিলে তাৰ পিচতে, আৰু মুখ্য মন্ত্ৰীয়ে চাউলৰ দাম কিছু বৃদ্ধি কৰা হব বুলি যেতিয়াই ঘোষণা কৰিলে তেতিয়াৰ পৰাই তাত দাম লাহে লাহে বাঢ়িবলৈ আৰম্ভ কৰিলে। যেতিয়া চাউলৰ দাম বাঢ়িল তেতিয়া আলুৰ দাম বাঢ়িল, আৰু যেতিয়া আলুৰ দাম বাঢ়িল তেতিয়া পিয়াজৰ দামো বাঢ়িবলৈ ধৰিলে। আজি ব্যৱসায়ী সকলে দাম বঢ়োৱাটো এটা সুযোগ হিচাপে গ্ৰহণ কৰিছে। এজন বেপাৰীয়ে যেতিয়া যিটো দাম ইচ্ছা কৰি বিচাৰিব ঠিক তেনে ধৰণেই দি আহিব লাগিব। তাত কোনো

ধৰা বন্ধা নিয়ম নাই। এই কাৰণেই বেপাৰী সকলে নিজৰ ইচ্ছা মতে বস্তুৰ দাম ধাৰ্য্য কৰে সেইটো দামতে পইচা দি আহিব লাগিব। তাৰ বাহিৰে কোনো উপায় নাই। অলপতে পেট্ৰলৰ দাম বঢ়ালে। কিন্তু তাৰ লগে লগে কেৰাচিনৰ দাম বাঢ়ি গল। কাৰণ পেট্ৰলৰ লগত কেৰাচিনৰ উতপুত ভাবে জৰিত। বহুতো সময়ত বস্তুৰ যোগানৰ কাৰণেও বস্তুৰ দাম বাঢ়ে। আৰু যিমান বস্তুৰ প্ৰয়োজন হয় সিমান বস্তুৰ যোগান চৰকাৰে ধৰিব নোৱাৰাৰ কাৰণেও বস্তুৰ দাম বাঢ়ে। আজি যি বিলাক বস্তুৰ প্ৰয়োজন হয় সেই বিলাক চৰকাৰে ঠিক মতে যোগান ধৰিব নোৱাৰে। যেতিয়াই যিটো বস্তুৰ সংকট হব তেতিয়াই বেপাৰী সকলে তেওঁলোকৰ ইচ্ছা মতে বস্তুৰ দাম বঢ়াই দিব। আজি চৰকাৰে যি বিলাক বস্তু কনট্ৰল কৰিছে সেই বিলাকত কনট্ৰল নহৈ কন্দনহে হৈছে। আগতে ঘেহুৰ ব্যৱসায় চৰকাৰে হাতত ললে। আমি ভাবিছিলো যে বস্তু বিলাক ঠিক মতে আহিব। কিন্তু আজি ঘেহু কতো পাবলৈ নাই। বৰ্ত্তমান ঘেহু বজাৰতো পাবলৈ নাই তাৰু এফ চি আইৰ সুলভ মুল্যৰ দোকানতো নাই। আৰু যি বিলাক আটাৰ যোগান ধৰিছিল সেই বিলাক এনে ধৰনৰ আটা দেখাত সেই বিলাক আটা যেন লাগে কিন্তু পিচি দিলে সেই বিলাকৰ পৰা বালি উলায়। এই বিলাক কনট্ৰল নহৈ কন্দল নহয় কি ?

যোৱা বাৰ ৰবি শস্যৰ সময়ত ধাক ঢোল বজাই কৈছিল যে আমাৰ ইমান ঘেহু হৈছে যে এতিয়া ভাৰত চৰকাৰৰ পৰা নানিলেও আমাৰ চলিব। তাৰ পিচতেই সেই মতেই আমাৰ বিষয়া সকলে সেই মৰ্মে চিঠি লিখিলে। তেতিয়া সেই চিঠিৰ মৰ্মে ভাৰত চৰকাৰেও অসমক ঘেহু কমাই দিলে। এতিয়া, যেতিয়া আমাৰ ইয়াত ঘেহু নাইকীয়া তেতিয়া পুনৰ ভাৰত চৰকাৰলৈ চিঠি লিখি জনাইছে যে আমাৰ ঘেহু বিলাক মাটিয়ে খালে সেই কাৰণে আগতে আমাক যি পৰিমানৰ ঘেহু কোটা দিছিল সেই পৰিমানৰ ঘেহুকেই এতিয়াও দিব লাগে। আজি যি বিলাক মানুহে চাউল নাপায় ঘেহু খায় সেই বিলাক মানুহৰ কাৰণে মৰণ হৈছে। আমি এনে কথা বুজিব পৰা নাই যি বিলাক বস্তু যেতিয়াৰ পৰা কনট্ৰলৈ অনা হয় তাৰ পিচত সেই বিলাক বস্তু বাহিৰত কেনেকৈ পায়। আজি এনেকুৱা খেলিমেলিৰ সৃষ্টি হৈছে

যে যি বিলাক বস্তুৰ কণ্টলৰ দায়িত্ব যি বিলাক বিষয়াৰ ওপৰত দিয়া হৈছে সেই বিলাক বিষয়াই তেওঁলোকৰ দায়িত্ব পালন কৰিব পৰা নাই। বস্তুৰ যেতিয়া নাটনি হব তেতিয়া কব যে বানপানী হোৱাৰ কাৰণে ৰেল বন্ধ হৈ আছে তাৰ কাৰণেই বস্তুৰ নাটনি হৈছে, কেতিয়াবা কব যে ৰেল বাগৰি পৰাৰ কাৰণে ৰেল আহিব পৰা নাই তাৰ কাৰণে আমাৰ ইয়ালৈ যোগান বন্ধ হৈ আছে। এই দৰে যদি চৰকাৰে অসুবিধা দেখুৱাই থাকে তেনেহলে ৰাইজ চলে কেনেকৈ? উপাধ্যক্ষ মহোদয়, আপুনি চাওক, আজি ঘেহুৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে।

তাৰ পিচত মুখ্য মন্ত্ৰীয়ে আনিলে টেক্সটাইল। যেতিয়াই টেক্সটাইল ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ আনিলে তেতিয়াই বজাৰত সূতা পাবলৈ নাই-কীয়া হল। বজাৰত সূতা নাইকীয়া হোৱাত শিপিনী বিলাকৰ মাজত হাহাকাৰ লাগিল। তাৰ পিচত ঘোষণা কৰিলে যে ১ংৰ পৰা ৪০ নংলৈকে সূতাৰ কনণ্টল উঠাই দিলে। তাৰ পিচতো ১নং পৰা ৪০ নং লৈকে সূতা বজাৰত পাবলৈ নাইকীয়া হৈয়ে থাকিল। এইটো টো চৰকাৰ ফেইল মাৰিলে। আজি দেখা গৈছে চৰকাৰে যতেই হাত দিছে ততেই ব্যৰ্থ হৈছে। যতেই কণ্টল কৰিছে ততেই কন্দল হৈছে।

এতিয়া আহিছে ধানৰ কথা। ধানৰ কথা কি কম? আজি যিটো সমবায় পদ্ধতিৰে ধান সংগ্ৰহ কৰিব বিচাৰিছে এফ চি আয়েই হওক বা এপেন্স মাৰটেকিঙই হওক সেই বিলাক এক বছৰৰ আগতে ঠিক কৰিব লাগিছিল। আজি এইটো সমবায় নহৈ সমাৰ বায় হৈছে।

এই সমবায় বিলাকত যদি ১ হাজাৰ মেম্বাৰ নাথাকে তেন্তে চৰকাৰে যি ১০ হাজাৰ টকাৰ এটা অংশ দিছে সেইটো নাপায়। বা বেংকৰ পৰা চেয়াৰো নাপায় সেইকাৰণে আজি কো-অপাৰেটিভ বিলাকে ধান প্ৰক্ৰিউৰ কৰিব পৰা নাই। এফ, চি, আই বিলাকৰ হাতত টকা নাই। আজি দেখা গৈছে যে বেপাৰী বিলাকে ৰাতিপুৱা ২২ টকাত ধান কিনি গধূলী ২৮ টকাত বিক্ৰি কৰিছে আৰু তাতো লাভ কৰিছে। গতিকে অধ্যক্ষ মহোদয়, আমাৰ আগৰ যিটো ব্যৱস্থা আৰু এতিয়া পহিলা নবেম্বৰৰ পাছৰ যিটো ব্যৱস্থা এই দুই ব্যৱস্থাৰ মাজৰ প্ৰাৰ্থক্যতো মই বুজি পোৱা নাই। ধান চাউল সৰহবৰাহ আৰু সংগ্ৰহ কৰা আৰু পাইকাৰী

লগোৱাত অবাধে কানি আদিৰ সৰবৰাহ আদি হব। বহুত সময়ত এইখন আমাৰ দেশেই নহয় যেন লাগে কিয়নো যেতিয়া আমাক বৃটিশ সকলে শাসন কৰিছিল তেতিয়া আমাৰ কোনো কিছুৰ অভাৱ নাছিল। সকলোৱে মিলিজুলি থাকিব পাৰিছিলোঁ। ধন টকা পইছাৰ বিনিময়ত নহয়, কাৰোবাৰ ঘৰত যদি কিবা এটা বস্তু উভৈনদী হৈ আছে তেতিয়াহলে, সেইটো বস্তু ওচৰ চুবুৰীয়াকো দিছে। কিন্তু আজি আমাৰ জাতীয় চৰকাৰৰ দিনত যিটো দেখিছোঁ। যে, নিজৰখিনি দিয়াৰ দূৰৰ কথা লোকৰ খিনিও পাৰিলে কাহিঁ আজোৰি নিয়াৰহে ব্যৱস্থা কৰিব। গতিকে এইবিলাক কথা আমি ভালদৰে চিন্তা কৰিব লাগিব। তাৰোপৰি, সমবায় সমিটি আদি কৰিবলৈ গৈ যিবিলাক কমিটি আদি গঠন কৰিছে সেইবিলাক সম্পূৰ্ণ ৰাজনৈতিক ভাৱে কৰাৰ কাৰণে সেইটোও বৰ সাংঘাটিক কথা হৈছে। আজি আমাৰ ভাল মানুহৰ অভাৱ হোৱা নাই। ভাল মানুহ সকলোতে আছে, অফিচাৰ সকলৰ ভিতৰতো যে ভাল মানুহ নাই সেইটো নহয়। কিন্তু সেই ভাল মানুহ বিলাকৰ পৰামৰ্শ আমাৰ চৰকাৰে লব লাগে আৰু ভাল দিহা পৰামৰ্শ দিবপৰা ভাল মানুহকেই এই সমবায় সমিটি আদিৰ চেয়াৰমেন, সভাপতি আদি কৰিব লাগে। কিন্তু যিটো দেখা গৈছে এই কমিটি বিলাকত ভাল মানুহ খুউব কমেইহে আছে।

শ্ৰীজগদীশ দাস: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে এইদৰে কোৱা নাই কিয়নো তেখেতো এখন কমিটিৰ চেয়াৰমেন।

শ্ৰীপিটসিং কোৱৰঁ: মই চেয়াৰমেন যদিও কোনো ফুড কমিটিৰ চেয়াৰমেন নহয়। সি যিয়েই নহওক কিয় আমাৰ ৰাইজৰ যিবিলাক নিত্য প্ৰয়োজনীয় জিনিষ পত্ৰ আদি আছে সেইবিলাক বস্তুৰ এখন সুবৃস্থিত লিষ্ট তৈয়াৰ কৰিব লাগে আৰু সেই বস্তু বিলাক যেন ৰাজ্যৰ সকলো ঠাইতে সকলো সময়তে উচিৎ মূল্যত পাব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। এইটোকে কৰিব পাৰিলে বয় বস্তুৰ দামৰ কাৰণে কোনো বিক্ষুভ আদি নহব আৰু তাৰ কাৰণে কোনো ধৰ্ণা আদিও দিব নালাগিব। আশাকৰো, আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে এই সকলো বিলাক কথা ভালদৰে বিবেচনা কৰি চাব। আমাৰ মাননীয় মূখ্যমন্ত্ৰীৰটো ৰাতিপুৱাৰ পৰা গধূলিলৈকে কোনো সময়েই নাই। তেখেত পুৱাৰে পৰা গধূলিলৈকে যিবিলাক

কামত ব্যস্ত থকাৰ কথা কয় সেইবিলাক কামৰ কাৰণে আমাৰ কিছুমানৰ কাৰণে পাগল হৈ যোৱাৰে কথা। পৰামৰ্শ বিলাকো সদায় সকলোৰে পৰাই লব নালাগে। অন্তত: কিছুমান ক্ষেত্ৰত পকাচুলিৰ মানুহকো আলোচনাৰ ভিতৰত পৰামৰ্শ দাতা হিচাবে লব লাগে। যি পাৰ্টিৰে নহওঁক লাগে ভাল মানুহ পালে পৰামৰ্শ আদি লোৱাত কোনো আপত্তি আদি থাকিব নোৱাৰে। আজি আমাৰ ধান চাউলৰ কাৰবাৰ আদি এবছৰৰ আগেয়েই আৰম্ভ কৰিব লাগিছিল কিয়নো তেতিয়াহলে, হয়তো ধান আদি সংগ্ৰহ কৰাত আজি উদ্ভৱ হোৱা অৱস্থা বিলাকৰ সৃষ্টি নহলেহেতেন। কিছুমান পৰিস্থিতিয়েও আমাৰ দুখীয়া লোক সকলক বাহিৰৰ পৰা কিনিবলৈ বাধ্য কৰায়। কেতিয়াবা যদি দুই এক মানুহক সোধা যায় যে আপুনি চাউল কত পালে, তেতিয়া উত্তৰ পোৱা হয় যে, মিলৰ পৰা আনিছো। তেতিয়াহলে, আকৌ প্ৰশ্ন জাগে যে মিলে আকৌ কৰ পৰা পালে ? আমাৰ যিবিলাক দুখীয়া মানুহ আছে সেই লোক বিলাকে একো আওভাও নেপায় আৰু মিলত যি দামকে পায় সেই দামতে ধান বিক্ৰী কৰি গুছি আহে। গতিকে আমি সমবায়ৰ পথত অগ্ৰসৰ হোৱাৰ পথত এই কথা বিলাকো ভালদৰে লক্ষ কৰিব লাগিব। আমাৰ এই চৰ-কাৰৰ ইতিমধ্যে লোৱা তিনিটা আঁচনিৰ ভিতৰত ঘেহু আৰু সূতাই ইতিমধ্যেই ফেইল মাৰিছে। এতিয়া এই ধান চাউল আদিৰো প্ৰায় ৫০ ভাগেই ফেইল মাৰিছে বুলিয়েই কবপাৰি। অধ্যক্ষ মহোদয়, এই বিলাক ক্ষেত্ৰত মই আমাৰ মাননীয় মূখ্যমন্ত্ৰীৰ চোকা দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীদেবেন্দ্ৰ নাথ বৰা : মাননীয় অধ্যক্ষ মহোদয়, অসমত নিত্য প্ৰয়োজনীয় জিনিষ পত্ৰৰ যি দাম বাঢ়িছে সেইসম্পৰ্কে মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে যি বিবৃতি দিছিল সেই সম্পৰ্কে মই কেইটামান কথা কম বুলি আগবাঢ়িছো। মূখ্যমন্ত্ৰীৰ বিবৃতিত পৰিবহন ব্যৱস্থাৰ অসুবিধা আৰু বানপানী আৰু খৰাং বতৰৰ কাৰণে উৎপাদন কম হোৱাটোৱেই ইয়াৰ মূল কাৰণ বুলি কৈছে। এই দুটা প্ৰধান কাৰণেই বস্তুৰ দাম ইমান উৰ্দ্ধগামী হৈছে। তাৰোপৰি আমাৰ সমাজত থকা একশ্ৰেণীৰ সমাজ বিৰোধী লোকৰ কাৰ্য্যকলাপৰ কাৰণেই বয়-বস্তুৰ এই নাতনি আৰু উৰ্দ্ধগামী দাম হৈছে। এই বিলাক কথা ভালকৈ অনুধাৱন কৰিলেই বুজিব পাৰি। আমি প্ৰত্যেকে আমাৰ বয় বস্তুৰ মূল্য সূচীখন তুলনা কৰি চালেই গম পাওঁ যে প্ৰত্যেক বছৰেই এই দাম বাঢ়িহে গৈছে আৰু সি এবাৰ বাঢ়িলে কমাৰ লক্ষণ অকণো নাই। এনেধৰনেৰে

পিয়াজৰ শতকৰা ৫১ ভাগ, বনস্পতিৰ শতকৰা ৪৭ ভাগ মিঠাতেলৰ ৩৪ ভাগ, চাউলৰ শতকৰা ৩১ ভাগ আৰু মগু দাইলৰ শতকৰা ২৮ ভাগ দাম বাঢ়িছে। ফলত আমাৰ দেশৰ জনসাধাৰন বিশেষকৈ গৰীব শ্ৰেণীৰ দুখ কষ্টৰ সীমা নাইকীয়া হৈছে। যোৱা এমাহত আমাৰ ৰাইজৰ মাজত চাউলৰ কৃত্ৰিম নাটনি হোৱাত এক শ্ৰেনীয়ে ধান চাউলৰ চোৰাং কাৰবাৰ কৰিছে। আনহাতে বস্তুৰ উৎপাদন কমি যোৱাত চাউলৰ দাম তিনিটকাকৈ বাঢ়ি গৈছে। ফলত আমাৰ গৰীব ৰাইজ ২-৩ সাঁজ লঘোনে থাকিব লগীয়া হৈছে। এই সদনত চৰকাৰৰ দ্বাৰা সমৰ্থিত হোৱা নাই যদিও অনাহাৰত বহুত মানুহ মৰিছে আৰু কিছুমানৰ বেমাৰো হৈছে আৰু মৃত্যুমুখত পৰা বুলিও অভিযোগ আহিছে। চৰকাৰে এই কথাটো চিন্তা কৰা উচিত। গতিকে বস্তুৰ কৃত্ৰিম নাটনিৰ ফলত দাম বাঢ়িছে বুলি স্বীকাৰ কৰিব লাগিব। সেই কাৰণে চৰকাৰে মধ্য স্বত্বভোগী ব্যৱসায়ী সকলক আতৰাই গোটেই ব্যৱস্থাটো ৰাইজৰ মাজত আনিবৰ চেষ্টা কৰিছে সমবায়ৰ জৰিয়তে। আমাৰ বৰ্ত্তমান যিবিলাক নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সকলো বিলাক সমবায়ৰ জৰিয়তে বিতৰণ কৰিব খোজাতো চৰকাৰৰ ডাঙৰ পদক্ষেপ। যি বিলাক প্ৰগতিশালী দেশ এই সকলোবোৰ দেশেই এই ব্যৱস্থা লৈছে। এই, সমবায় পদ্ধতি গঠণ হৈ উঠিলে অন্য মধ্যস্বত্ব ব্যৱসায়ী সকলে গা কৰি উঠিব নোৱাৰে আৰু ৰাইজে সমানভাবে খাবলৈ পাব। আমাৰ ৰাজ্যত উৎপাদন বাঢ়িছে যদিও দিনে দিনে মাহে মাহে বছৰে বছৰে বাঢ়ি অহা অগনন জনতাৰ তুলনাত ই একো নহয়। সেই কাৰণে যিখিনি বস্তু উৎপাদন হয় সেইখিনি যাতে কোনো ব্যক্তিগত মানুহে নাপায় সেইখিনি ৰাইজৰ হাতলৈ টানি আনিব লাগিব আৰু সেইটো মাত্ৰ সমবায়ৰ জৰিয়তে সম্ভৱপৰ। আমাৰ সমবায় সম্পৰ্কে বহুতো সদস্যই সন্দেহ প্ৰকাশ কৰিছে যে ই কাৰ্য্যকৰী নহব। কিন্তু মোৰ বোধেৰে সন্দেহ প্ৰকাশ কৰাৰ কোনো কাৰণ নাই, আমাৰ উদ্দেশ্য হব লাগিব যে ব্যক্তিগত ব্যৱসায়ীক আতৰাব লাগিব আৰু তাৰ কাৰণে অসমৰ জনসাধাৰন তথা সদস্য সকলে সহযোগ কৰিব লাগিব। যদি আমি সমবায়ক কৃতকাৰ্য্য কৰি তুলিব নোৱাৰো তেতিয়াহলে বস্তুৰ কৃত্ৰিম নাটনি নিশ্চয় হৈ থাকিব। গতিকে আমি আমাৰ মনটোত ক্লিয়াৰ কনচেপচন কৰি লব লাগিব যে মাৰোৱাৰী বা কোনো ব্যক্তিগত লোকৰ হাতত ব্যৱসায় এৰি দিব নোৱাৰি। আমাৰ ৰাজ্যৰ কোনো কোনো অঞ্চলত সমবায় যে কৃতকাৰ্য্য হৈ উঠা নাই এই কথা ঠিক।

কিন্তু কথা হ'ল আমাৰ ৰাইজৰ সেই ক্ষেত্ৰত বুজাপৰাৰ অভাব। আগৰ যিবিলাক সমবায় সমিটি সেইবিলাকত যে কেৰোন নাছিল এই কথা নুই কৰিব নোৱাৰি। কিন্তু এতিয়া নতুন দৃষ্টি ভঙ্গিৰে এই কথা আতৰ কৰিব লাগিব, নতুন দৃষ্টিভঙ্গিৰে সমবায় আন্দোলনক ঠন ধৰি উঠালে ব্যক্তিগত ব্যৱসায় বন্ধ কৰিলে কৃত্ৰিম নাটনি দূৰ হব এই কথা বুজাই দিব লাগিব। মুখ্যমন্ত্ৰী তথা কৃষি বিভাগেও কৈছে যে দাবুল ক্ৰপিং কৰিব পাৰি কাৰণ বানপানী নোহোৱা ঠাইত জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। এই নতুন পদ্ধতিত খেতি কৰিবলৈ আমি কৃষি বিভাগটো শক্তিশালী কৰি তুলিব লাগিব। নহলে দেশত কৃত্ৰিম নাটনি হৈয়ে থাকিব। আজি আমাৰ ৰাজ্যত যিখিনি ধান চাউল সৰিয়হ উৎপাদন হয় সেইবিলাক চোৰাং ভাবে আন ৰাজ্যলৈ গুচি যায়। গতিকে আমাৰ ৰাজ্যৰ উৎপাদন আমাৰ ৰাজ্যতে ৰাখিবলৈ কটকটীয়াভাবে চৰকাৰে চোৰাং কাৰবাৰ বন্ধ কৰিব লাগিব আৰু তাত ৰাইজে সহযোগ কৰিব লাগিব। আনহাতে বিতৰণৰ ক্ষেত্ৰত আমি সমবায় পদ্ধতি অবলম্বন কৰিব নোৱাৰিলে কেতিয়াও সমবিতৰণ হব নোৱাৰে।

গতিকে উৎপাদন আৰু বিতৰণত আমাৰ চৰকাৰে গুৰুত্ব দিব বুলি আশা কৰি বক্তৃতাৰ সামৰনি মাৰিলো।

**শ্ৰীকেহোৰাম হাজৰীকা :** নিত্য ব্যৱহাৰ্য্য বস্তুৰ মূল্য বৃদ্ধিৰ সমস্যাটো আজি আমাৰ সমাজত এটা সংক্ৰামক ৰোগৰ নিচিনা এটা বিৰাট ৰোগ হৈ পৰিছে। আমাৰ ভালেকেইজন সদস্যাই এই বিষয়ৰ বিতৰ্কত অংশ গ্ৰহন কৰি বিষদ আলোচনা কৰি গৈছে আৰু বহুতে কৈছে যে খাদ্য সামগ্ৰীৰ একেবাৰে নুন্যতম প্ৰয়োজনীয় খাদ্যখিনিও যোগাৰ কৰিব নোৱাৰাৰ ফলত অনাহাৰত মৃত্যু মুখত পৰিবলগীয়া হৈছে। হয়তো বহুতে অস্বীকাৰ কৰিব যে খাবলৈ নাপাই লৰা-ছোৱালী মৃত্যু মুখত পৰা কথাটো সত্য নহয় কিন্তু সেইটো নহয় বহুদিন খাবলৈ নোপোৱাৰ ফলত তেওঁলোক বেমাৰত পৰিবলগা হৈছে আৰু সেইদৰে হয়তো এদিন মৃত্যু মুখত পৰিবলগীয়া হৈছে।

আমি জনাত কেইদিনমান আগলৈকে আমাৰ দেশত চাউলৰ কিলো ৩ টকা ৩.৫০ পইচা পৰ্য্যন্ত হৈছিলগৈ। অৱশ্যে এতিয়া কিছু কমিছে। সেইদৰে আলুৰ কিলোই ২ টকা ২.৫০ পইচা পৰ্য্যন্ত হৈছিলগৈ আৰু পিয়াজৰ কিলোই

২'৫০ আৰু ৩ টকা হৈছিলগৈ। গতিকে দেখা যায় এনে ধৰনে যদি বয়-বস্তুৰ মূল্য বাঢ়ে তেতিয়াহলে আমাৰ সমাজৰ সকলো শ্ৰেণীৰ মানুহ জীয়াই থকাটো অসম্ভৱ হৈ পৰিব। নগাৰতে মিঠাতেলৰ লিটাৰ আছিল ৯।১০ টকা বজাৰত মিঠাতেল এক দুষ্প্ৰাপ্য বস্তু হৈ পৰিছে। এই ক্ষেত্ৰত যদি কোনোবাই প্ৰশ্ন কৰে যে চৰকাৰে এনে সময়ত কি কৰি আছে তেতিয়া তাৰ উত্তৰ হব চৰকাৰে এই ক্ষেত্ৰত নিৰপেক্ষ দৃষ্টিৰে চাই আছে, কোনো ভুমিকা লোৱা দেখা নাই। জিলাই জিলাই যিবিলাক ফুদ ট্ৰেড চাপলাই কমিটি গঠন কৰা হৈছে সেইবিলাকে বস্তু দৰ বৃদ্ধি বন্ধ কৰাত বা হস্তক্ষেপ কৰাত কোনো ধৰণৰ ক্ষমতা এই কমিটি বিলাকৰ ওপৰত আৰোপ কৰা নাই। বা আন কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই যাৰ দ্বাৰা এই বস্তু বিলাকৰ দৰতো বান্ধি দিয়া হয়। সেইকাৰণেই আজি আমাৰ সৰ্ব্ব-সাধাৰণ মানুহৰ জীৱন আজি লাভখোৰ মজুতকাৰী ব্যক্তিগত ব্যৱসায়ীৰ ওপৰত নিৰ্ভৰ কৰিছে। খাদ্য দ্ৰব্যৰ উৎপাদন কমি গৈছে বুলি কৈছে কিন্তু প্ৰকৃততে সেইটো নহয় এই লাভখোৰ মজুতকাৰী সকলে এনে ধৰণৰ নাটনিৰ সৃষ্টি কৰি এক কৃত্ৰিম অনাটনৰ সৃষ্টি কৰিছে যাৰ ফলত বস্তুৰ মূল্য বহুগুনে বাঢ়ি গৈছে। ১৯৭০।৭১ চনত আমাৰ দেশত খাদ্য দ্ৰব্যৰ উৎপাদন অলপ বেচি হৈছিল আৰু সেই বছৰ আমাৰ দেশত আমাৰ ভাৰতবৰ্ষত খাদ্য দ্ৰব্যৰ উৎপাদন প্ৰায় ১১ কোটি মেট্ৰিক টন আছিল কিন্তু এইবছৰ সামান্য মাত্ৰ কমিছে, অৱশ্যে সেইটো অনাবৃষ্টি আৰু বানপানীৰ কাৰণে হোৱা বুলি কৈছে তথাপিও যোৱা বছৰৰ তুলনাত সিমান কম নহয় প্ৰায় ১০'৫০ কোটি মেট্ৰিক টন ১৯৭২।৭৩ চনত উৎপাদন হয়। কিন্তু সেই অনুপাতে দ্ৰব্যৰ মূল্য যথেষ্ট পৰিমানে বাঢ়িছে প্ৰায় শতকৰা ১০০।২০০ ভাগ বাঢ়িছে কিন্তু ইমান বেচি বঢ়াৰ কোনো কাৰণ নাছিল। ভালদৰে বিশ্লেষন কৰি চালে দেখা যায় কোনো কোনো খাদ্য দ্ৰব্যৰ মূল্য প্ৰায় শতকৰা ১০০, ভাগ ৪০০ ভাগ বাঢ়ি গৈছে। আমাৰ দেশত আজি বয়-বস্তুৰ মূল্য নিয়ন্ত্ৰন কৰিছে বক্তিগত ব্যৱসায়ী আৰু লাভখোৰ পুঁজিপতি সকলৰ হাতত আছে আৰু সেইসকলৰ মতেই আৰু সেই সকলৰ ইচ্ছামতেই আমাৰ দেশৰ বস্তুৰ মূল্য বাঢ়ে আৰু কমে। তেওঁলোকেই খাদ্য দ্ৰব্য উৎপাদন হোৱা নাই বুলি নানা ধৰণৰ কথা কৈ দেশত অনাটনৰ সৃষ্টি কৰিছে আৰু বয়-বস্তুৰ মূল্য বহুগুণে বৃদ্ধি কৰিছে। আজি আমাৰ প্ৰথাৰত

খেতিয়কে খেতি কৰিছে গুড় উৎপাদন কৰিছে আমাৰ ইয়াত কিন্তু সেই নিত্য ব্যৱহাৰ্য্য বস্তুৰ মূল্য নিৰ্দ্ধাৰণ কৰিছে আমাৰ দেশৰ পুঁজিপতিৰ 'চিণ্ডিকেটৰ' পৰা। গতিকে তেওঁলোকৰ ইচ্ছাৰ ওপৰতেই বস্তুৰ দাম বাঢ়ে আৰু কমে।

অৱশ্যে নিত্য ব্যৱহাৰ্য্য বস্তুৰ মূল্য বঢ়াতো অকল ভাৰতবৰ্ষতেই নহয় গোটেই পৃথিবীতেই চলি আছে, ই নতুন কথা নহয়।

উপাধ্যক্ষ মহোদয়, অলপতে এটা 'ওৰ্লড বেংকৰ' হিচাব দিছে তাত দেখুৱা মতে আমেৰিকা, ফ্ৰান্স আৰু ব্ৰিটেনত বস্তুৰ মূল্য বাঢ়িছে শতকৰা ৩৬ ভাগ, শতকৰা ৫৬ ভাগ কিন্তু সেই অনুপাতে আমাৰ দেশত বাঢ়িছে শতকৰা ১০০ ভাগ শতকৰা ৪০০ ভাগ অথচ আমাৰ এইখন দেশতে শতকৰা ৭৪ ভাগ মানুহ জীৱন ধাৰণাৰ নুন্নতম মানদণ্ডৰ তলত আছে গতিকে এনে অৱস্থাত আমাৰ দেশত সাধাৰণ শ্ৰেণীৰ মানুহ জীয়াই থকাতো অসম্ভৱ হৈ পৰিছে।

এই ক্ষেত্ৰত মই চৰকাৰৰ ওচৰত দাবী কৰিছোঁ—যিবিলাক সামগ্ৰী অত্যন্ত আৱশ্যক সেইবিলাক অনতিপলমে চৰকাৰৰ হাতলৈ আনিব লাগে। আজি যিখন দেশত আতাই হ'ল সৰ্ব্বসাধাৰণ শ্ৰেণীৰ মানুহৰ কাৰণে প্ৰধান খাদ্য সেই বস্তুতোও বজাৰত দুষ্প্ৰাপ্য হৈ পৰিছে আৰু দুৰ্ম্মূল্য হৈ পৰিছে। আজি ২৬ বছৰেও এই লাভখোৰ পুঁজিপতিৰ হাতৰপৰা এই দৈনন্দিন ব্যৱহাৰ্য্য বস্তুৰ কণ্টোলতো চৰকাৰে কাঢ়ি আনিব নোৱাৰিলে। বিৰলাৰ নিচিনা একচেতিয়া পুঁজিপতিৰ সম্পত্তি আজি ৯ শ ১ কোটি টকা হ'লহি, এইধৰণে দেশৰ যিবিলাক একচেতিয়া ব্যৱসায় আছে তেওঁলোকে ভাৰতবৰ্ষৰ জনসাধাৰণক নিয়ন্ত্ৰন কৰি আছে। আচলতে যেতিয়ালৈকে এই লাভখোৰ মজুতকাৰী একচেতিয়া ব্যৱসায়ীৰ হাতত এই বয়-বস্তুৰ মূল্য নিয়ন্ত্ৰনৰ অধিকাৰ থাকিব তেতিয়ালৈকে এওলোকে দেশত অনাটনৰ সৃষ্টি কৰি বস্তুৰ মূল্য বঢ়ায়েই থাকিব, এওলোকৰ হাতৰপৰা এনেবোৰ অধিকাৰ কাঢ়ি ননালৈকে আমি বয়-বস্তুৰ মূল্য নিয়ন্ত্ৰন আশা কৰিব নোৱাৰো। আজি চৰকাৰৰ হাতলৈ এই পাইকাৰী ব্যৱসায়টো অনাৰ পিছতো যিবিলাক সুৰুঙা এই ক্ষেত্ৰত ৰৈ গ'ল তাৰ সুযোগ লৈহে এতিয়াও এই মজুতকাৰী আৰু লাভখোৰ চোৰাং ব্যৱসায়ী সকলে আংশিকভাৱে হলেও কিছুমান সুযোগ সুবিধা লৈ আছে। চৰকাৰী আইন আছে যে মাত্ৰ পাঁচ কুইণ্টল ঘেহুৰ ব্যৱসায় কৰিব

পাৰিব। কিন্তু বুজন পৰিমাণৰ মাটি থকা মাটিৰ মালিক সকলে হাতত ঘেহুঁ লৈ বজাৰলৈ ওলাই অহা নাই। সম্প্ৰতি ভাৰতত ২৬ নিযুত টন ঘেহুঁ উৎপাদন হয়। এতিয়া হিচাবমতে দেখা গৈছে মাত্ৰ ৬ নিযুত টন চৰকাৰে লৈছে কিন্তু বাকীবিলাক অতিৰিক্ত লাভৰ আশাত তেওঁবিলাকে গাৰেঁ গাৰেঁ মজুত কৰিছে। চৰকাৰে য'তেই হাত দিয়ে ত'তেই পুৰিবলৈ ধৰে। এইবিলাক ভাৰতবৰ্ষৰ জন-সাধাৰণক বুজাবলৈ কিছুমান প্ৰতিক্ৰিয়াশীল শক্তিয়ে চৰকাৰক এই ব্যৱসায়ত ব্যৰ্থ কৰিবলৈ চেষ্টা কৰিছে যাতে ইয়াৰ পিচত হাত দিয়া নিত্য ব্যৱহাৰ্য্য বস্তুবিলাকৰ ব্যৱসায়তো চৰকাৰ ব্যৰ্থ হব বুলিয়েই জনসাধাৰণে ভাবি লোৱাৰ অৱকাশ পাব পাৰে। কিয়নো ঘেঁহুৰ ব্যৱসায় হাতত লোৱাৰ লগে লগে আন আন নিত্য প্ৰয়োজনীয় বস্তু যেনে আলু, পিয়াজ, দাইল আদিৰ দাম কিয় বৃদ্ধি হ'ল, এইবিলাক ব্যৱসায়তো চৰকাৰে এতিয়ালৈকে হাতত লোৱা নাই। গতিকে প্ৰতিক্ৰিয়াশীল চক্ৰই যাতে এই ব্যৱসায় ব্যৰ্থ কৰিব নোৱাৰে তাৰ বাবে আইনৰ যিবিলাক সুৰুঙা আছে সেই সুৰুঙাবিলাক বন্ধ কৰিব লাগিব। পাচ কুইণ্টল ঘেঁহু কোন কোন ক্ষেত্ৰত আনিব পাৰে তাৰ এটা নিৰ্দ্দিষ্ট সীমাৰেখা বান্ধি দিয়ক। মাটিৰ মহাজন ধনী খেতিয়কৰ হাতত যিবিলাক মজুত আছে, হাজাৰ হাজাৰ টন ঘেঁহু আছে সেইবিলাকৰহে হিচাব উলিয়াব লাগে। নহলে ভবিষ্যতে নিত্য ব্যৱহাৰ্য্য খাদ্য দ্ৰব্যৰ ব্যৱসায় যিটো চৰকাৰে হাতত লবলৈ ওলাইছে তাকো প্ৰতিক্ৰিয়াশীল চক্ৰই ব্যৰ্থ কৰিবলৈ সুবিধা পাব। ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশত নহলেও অসমত ধান চাউলৰ ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ অনাতো আমি সমৰ্থন কৰিছো। অকল-সমৰ্থন কৰাই নহয় তাক কৃতকাৰ্য্য কৰিবলৈ মই ব্যক্তিগত ভাৱে আৰু মোৰ দলৰ পৰা সমষ্ট তৎপৰতা অৱলম্বন কৰা হৈছে। কিন্তু উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিশেষকৈ যিটো সংগ্ৰহৰ ব্যৱস্থা লৈছে সেই সংগঠনসমূহ দোষমুক্ত নহয় বৰঞ্চ কৰ লাগিব তাৰ বহুত চোচাইটি আগৰেপৰা চোৰাং কাৰবাৰ দুৰ্নীতি আদি কামত প্ৰশ্ৰয় দি আহিছে। মাননীয় সদস্য কোঁৱৰ ডাঙৰীয়াই সিদিনা এটা নগাওঁৰ ঘটনাৰ কথা কৈছিল যিটো দেবেন বৰাৰ সমচিত্তত নহয়। মই কলেই বুজি পাব। দুখন ডিজেল ট্ৰাকক পাৰ্মিট দিছে ৮৪ কুইণ্টল ধান আনিবলৈ, মানিকো আহিছে কিন্তু পুলিচ গৈ গাড়ী দুখন আটক কৰিলেগৈ। পিচদিনাই হোজাই থানাত গৈ ধানবোৰ জুখিলেগৈ। পিচে জনা গল যে ৮৪ কুইণ্টল ধান অনা নাই

আহিছে ৮২'৫২ কুইণ্টলহে। বস্তা বিলাকৰ পৰা আধা আধি ধান ৰাখিছে। এটা এটা দুইমোণ ধৰা বস্তাত ধান ভৰোৱা হৈছিল যদিও কিছু কিছু ধান উলিয়াই ৰাখিছে। এই কথাটোৰ লগত গোটেই অফিচৰ ষ্টাফ জড়িত হৈ আছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে যিবিলাক দুৰ্নীতিপৰায়ণ চেয়াৰম্যান গাদীত বহি আছে তেওঁবিলাকক অতি শীঘ্ৰে কঠোৰ হাতেৰে দমন কৰিব লাগে। যিবিলাক নতুনকৈ কৰপোৰেচন গঠিত হৈছে সেইবিলাকতো সেই একেই অৱস্থা। প্ৰতিক্ৰিয়াশীল মানুহ আৰু চৰকাৰী অফিচাৰ লগলাগি আচল উদ্দেশ্যত ব্যাঘাত জন্মাইছে। অফিচাৰে লগলাগি এটা কমিটি কৰিছে আৰু প্ৰমোটাৰ নাই বুলি আপত্তি উঠাত আকৌ কমিটিৰ কথা আহিছে ৰেজিষ্টাৰ হৈ যোৱাৰ পিচতো ইত্যাদি নানান খেলিমেলি হৈ আছে। এখন কৰপোৰেচনৰ ইতিহাস এই ক্ষেত্ৰত কব পাৰো। উপাধ্যক্ষ মহোদয়, চৰকাৰে কৰপোৰেচন গঠন কৰিবলৈ নিৰ্দ্দেশ দিছে। কৰপোৰেচন গঠন কৰিবলৈ অফিচাৰ গ'ল আৰু কলে যে প্ৰমোটাৰৰ সংখ্যা কম গতিকে অহা ১৪।১৫ তাৰিখমানে এটা অনিৰ্দ্দিষ্ট ঠাইত বহি মিটিং কৰি কৰপোৰেচন পাতিব। তাতেই কনভেনৰ কৰি দিয়াও হল। পিচত অফিচাৰ গ'ল, কোঅপাৰেটিভ ইউনিয়নৰ এজন গ'ল পিচে শুনা গ'ল অন্য এখন ঠাইত আৰু মিটিং বহি আছে। সেইখন আকৌ হেমো মণ্ডল কংগ্ৰেছে অৰ্গেনাইজ কৰিছে। ৰাইজৰ মাজৰপৰা কলে যে একে ঠাইতে বহি দুয়োজনে আলোচনা কৰা হওক। মাজত পঞ্চায়ত অফিচটো লৈ মিটিং বহিল। অফিচাৰে গৈ কৰপোৰেচন গঠন কৰিবলৈ প্ৰস্তাৱ আদি লবলৈ মোকো মাতিলে। পিচত গৈ দেখিলো যে ৰাইজৰ কৰা কৰপোৰেচন হেনো কালিয়েই ৰেজিষ্টাৰ হৈ গল গতিকে আৰু কৰপোৰেচনৰ কথা উঠিব নোৱাৰে। মোৰ বন্ধু দেবেন বৰা কৰপোৰেচনৰ ইউনিয়নৰ পৰা এজন আটাইকেইজনে মকামিলা কৰাৰ কাৰণে প্ৰস্তাৱ লবলৈ চিন্তা কৰিলো। তিনিওজন কনভেনৰ মিটিং পাতিলো, কিন্তু তাতো আলোচনাৰ কাৰণে এগ্ৰি নকৰিলে। মিটিং পাতি বাঞ্চাল কৰা হল। তাৰপিচত মিনিষ্টাৰৰ ওচৰলৈ অহা হল। তেওঁ কলে পৰহিলৈ মই নগাওঁলৈ যাম আৰু তাতে চাম মিটিং পাতিবলৈ কলে। দুই দিনৰ পিচত শুনিলো মিনিষ্টাৰে অৰ্ডাৰ কাটি দিছে। নতুনকৈ অৰ্গেনাইজ কৰিব লাগিব বুলি লিখা মানুহজনে আৰু কাটি থৈ গুছি আহিল।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ চোচাইটিখনৰ নাম কি ?

শ্ৰীকেহোৰাম হাজৰিকা ঃ ৰাইদিঙিয়া চোচাইটি। মন্ত্ৰী মহোদয়ৰ সদায় মনত আছে।

( সদনত হাঁহিৰ ৰোল উঠে )

শুনিলো কোনোবাই কোৱা আমাৰ যুৱক মন্ত্ৰীয়ে হেনো এইটো কটা নাই।

শ্ৰীবিষ্ণু প্ৰসাদ ( ৰাজ্যিক মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, মই এইটো কটা নাই।

উপাধ্যক্ষ : আপুনি আৰু কিমান সময় লব ?

শ্ৰীকেহোৰাম হাজৰীকা ঃ আচল কথালৈ অহাই নাই। আৰু সময় লাগিব।

( মধ্যাহ্ন ভোজনৰ বাবে দুই বজালৈ সদন স্থগিত ৰাখে )

## (After Lunch)

শ্ৰীকেহোৰাম হাজৰিকা :

মাননীয় উপাধ্যক্ষ মহোদয়, এই ক-অপাৰেটিভ বিলাক কেনেকৈ ন্যস্ত স্বাৰ্থ জৰিত লোক সকলে কৰিবলৈ চেষ্টা কৰিছে এই সম্পৰ্কে কৈছো। ৰাইদিঙীয়া সমবায় খনৰ লাইন কাটি দিছে। পুনৰ গঠন কৰা নহব বুলি গম পালো। তাৰ পিচত গোচৰ খিনি মুখ্যমন্ত্ৰীৰ ওচৰত তৰিলো। কিন্তু পাৰ নাপালো। পাৰ নাপাই জাগীৰোডত সমবায় মন্ত্ৰীক লগ ধৰি সকলো কলো। তেখেতে কলে যে অৰ্ডাৰ দিছো। কিন্তু আজিলৈকে সেই অৰ্ডাৰ গৈ নাপালে। এতিয়া গম পাইছো সেই খন সমবায়ে ১০ হাজাৰ সংগ্ৰহ কৰিব মাইকতো প্ৰচাৰ কৰিছে। এতিয়া চেয়াৰ কালেকচন যেনেকৈ হৈছে সেই মতে চলিলে আগৰ ইতিহাসক পুনৰাবৃত্তি কৰা হব। এতিয়া ৩ হাজাৰ টকা, ৬ হাজাৰ টকা, একহাজাৰ টকা ১০ হাজাৰ টকা একোজনে দিছে। আৰু পিচত মানুহৰ পৰা উঠাই লব। কিন্তু এই বিলাকত চক্ৰান্ত চলিছে। জৰাবাৰীত যিখন সমবায় গঠন হৈছে তেওঁলোকে এখন দৰ্খাস্ত দিছে সেই খন মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰীক দিম। তাত এই ধৰণে চক্ৰান্ত হৈছে যে চেয়াৰ লব বিচৰা সকলে কাকুতি কৰিও চেয়াৰ লব পৰা নাই। মাতি মাতি কাকো তালৈ নিব পৰা নাই। ৰাইজে ডেপুতি ৰেজিষ্টাৰক লগ কৰিলে। তেখেতে কলে যে

অৰ্ডাৰ দিছো যাব লাগে। কিন্তু নগল। তাৰ পিচত আকৌ তেখেতৰ ওচৰলৈ অহাত পঠিয়াই দিছে। আমাৰ যি বিলাক দুখীয়া মানুহৰ শোষন কৰাৰ অভিপ্ৰায় নাই সেই বিলাকক সমবায়ভ লব নিবিচাৰে। একেটা পৰিয়ালৰ ৪-৫ জনে বেলেগ বেলেগ পৰিয়াল বুলি দেখুৱাই সমবায়ত সোমাইছে। বাপেক ৩১ বিঘা মাটিৰ মালিক পুতেক মাটিহীন। এই ধৰণৰ মানুহ সমবায় বিলাকত সোমাই, সমবায় বিলাক নষ্ট কৰিব বিচাৰিছে। চচাইটি বিলাকে এজেন্ট লগাই ধান সংগ্ৰহ কৰিবলৈ লৈছে। চৰকাৰে ধানৰ দাম বান্ধি দিছে ২২ টকা। কিন্তু ৩২ টকাত বিক্ৰি হৈছে। এই ধৰণে যদি চলি থাকে তেন্তে দেশখনৰ অৰ্থনীতি ওলটপালট হৈ যাব। এই ধৰণে সমবায় বিলাক চলি থাকিলে দুৰ্নীতি আৰু বাঢ়ি যাব। যি সকলে ভাল উদ্দেশ্য লৈ আহে সেই সকলক লৈ ধান সংগ্ৰহৰ কাৰ্য্যত জোৰ দিব লাগে। দলীয় নীতি ইয়াৰ পৰা সমুলঞ্চে বাদ দিব লাগিব। যি বিলাকে চেবটেজ কৰিবলৈ চেষ্টা কৰিছে সেই সকলক ইয়াৰ পৰা বাহিৰ কৰি দিব লাগে। তাৰ পিচত যোগানৰ সম্পৰ্কে কব খুজিছো। মুখ্যমন্ত্ৰীয়ে সিদিনা প্ৰশ্নোত্তৰ কালত কৈছিল যে মানুহৰ নুন্যতম প্ৰয়োজনীয় বস্তু খিনিৰ যোগান ধৰা হব। এজন মানুহক সপ্তাহত চাৰে তিনি কিলো চাউল লাগে। কিন্তু আমাৰ চৰকাৰে তেওঁলোকক দিয়ে ৫শ বা ৮শ গ্ৰাম। এই খিনিৰে এজন মানুহক খাবলৈ নোজোৰে। মাননীয় সদস্য কোৱৰ ডাঙৰীয়াই কৈছে যে কন্টল মানে কণ্ডল। এইটো ঠিকেই কথা। লাভখোৰ বেপাৰী সকলে চৰকাৰৰ পদ্ধটিটো বা নচাল কৰাৰ কাৰণে চক্ৰান্ত কৰি আছে। চৰকাৰৰ বিতৰণ নীতি যদি আৰম্ভণীৰ পৰা নিকা কৰা নাযায় তেন্তে ই বিফল হব। আমাৰ প্ৰতিক্ৰিয়াশীল শক্তি সমুহে ইয়াত কণ্ডল লগাবৰ কাৰণে চেষ্টা কৰি আছে।

উপাধ্যক্ষ মহোদয়, ধান চাউলৰ ব্যৱসায় চৰকাৰৰ হাতলৈ লোৱাৰ লগে লগে চাউলৰ কিলোত ১.৬০, ১.৬৮ আৰু গাৱৰ অঞ্চলত ১'৭৫ পইচালৈকে হৈছে। এইটো অত্যন্ত গুৰুত্বপূৰ্ণ কথা। আজি আমাৰ মানুহে মাংস খায় কেনৰি বঢ়াব নোৱাৰে, কনী খায় কেলৰি বঢ়াব নোৱাৰে, এই কেলৰি আমাৰ মানুহে ভাতৰ পৰাই লব লাগিব। আমাৰ চৰকাৰে যদি আমাৰ এনে অৱস্থাৰ মানুহ বিলাকৰ পৰা যদি বেচি দাম লৈ থাকে তেনেহলে সেইটো এটা মাৰাত্মক কথা হব। মোৰ এইটো ব্যক্তিগত কথাই নহয় মই বহুতৰ লগত বহি হিচাব কৰি পাইছো যে চাউলৰ প্ৰতি কিলোত ১'৩০ পইচাতকৈ কেতিয়াও বেচি হব নোৱাৰে। যদি

চৰকাৰে ৭৫ টকা কুইণ্টলত ধান কিনে তেনেহলে মিলৰ খৰচ আৰু এডমিনি-ষ্ট্ৰেটিভ খৰচ আদি সকলো খৰচ বাদ দিলেও ১.৩০ পইচাতকৈ বেচি হব নোৱাৰে। এই সকলোবিলাক খৰচ ধৰিলে চৰকাৰৰ প্ৰতি কুইণ্টলত খৰচ পৰে ১৮ টকাকৈ। যদি এইদৰে প্ৰতি কুইণ্টলত ২৮ টকাকৈ চৰকাৰে লাভ কৰিব বিচাৰে তেনেহলে মানুহে তাৰ নিতান্তই বিৰোধীতা কৰিব আৰু আমিও তাৰ বিৰোধিতা কৰিম। চৰকাৰক পুনৰ এইটো কথা বিবেচনা কৰিবলৈ মই অনুৰোধ জনালো। যদি চৰকাৰে এইটো নকৰে তেনেহলে জনসাধাৰণৰ সন্দেহ বৈ যাব। তাৰ বাহিৰে বজাৰত যিটো ধান বিক্ৰী হয় তাৰ দামৰ ক্ষেত্ৰত চৰকাৰৰ কোনো খবৰ নাই। কৰোবাত ৩২ টকা হৈছে কৰবাত ২৭ টকাকৈ বিক্ৰী হৈ আছে। তেনে ধৰণেৰেই আজি ব্যৱসায়ী সকলে ব্যৱসায় চলাই আছে। বাহিৰত যিটো ধান বিক্ৰী হয় সেইটোৰ দাম যদি চৰকাৰে নিৰ্দ্ধাৰণ কৰি নিদিয়ে তেনেহলে এইটো কাৰ্য্যকৰী কৰাটো সম্ভপৰ নহব। সেইফালৰ পৰা আপোনাৰ জৰিয়তে, উপাধ্যক্ষ মহোদয়, পুনৰ জনাব খুজিছো যে অকল ধান চাউলৰ পাইকাৰী ব্যৱসায় বা ঘেহুৰ পাইকাৰী ব্যৱসায় চৰকাৰৰ হাতলৈ নিয়াৰ মাধ্যমেৰেই এই বস্তুৰ দাম কনট্ৰল কৰিব পাৰে আৰু যাতে তাৰ নিয়ন্ত্ৰন চলে। কিন্তু অন্যান্য যি বিলাক বস্তু ভাৰত বৰ্ষৰ একচেটীয়া ব্যৱসায়ীৰ হাতত আছে সেই বিলাক যদি চৰকাৰৰ হাতলৈ নানে তেনেহলে খেতিয়কক প্ৰবোধ দিয়া টান হৈ পৰিব। এই বিলাক বস্তুৰ দামৰ লগতে অন্যান্য বস্তুৰ দাম ৰোধ কৰিব পৰা নহয় তেনেহলে খেতিয়কক প্ৰবোধ দিয়া টান হব। ঘেহু ধান চাউলৰ ব্যৱসায় চৰকাৰৰ হাতলৈ অনাটোত আমি সমৰ্থন কৰিছো। আৰু তাৰ লগে লগে যিবিলাক নিত্য প্ৰয়োজনীয় বস্তু সেই বিলাকো চৰকাৰৰ হাতলৈ আনিব লাগিব আৰু এই বিলাকৰ যাতে দাম বাঢ়িব নোৱাৰে তাৰ কাৰণে চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগিব। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মিঃ ডেঃ স্পীকাৰ :- শ্ৰীবৰাই এই আলোচনাত আগতে ভাগ লৈ থৈছে। গতিকে নোকোৱা সদস্য সকলক আগতে কবলৈ দিয়ক,।

শ্ৰী কবিৰ চন্দ্ৰ ৰয় প্ৰধানী : মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী ডাঙৰীয়াই মুল্য বৃদ্ধিৰ সম্পৰ্কত যিটো ভাষণ অনা হৈছে এই ভাষণৰ আটাই খিনি কথাতে মই

এক মত হব নোৱাৰিলো তাৰ বাস্তবিক কিছুমান কথা আছে। সেই বিলাকলৈ মই চকু দিবলৈ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াত কোৱা হৈছে আমি সাধাৰণ চকুৰে দেখিবলৈ পাওঁ যে যেতিয়া খেতি চপোৱাৰ দিন পৰে তেতিয়া ধান চাউলৰ মূল্য কম হয়। কিন্তু আহিন কাতি মাহত যেতিয়া খেতি চপাবলৈ ২।৩ মাহ মান থাকে তেতিয়াই আটাইতকৈ ধান চাউলৰ দাম বেচি হয়। আৰু এই সময়তে যিবিলাকে পাৰচেজ কৰে তাতো কিছুমান কথা আছে। কোনো কোনোৱে প্ৰয়োজনৰ কাৰণে বিক্ৰী কৰে, কোনো কোনোৱে খাবৰ কাৰণে কিনে আৰু কিছুমান অতিৰিক্ত মুনাফা লবৰ কাৰণে ধান চাউল ক্ৰয় কৰে। ইমান দিনে এই সুবিধাটো চলি আহিছিল। ইমান দিনে যিটো সুযোগ হৈছিল, সেই সুযোগটো হৈছে বজাৰৰ দামতকৈ কম দামত ধান কিনি সেই ধান মোনে ৮০ টকা লাভ কৰি বিক্ৰী কৰিছিল। অৱশ্যে পাইকাৰী ব্যৱসায় লোৱাৰ পিচতোও চৰকাৰে এইটো সুৰুঙা ৰাখি থোৱা যেন লাগে। সেইটো হল আঢ়ৈ কুইন্টল। আগতে ৫ কুইন্টল আছিল এতিয়া আঢ়ৈ কুইন্টল কৰিলে। এই ধান মানুহে কোনো অসুবিধা নোপোৱাকৈ কিনিব পাৰে। যদি কোনোৱে আঢ়ৈ কুইন্টল আঢ়ৈ কুইন্টলকৈ ধান কিনি ৰাখি ৰাখি পিচত বিক্ৰী কৰে তেতিয়াহলে তাক কোনেও ধৰিব নোৱাৰে; চৰকাৰী কৰ্মচাৰীয়েও নোৱাৰে আৰু ৰাইজেও নোৱাৰে। গতিকে এই সুযোগ যাতে ধান নাপায় তাৰ ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা গাৱলীয়া হোজা মানুহ বিলাকে কৰিব নোৱাৰে। আকৌ আমি সকলোকে হোজা বুলিও কব নোৱাৰো যি সকলে চাকৰি কৰিছে, যিসকল শিক্ষিত মানুহ সেই সকলক হোজা বুলি কব নোৱাৰো। কিন্তু এই হোজা মানুহ বিলাকৰ সুযোগ লৈ এক শ্ৰেণীৰ মানুহে যে দুনীতি কৰি আহিছে সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। এই খিনিতে আৰু এটা কথা খেতিয়ক সকলে আঘোন মাহতে ধান বিক্ৰী কৰে। কিন্তু চৰকাৰৰ নিৰ্দ্দিষ্ট নিৰিখ নথকাৰ কাৰণে খেতিয়ক সকলে লাগতীয়া বস্তু ক্ৰয়ৰ কাৰণে মোনে যিমান দাম দিয়ে অৰ্থাৎ কম দামতে বিক্ৰী কৰিব লগীয়া হয়। যোৱা বাৰ উত্তৰ লক্ষীমপুৰত খেতিয়কে ধানৰ মোনে ৯।১০ টকাকৈ বিক্ৰী কৰিব লগীয়া হৈছিল। এই বিলাক সুযোগ চৰকাৰে বেপাৰী সকলক কেতিয়াও দিব নালাগে।

আজি আমাৰ ইয়াত দাম বঢ়াৰ মূলতে ট্ৰেন্সপৰ্টৰ অসুবিধাৰ কাৰণেও হৈছে বুলি কৈছে। কিন্তু আজি যেতিয়া ডিজেল ইঞ্জিনৰ কথা আহিছে সেই

ক্ষেত্ৰত কিবা অসুবিধা হব পাৰে বুলি আমি কেতিয়াও নাজানো। অৱশ্যে প্ৰাকৃতিক দুৰ্যোগ হলে বেলেগ কথা। যদি বানপানী হৈ দলং আদি ভাঙি যায় তেতিয়া ডিজেল ইঞ্জিনো আহিব নোৱাৰিব। আমি ট্ৰেন্সপৰ্টৰ দোষ অসমৰ ভিতৰতে দিব খোজা নাই। অৱশ্যে বাহিৰৰ পৰা অহা বস্তুৰ ক্ষেত্ৰত বেলেগ কথা। মই ব্যক্তিগত ভাবে এটা কথা উপলব্ধি কৰিছো সেইটো হৈছে চেপ্তেম্বৰ মাহৰ পৰা নভেম্বৰ মাহত যিটো গোৱালপাৰা জিলাত দুভিক্ষ হৈ গল সেইটো কবলৈ গলে মানুহৰ চকুৰ পানী ওলাব। মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম। কিন্তু গোৱালপাৰা জিলাত যিটো দুভীক্ষ হৈ গল সেইটো বৰ্ণনা কৰিব নোৱাৰিম। চকুৰ আগতে মানুহ মৰি গল। এনেকুৱা এটা ঘটনা গোলোকগঞ্জৰ বজাৰ স্থানৰ কেন্দ্ৰ স্থলত হৈছিল। মই নিজে দেখিছো ৯ বছৰীয়া ছোৱালী এজনী, অচি, এচ দি স্মিক দেখুৱাইছো চিঞৰ-বাখৰ কৰি ৰাস্তাত পৰি আছে খাবলৈ নাই পানী দুনী মুখত দিয়াৰ পাচত আধা ঘণ্টামান পাচত মুখেৰে মাত ওলাল। আজি গাৱে ভূৱে হাজাৰ হাজাৰ জনতাই চাউলৰ হাহাকাৰ কৰি শুকাই মৰিছে। আমি কি অসমত চাউল নাই বুলি মানি লম, আমি কি কবলাগিব নেকি যে পৰিবহনৰ কাৰণে অসমত চাউল নগল নহয়, অসমত চাউল আছে কিন্ত কিছুমান বেদ ইলিমেণ্টৰ কাৰণে আজি অসমৰ এই অৱস্থা, তাৰ বৰ্ণনা ইয়াত নিদিও। আজি ৰাজনৈতিক দৃষ্টিকোনৰ পৰা চাবলৈ গলে গোৱালপাৰা জিলাখন অৱহেলিত বুলি বহুত দিনৰ পৰাই আমি চিঞৰি আহিছো। অৱশ্যে আজি কিন্তু কব নোৱাৰো; কাৰণ মুখ্যমন্ত্ৰী দেখোন গোৱালপাৰা জিলাৰ। কথাটো সচা, আজি অসমৰ অন্যান্য জিলাত খাদ্যভাব হোৱা নাই কিন্তু গোৱালপাৰা জিলাত দুৰ্ভিক্ষৰ ভয়াবহ বেছি। ইয়াত কি বিভিষিকা সোমাই আছে কব নোৱাৰো। চৰকাৰ বোলা বস্তুৰ আজি কোনো সংজ্ঞা নাই। 'আপোনালোকে চৰকাৰৰ হুকুম চাওঁক—মুখ্যমন্ত্ৰী চৌধুৰী থাকোতে মই এদিন এখন দৰ্খাস্ত দিছিলো তেতিয়া কলে চৰকাৰৰ লগত আলোচনা কৰি চাওঁ। গতিকে মই চৰকাৰ কি বস্তু বুজি পোৱা নাই। চৰকাৰৰ হুকুম থকা স্বত্বেও আজি অতিৰিক্ত মূল্যত চাউল বিক্ৰী হৈ আছে। আজি এফ চি আই বোলক বা যোগান বিভাগৰ কথাই কওঁক সকলোৰে গোৱালপাৰা জিলাৰ প্ৰতি সদায় অৱহেলা। তাত আজি

চাউলৰ দাম প্ৰতিকেজিত ৪ টকা গতিকে ইয়াত কি অন্তনিহিত ইচ্ছা লুকাই আছে কব নোৱাৰো। আজি আমি ইকনোমিকচৰ থিয়োৰীত সন্তুষ্ট হব নোৱাৰো। আমি প্ৰেকটিকেল হব লাগিব। সমবায়ৰ যোগেদি হলেও বস্তুৰ দাম নিৰ্দ্দিষ্ট কৰিব লাগিব। আনহাতে দামৰ ক্ষেত্ৰত যি বৈষম্য হৈছে এঠাইত চাৰে চাৰি টকা আৰু এঠাইত তাতকৈ কম, - ইয়াৰ সুযোগ লৈ এচাম লোকে আকাশ চুম্বি মুনাফা বিছাৰিছে। ইমান আচৰিত বস্তুৰ দাম বাঢ়িলে বাঢ়ি থাকে কিন্তু কমাবলৈ চেষ্টা কৰিলেও নকমে। কেৰোচিনৰ তেলৰ দাম যেতিয়া কমা বুলি ৰেডিওত জনালে পিচদিনাখন দোকানীয়ে কম নকৰে - আনকি ১০ পইছাও নকমালে কলে কাগজ পোৱা নাই কিন্তু বস্তুৰ দাম বঢ়োৱা সময়ত তেওঁলোকক কাগজৰ দৰ্কাৰ নহয়। আজি এই অৱস্থাত মানুহ চলিব কেনেকৈ—চতুৰ্থ শ্ৰেনীৰ লোক সকলে চাৰে তিনিটকা বা চাৰি টকা চাউলৰ দাম দি তাত জিয়াই থাকিব নোৱাৰে ফলত তেওঁলোকে ৭-৮ দিন নোখোৱাকৈ থাকিব লগীয়া হৈছে গতিকে আমি যিমানে নিয়ম কানুন নকৰো কিয় আজি আমাৰ নৈতিক জ্ঞানৰ অভাৱ হৈছে। গতিকে আমাৰ দেশৰ এই যিটো সামাজিক পদ্ধতি চলি আছে, সেইটো যদি জাতীয় পদ্ধতিলৈ ৰূপান্তৰ নহয় বা মানুহৰ মাজত জাতীয়তা বোধ নহয় তেনেহলে কেতিয়াও সমাজকল্যান হব নোৱাৰে আৰু সামাজিক জ্ঞানৰ প্ৰতি চৰকাৰে জনসাধাৰণক উপলব্ধি কৰাব বুলি মোৰ বিশ্বাস।

**Rise in price at source leading to consequent rise in price of cousumers goods.**

এই কথাষাৰৰ ওপৰত বেছি জোৰ দিব লাগে। আন এটা প্ৰেক্টিকেল কথা হল আজি বেপাৰীসকলে তেলৰ দাম বঢ়াৰৰ কাৰণে ইকত তেল নাই তেল নাই বুলি কৈ থাকে অথচ ইফালে বেছি দাম পালেই তেল ওলাই থাকে। এই বেপাৰী-সকলৰ লগত অফিচাৰসকল আজি জড়িত নহলে এই ধৰণৰ কাৰ্য্য চলিব পাৰেনে? মই জনাত মন্ত্ৰীৰ পৰ্য্যায়লৈকো এই দুৰ্নীতি শিপাইছে। অকল চাপ্লাই বিভাগক দোষ দিলেই নহয়—এই দুৰ্নীতি জিলা পৰ্য্যায় আনকি গ্ৰাম্য পৰ্য্যায়টো সোমাই পৰিছে। যদি এইদৰে দুৰ্নীতিৰ বজাৰেই কেৱল চলি থাকে তেনেহলে তাৰ দ্বাৰা সমাজখন ভুলপথে চলিব আৰু বাইজ মিছাতে দুৰ্দ্দশাগ্ৰস্ত হব। কিন্তু চকুৰ আগতেই আমি এইটো হবলৈ দিব নোৱাৰো, আজি খাবলৈ নাই বুলি অতিৰিক্ত

দাম দিব নোৱাৰো, এইটো কেতিয়াও হব নোৱাৰে। গতিকে আজি যিসকলে সৃষ্টি কৰিছে আৰু যিসকলে বিক্ৰী কৰিছে আৰু গ্ৰাহকসকল - এই তিনি শ্ৰেণীৰ মাজত পৰস্পৰ সামঞ্জস্য ৰাখিব নোৱাৰিলে কেতিয়াও এই দুৰ্নীতি বন্ধ কৰিব নোৱাৰে।

আজি অসমতেই ধান-চাউলৰ বেছি উৎপাদন হয় আৰু অসমতেই খেতি বেছি হয়। অথচ আজি অসমৰ খেতিয়কসকলে তেওঁলোকৰ ন্যায্য মূল্যৰ পৰা বঞ্চিত হৈছে আৰু এই অসমীয়া থলুৱা লোকেই আজি ভাত মুঠিৰ পৰাও বঞ্চিত হৈছে। এতিয়া ধানৰ দাম মোনে মাত্ৰ ২৪ টকাহে হৈছে। আনফালে ৮০।৭০ টকা কুইন্টল চৰকাৰীমূল্য আছে। কিন্তু তেনেস্থলত কিয় ধানৰ দাম ২৪ টকালৈ নামিছে ? যেতিয়া আমাৰ জনসাধাৰণৰ হাতলৈ ধান আহে তেতিয়া ধানৰ দাম কমে আৰু যেতিয়া ধানৰ খেতিয়কৰ হাতৰ পৰা বেপাৰীৰ হাতত পৰে তেতিয়াই ধানৰ দাম বৃদ্ধি হয়—এইটো কেনেধৰণৰ কথা। কাজেই এইবিলাক সমস্যালৈ সকলোৰে দৃষ্টি নিক্ষেপ কৰা উচিত। বিশেষকৈ চৰকাৰে এই দৰিদ্ৰ লোক সকলৰ প্ৰতি যদি দৃষ্টি ৰাখে তেনেহলে আমাৰ মানুহ কিছু ৰেহাই পাব বুলি আশা কৰিলো। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

অধ্যক্ষ : এই প্ৰস্তাৱটো আৰু আলোচনা কৰিবনে শেষ কৰিব ?

(ভইচেচ—শেষ কৰক।)

যদি শেষ কৰে তেনেহলে মিনিষ্টাৰে উত্তৰ দিব লাগিব।

Shri Balabhadra Das : Mr. Speaker, Sir. The problem of price rise to me is not a different problem : it is a part of the problem of corruption. To-day there are two types of people living in Assam. One is the corrupt class of people and the other is people who are free from corruption. Now, Sir, all these corrupt people, they influence the activities of the Government misguide the governmental machinery and lead to diasaster. Sir, last year one very familiar word was heard in the House and that is about the C.I.A. activities.

In this organisation people from all walks of life are there ; in this corrupt body many vigilance men are there, many officers are there and many citizens belonging to political organisations are there, and it is this corrupt group of people who always want to crush the honest intention and pious wishes of the Government. To-day the intention of the Govt. is what ? It is upliftment of the poorer section of the people. To-day why the food trade has been taken over, co-operatives have been formed ? These are formed to help the cultivators. But, Sir, if this corrupt group of people are not crushed, if they are not taken to task and crippled and their activities finished then this programme cannot be successful. To-day everywhere the reactionary forces have entered and in wholesale trade also the reactionary forces are working and it is the duty of the Govt. machinery to see that the weaker section of the people are freed from the corrupt section of the people. A few days back I asked in this House about land requisition case. I have hundreds of other cases and I wish to place them here when I get the opportunity. Govt. machinery does not know it. A regular gang is woking like C.I.A. against the Govt. and people from all walks of life are there. Now, Sir, our Govt. must challenge the corrupt machinery, these corrupt people and unlsess we can overpower them none of our development programme can succeed. Regarding price rise, it is there. And it is because the corrupt section of people having enough money and purchasing power, they raise the prices and there were starvation deaths if the reports were correct.

There was a programme of rabi crop. Then what happened? The direct and immediate result was the cut down of the quota by the Central Govt. from 33 thousand to 10 thousand quintals. So, Sir, we must come to a general diagnosis of the whole thing. To me it is revolving round some one or two causes and if the Govt. can crush these causes then the people will have some enjoyment in life and the Govt. will also be popular.

শ্ৰীনগেন বৰুৱা ; মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ দেশৰ সম্পৃথত বস্তুৰ দুৰ্মূল্য এটা প্ৰধান সমস্যা হিচাবে দেখা দিছে। এই দুৰ্মূল্যৰ কোপত পৰি বাইজৰ আজি জীৱন নিৰ্ব্বাহৰ ক্ষেত্ৰত এটা ভাওৱ চিন্তাৰ সন্মুখীন হব লগাত পৰিছে। আমাৰ দেশত এটা বৰ ৰহস্যজনক কথা আছে যে, আমাৰ দেশত এটা দুটাকৈ পাচোটা পৰিকল্পনা, আৰু কিছুদিনৰ পাছত আৰু এটা পৰিকল্পনা আৰম্ভ হব, আৰু এই পৰিকল্পনা সমূহ কৰাৰ উদ্দেশ্য হৈছে দেশৰ অৰ্থনীতি পুনৰ সংগঠন কৰা আৰু দেশৰ উতপাদন বঢ়োৱা আৰু দেশৰ স্থি উতপাদিত বস্তু সেই বস্তুবিলাক বিতৰণ কৰা। ইয়াৰোপৰি আমাৰ যিটো মুদ্ৰা প্ৰচলন আছে, তাৰ ক্ৰয় শক্তিও অটুট থাকিব, এই সকলো বিলাক কথা পৰিকল্পনাৰ ভিতৰত আছে। আমাৰ দেশৰ ৪টা পৰিকল্পনা শেষ হও হও অৱস্থাতো আমাৰ বস্তুৰ যিটো মূল্য আৰু মুদ্ৰাৰ যিটো ক্ৰয় শক্তি সেইটো এনেভাৱে কমি গৈছে যে, আজি আমাৰ দেশৰ প্ৰচলিত মুদ্ৰাৰ যিটো ঘোষিত মূল্য সেই মূল্যৰ পৰিবৰ্ত্তে বজাৰত আন এটা মূল্য চলিছে। গতিকে আজি আমাৰ পৰিকল্পনাৰ নামত যি কোটি কোটি টকা খৰচ কৰা হৈছে বা আমাৰ মূল্য সূচী নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত নানা পৰিকল্পনা কৰিছে, অৰ্থনীতি কৰিছে কবলৈ গলে আমাৰ চৰকাৰে এই সকলো বিলাকতে ব্যৰ্থ হৈছে। এই ব্যৰ্থতাৰ কাৰণ আজি আমাৰ অসমৰ সমস্যাতোৱেই কেৱল গোষ্ঠীয়া বা অঞ্চলশৰীয়া সমস্যা নহয়। সৰ্ব্বভাৰতীয় ভিত্তিত যিটো কৰিছে, সদৌ ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰে বা গোটেই দেশৰ বিভিন্ন অঞ্চলত থকা চৰকাৰ বিলাকে বা অসমত থকা চৰকাৰে বিভিন্ন

ৰকমে যিবিলাক পৰিকল্পনাৰ নামত কাৰ্য্যসূচী লৈছে, এই কাৰ্যসূচীবিলাক সচাকৈয়ে ব্যৰ্থ হৈছে। যদি ব্যৰ্থতাই দেখা নিদিলেহেতেঁন তেতিয়াহলে হয়তো আজি আমাৰ দেশত সমগ্ৰ জনসাধাৰণৰ সন্মুখত যি দুৰ্মূল্যই দেখা দিছে, এই সমস্যা নহলহেতেঁন।

অধ্যক্ষ মহোদয়, আজি আমাৰ যিবিলাক আঁচনি কৰিছে সেই আঁচনি বিলাকৰ কাৰণে আমাৰ এক শ্ৰেণীৰ মানুহে বিশেষ লাভৱান হৈছে। তেওঁলোকৰ হাতত ক্ষমতা আছে আৰু সেইকাৰণে তেওঁলোকে কলা বজাৰত ধন সঞ্চয় কৰিবলৈ সুবিধা পাইছে। আজি বেংক ৰাষ্ট্ৰীয়কৰণ কৰিছে, আৰু এক শ্ৰেণীৰ মানুহে আজি সেই টকাৰে উৎপাদনৰ ব্যৱস্থা, সংগ্ৰহৰ ব্যৱস্থা, আৰু বিতৰণৰ ব্যৱস্থাও কৰি লৈছে। আমাৰ কেইবাজনো মাননীয় সদস্যই কৈছে যে এই ধৰণৰ এক শ্ৰেণীৰ মানুহৰ হাতত পৰি আমাৰ প্ৰশাসনীয় যন্ত্ৰতো কাবু হৈ পৰিছে। এইটো কথা সচা যে, এক শ্ৰেণীৰ মানুহৰ হাতত, যি সকলৰ হাতত চোৰাং ধন, কলা বজাৰৰ ধন, বেংকৰ ধন আছে, তেওঁলোকেই হৈছে মোনাফাকাৰী লাভখোৰ, তেওঁলোকে প্ৰশাসনীয় যন্ত্ৰতো কাবু কৰি পেলাইছে। আজি যি সকলে নীতি নিৰ্দ্ধাৰণ কৰিছে, দেশত যি সকলে নীতি চলাইছে সেই সকলো আজি হাৰ মানিছে এইটো কথা স্বীকাৰ কৰিব লাগিব। আজি আমাৰ মাননীয় সদস্য শ্ৰীহাজৰিকাই কৈছে যে বৰ্ত্তমান আমাৰ টাটাৰ মূলধন পাইছেগৈ ৯০১ কোটি টকা। স্বাধীনতা লাভকৰাৰ আগতে সিমান খিনি মূল্য নাছিল। আমাৰ দেশত যি বিলাক সীমাবদ্ধ পুজিপতি আছে সেই সকলৰ পৰা পুজি আতৰাই আনিব নোৱাৰালৈকে চৰকাৰে দেশত এটা সমাজবাদ বা আমাৰ দেশৰ মূল্যসূচী নিয়ন্ত্ৰন কৰাৰ ক্ষেত্ৰত কোনো অৰ্থনীতি গঢ়ি তুলিব নোৱাৰে। আজি আমাৰ দ্ৰব্য বস্তুৰ মূল্য অনেক বাঢ়ি গৈছে। জাৰ্মান দেশত যেতিয়া হিটলাৰ ৩০-৩১ চনতে ক্ষমতাত আহিছিল সেই সময়ত এক বাকচ টকা দিলেহে এক কাপ চাহ পাইছিল। আমাৰ দেশতো আজি একেই অৱস্থা। সাধাৰণ এটা বস্তু কিনিবলৈ বজাৰলৈ গওতে সেই বস্তু কিনিবলৈ বহুত পইচা দিলেও বস্তু পোৱা নাযায়। বা কেতিয়াবা কলা বজাৰত কিনি ৰাইজে জীৱন নিৰ্ব্বাহ কৰিবলগীয়া হৈছে। এই ধৰণে বস্তুৰ দামৰ উৰ্দ্ধগামী পৰিস্থিতিত ৰাইজ আজি নিৰুপায় হৈছে। ১৯৫১ চনতে আমাৰ পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ হল। কিন্তু তেতিয়াৰে পৰা বস্তুৰ দাম বাঢ়ি গল কিন্তু চৰকাৰে এই

বৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ কোনো বলিষ্ঠ নীতি লব নোৱাৰিলে। দৃঢ় পদক্ষেপ লব পৰা নাই। যোৱা বছৰো চাউল আদি অন্যান্য সকলো নিত্য প্ৰয়োজনীয় বস্তুৰ দাম বাঢ়ি গৈছে। কিন্তু ইয়াৰ কোনো সমস্যা সমাধান কৰিব পৰা নাই। এইবিলাক কথা আমাৰ খন্দ যুদ্ধৰ, এইবিলাকে আমাৰ সংস্কাৰ আনিব নোৱাৰে, অৰ্থনীতিৰ মৌলিক পৰিবৰ্ত্তন আনিব নোৱাৰে। অৰ্থনীতিৰ মৌলিক পৰিবৰ্ত্তন আনিব জনসাধাৰণৰ সন্মুখত উৰ্দ্ধগামী আৰু অন্যান্য বস্তুৰ উৎপাদন, সংগ্ৰহ আৰু বিতৰণৰ ক্ষেত্ৰত যিবিলাক বেমেজালী আছে সেইখিনি আতৰ হলেহে। সেইটো কৰাৰ কাৰণে চৰকাৰৰ হাতত শক্তি আছে, চৰকাৰে সেইটোৰ কাৰণে যিটো ঘোষিত নীতি আছে সেইটোত আচলতে আগবাঢ়ি যাবলৈ বলিষ্ঠ ব্যৱস্থা আছেনে নাই? আমি দেখিছো যে, ২৬ বছৰে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত আমাৰ এই আটাই বিলাকৰে পৰিকল্পনা আছে কিন্তু চৰকাৰৰ তেনে কোনো বলিষ্ঠ সাহস নাই। নিৰ্ব্বাচনৰ আগমূহৰ্ত্তত কব পাৰে যে, আমি এইখিনি কাম কৰিম যাতে এই নিৰ্ব্বাচনত জয় হয়। চৰকাৰ গঠন কৰাৰ পিছত এইখিনি প্ৰতিশ্ৰুতি জনসাধাৰণক দিছে যে, অৰ্থনীতি সংস্কাৰ কৰিব। এ, আই, চি, চিৰ মিটিঙত চৰকাৰে ঘোষনা কৰিছিল আৰু সেইমতে হোলচেলাৰ ট্ৰেদ নিজৰ হাতলৈ নিব। আচলতে দেখিছো প্ৰতিক্ৰিয়াশীল শাক্তিয়ে এইবিলাক কৰাত ব্যৰ্থ কৰি তুলিছে।

কিন্তু চৰকাৰৰ ভিতৰতো যে কিছুমান প্ৰতিক্ৰিয়াশীল শক্তিয়ে কাম কৰি আছে সেইটো চৰকাৰে বাহিৰত কেতিয়াও ঘোষনা কৰিব পৰা নাই। আজি গোটেই ভাৰতবৰ্ষতেই খাদ্যসামগ্ৰী ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে ঢৌ উঠিছিল আনকি নিখিল ভাৰত কংগ্ৰেছ কমিটিটো এইটো কৰাৰ কাৰণে আলোচনা আদি চলোৱা হৈছিল। কিন্তু একমাত্ৰ অসমৰ বাদে ভাৰতবৰ্ষৰ অনান্য ৰাজ্য বিলাকত এইটো কৰা নহল। আমাৰ মূখ্যমন্ত্ৰীয়েহে এই ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে এটা ব্যৱস্থা লৈছে যদিও প্ৰকৃতপক্ষে এইটো ৰাষ্ট্ৰীয়কৰণ হোৱা নাই। আগতে যিবিলাক লোকে এফ, চি, আই আৰু এপেক্স মাৰ্কেটিঙৰ জৰিয়তে ধান সংগ্ৰহ কৰিছিল এতিয়াও সেইবিলাকত থকা প্ৰতিক্ৰিয়াশীল লোকেই তাত সোমাই পৰিছে ফলত যিধৰণে ধান সংগ্ৰহ হৈছে সেইটো আমাৰ চৰকাৰে চোৱা নাই। মোনে ৫৮ টকাত ধান কিনি গুদামত ৰখাৰ পিছত মোনে ১৬০ টকাকৈ চাউল ৰাইজক খুৱাইছে আৰু চৰকাৰে চৰকাৰী ব্যৱস্থাৰ মাজেদিও ৫৮ টকাতে ধান লৈ ৯৬০ টকাতেই

চাউল ৰাইজক খুৱাব লগীয়া হৈছে। ধান চাউলৰ ৰাষ্ট্ৰীয়কৰণ কৰাৰ এইটোৱেই হৈছে চৰকাৰৰ নমুনা। আগতে মুকলি বজাৰত পাছ কুইন্টল আছিল কিন্তু এতিয়া আকৌ আঠৈ কুইন্টল কৰাৰ কথা কোৱা হৈছে। এই ক্ষেত্ৰত মই কওঁ যে, বেচৰকাৰী পৰ্য্যায়ত ধান-চাউলৰ ব্যৱসায় কৰিবলৈ নিদি চৰকাৰী ব্যৱস্থাৰ মাজেদি এইটোকৰা হলে প্ৰকৃতপক্ষে এইটো ৰাষ্ট্ৰীয় কৰণ হলহেঁতেন। কিন্তু এইটো আচলতে ৰাষ্ট্ৰীয়কৰণ হোৱা নাই। আগতে যি ব্যৱস্থা আছিল এতিয়াও সেই ব্যৱস্থাই চলি আছে। কিন্তু তাকে সংগ্ৰহৰ ক্ষেত্ৰত কিছু তাৰতম্য দেখুৱাই ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে বুলি কবলৈ বিছৰা হৈছে। এক নবেম্বৰৰ পৰা ৰাষ্ট্ৰীয়কৰণ কৰিলেও অহাবছৰৰ এক নবেম্বৰতো সেই একে অৱস্থাই থাকিব। তাৰ কোনো প্ৰাৰ্থক্য নেথাকিব। মই আমাৰ সমবায়ৰ বিষয়ে আলোচনা আদি নকৰোৱেই কিন্তু যিবিলাক বস্তু বিশেষকৈ আমাৰ মিঠাতেল আদি, চেনি, দাইল আটা, ঘিউ, মাখনৰ কথাটো নকওৱেই, এই বিলাক বস্তু আমাৰ সমাজৰ প্ৰায় শতকৰা ৮০।৯০ জন মানুহক লাগে। কিন্তু এই বস্তু বিলাক আমাৰ গুদামত মজুত থকা স্বত্বেও সেই বিলাক বস্তুৰ কৃত্তিম নাটনি কৰি বাহিৰৰ পৰা অনাৰ ব্যৱস্থা কৰে আৰু অজুহাত দেখুৱাই তাৰ দাম বৃদ্ধি কৰি দিয়ে। তেতিয়া আমাৰ ইয়াত থকা বস্তু বিলাকৰো সেইদৰে দাম বৃদ্ধি কৰি দিয়ে। উদাহৰণ স্বৰূপে মিঠাতেলৰ কথাকে কব পাৰি। পশ্চিম ফালৰ পৰা মিঠাতেল আনিলে আৰু চাহিদা দেখুৱাই তাৰ দাম বৃদ্ধি কৰি দিলে। যেতিয়াই মিঠাতেলৰ দাম বৃদ্ধি কৰি দিলে তেতিয়া আমাৰ গুদামত থকা সৰিয়হৰ পৰাও তেল উলিয়াই তাৰ দামো বৃদ্ধি কৰি লাভখোৰ ব্যৱসায়ী সকলে লাভ লোৱাৰ ব্যৱস্থা কৰিলে। আমাৰ চৰকাৰেও জানে কোন মিল মালিকৰ তাত কিমান সৰিয়হ জমা আছে। কিন্তু সেইটো জনাৰ পিছতো আমাৰ ৰাজ্যত মিঠাতেলৰ দাম ১১৪।১১৫।১১৯ টকা পৰ্যন্ত হৈছে নতুন সৰিয়হ ওলালে তাৰ দামো ১৩০।১৩৫ টকা পৰ্যান্ত বাঢ়ি যাব। এইবিলাক ব্যৱস্থা আমাৰ চৰকাৰৰ আইন আদালত, সংলিষ্ট বিভাগ আদি থকা স্বত্বেও তাক কৰিব পৰা নাইকীয়া। মুঠৰ ওপৰত এই চোৰাং কাৰবাৰী, ভেজালকাৰবাৰী, লাভখোৰ, মজুতদাৰ আদিৰ লগত চৰকাৰী বিষয়া সকলৰ সম্পৰ্ক ছেদ কৰিব নোৱাৰিলে আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা পুনৰ সংগঠন কৰিব নোৱাৰি। আজি হয়তো বহুতে বহুত কথা কব পাৰে কিন্তু প্ৰসাশনীয় যন্ত্ৰটোক এই ন্যস্ত

স্বাৰ্থৰ লোকসকলৰ কবলৰ পৰা সম্পূৰ্ণ মুক্ত কৰিব নোৱাৰালৈকে আমাৰ ৰাজ্যত বস্তুৰ দাম কেতিয়াও কমিব নোৱাৰে। যি বস্তুৰ দাম এবাৰ বজাৰত বাঢ়িছে সেই বস্তুৰ দাম পুনৰ আৰু কমা নাই বা কমাৰ সম্ভাৱনাও নাইকীয়া হৈ গৈছে। এই কথা মই নিজৰ বাস্তব অভিজ্ঞতাৰ পৰাই কৈছোঁ। চৰকাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণৰ অভাৱৰ কাৰণেই এনে হবলৈ পাইছে। সেইদৰে অকল খাদ্য বস্তুৰ ক্ষেত্ৰতে নহয় ঘৰ সজাকে আদি কৰি আমাৰ যিবিলাক সামগ্ৰীৰ আমাৰ প্ৰয়োজন আছে সেইবিলাক বস্তুৰো আজি দুমূল্য হৈছে। ইয়াৰ প্ৰধান কাৰণেই হৈছে যে, এই বিলাক কাৰবাৰ কৰা লোকসকলক অবাধ স্বাধীনতা দিয়া হৈছে। আজি খবৰ কাগজ তথা সভাই সমিটিয়ে বক্তৃতা আদি দিওঁতে কিছুমান লোকক দি, আই ৰোলত পেলাই চাহপেন্ত বা বৰ্খাস্ত আদি কৰাৰ কথা কৈছে যদিও কিন্তু প্ৰকৃতপক্ষে চৰকাৰে সংস্কাৰ ধৰ্ম্মী মনোভাৱেৰে এইবিলাক সংশোধন কৰিবলৈ আগবাঢ়ি অহা নাই। কিয়নো প্ৰকৃতপক্ষেই চৰকাৰে সেইবিলাক লোকৰ বিৰুদ্ধে এই মনোভাৱ ললে এই চৰকাৰ ক্ষমতাত থকাটোৱেই টান হৈ পৰিব। গতিকেই এই বিলাক ক্ষেত্ৰত প্ৰকৃতপক্ষে সংশোধনী ব্যৱস্থা গ্ৰহণ কৰি আমাৰ ৰাইজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাৰ কাৰণে আমাৰ চৰকাৰৰ আন্তৰিক আস্থা নাইকীয়া। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সমবায়ৰ ক্ষেত্ৰত ৬০ খনৰ বিষয়ে বহুত কথাই কৈছিল যদিও কাৰ্য্যত: সংগ্ৰহ আৰু বিতৰণ ব্যৱস্থাই আমাক উৎসাহিত কৰিব পৰা নাই। সময় থাকোতেই মই চৰকাৰক এইটো কথা কোৱাই বাহুল্য যে, চৰকাৰৰ এই আচনিবোৰ প্ৰকৃতপক্ষে জনসাধাৰণৰ মনত প্ৰত্যয় জন্মাবৰ কাৰণেইহে কৈছে আৰু ইয়াৰ দ্বাৰা আমাৰ জনসাধাৰণক প্ৰৱঞ্চনা কৰাৰহে ই দিহা কৰিছে। চৰকাৰে লোৱা পলিচি বিলাক যদি জনসাধাৰণৰ স্বাৰ্থৰ অনুকুলে গলহেতেঁন তেতিয়া-হলেও, আমি এই সংগ্ৰহ আৰু বিতৰণ কাৰ্য্যত বিৰোধী পক্ষৰ সদস্য হলেও পূৰ্ণ সমৰ্থন আগবঢ়ালোহেতেঁন। সেই কাৰণেহে আজি মই চৰকাৰৰ ওচৰত দাবী কৰিছো যে, অন্ততঃ জীয়াই থাকিবৰ কাৰণেই জনমুৰি সপ্তাহত তিনি কিলো ৫০০ গ্ৰাম চাউল ৰাইজক দিব লাগে আৰু সেইদৰে অন্যান্য নিত্য প্ৰয়োজনীয় সামগ্ৰী সমূহৰো সম্পুৰ্ণ নিয়ন্ত্ৰণৰ দায়িত্ব আমাৰ চৰকাৰে লব লাগে। লগতে এই কথাও মই আমাৰ চৰকাৰৰ ওচৰত জনাই থওঁ যে, নিত্য ব্যৱহাৰ্য্য সকলো

সামগ্ৰীৰে ক্ষেত্ৰত চৰকাৰে হস্তক্ষেপ কৰি নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিলে তাত সমৰ্থন জনাবলৈ আমি অকণো কুণ্ঠাবোধ নকৰো। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

ডাক্তৰ সূৰেণ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়োজনীয় বয়-বস্তুৰ মূল্য বৃদ্ধিৰ সংক্ৰান্তত মুখ্যমন্ত্ৰী মহোদয়ৰ বিবৃত্তিত যি বিতৰ্ক চলি আছে তাত অংশ গ্ৰহন কৰি মই দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছোঁ। যোৱা ৭জুনৰ দিনা, আজি প্ৰায় ৬ মাহ হ'ল, তেতিয়াই এটা দৃষ্টি আকৰ্ষন মূলক প্ৰশ্নৰ উত্তৰত মুখ্য মন্ত্ৰী ডাঙৰীয়াই দিয়া বিবৃতিৰ ওপৰত আলোচনা হৈছিল। ইয়াৰ ভিতৰত মূল্য বৃদ্ধি আৰু অধিক পৰিমানে যে হৈছে সেইটো সকলোৱে স্বীকাৰ কৰিব লাগিব। আৰু এই যে মূল্য বৃদ্ধি হৈছে, সেই মূল্য বৃদ্ধি হোৱা বয়-বস্তুৰ অৰ্থাৎ এই প্ৰয়োজনীয় সামগ্ৰীক আমি ২টা ভাগত ভগাব পাৰো। এটা হ'ল আমাৰ দেশতে এবিধ উৎপাদন কৰা হয় আৰু 'প্ৰকিয়ৰমেণ্ট' কৰা হয় আৰু সেই-দৰে বিতৰণ কৰা হয় আৰু আনটো বাহিৰৰপৰা অনা হয়। এই ২টা দিশ আমি ভালদৰে পৰ্য্যালোচনা কৰি চাব লাগিব।

আজি যিবিলাক নিত্য ব্যৱহাৰ্য্য বস্তু বাহিৰৰপৰা আহে সেইবিলাকৰ ওপৰত আমাৰ কোনো হাত নাই, আমি যিমানেই বিধান সভাত বক্তৃতা নিদিও কিয় এই বাহিৰৰ পৰা অহা বস্তুৰ মূল্য বৃদ্ধি হলে আমি তাত কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰো। সেই শক্তিও আমাৰ নাই। গতিকে বাহিৰৰপৰা অহা বস্তুৰ, দাম হলে চৰকাৰ নিসহায় হৈ বহি থাকে। যি বিলাক নিত্য ব্যৱহাৰ্য্য বস্তু বাহিৰৰ পৰা আনিব লাগে সেই বিলাক ৰেইলওৱে ওৱাগন এল'টমেণ্টত নানা ধৰণৰ আহুকাল আহি পৰে। আমি জনামতে ওপৰমহলালৈকে ৰেলওৱে বিভাগত চাকৰিয়াল সকলৰ আলাপ আলোচনাৰ ভিতৰেদি এই দবা এল'টমেণ্টত নানা ধৰণৰ বাধা পাবলগীয়া হয় ফলত আমাৰ দেশত নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ অনা নিয়া কৰাত অসুবিধা হৈ পৰে। ফলত আমাৰ ৰাজ্যৰ সৰ্ব্বসাধাৰণ মানুহ জৰ্জৰিত হৈ পৰিছে। আৰু ই আমাৰ বাবে সাধ্যৰ অতীত হৈ পৰিছে।

এই নিত্য ব্যৱহাৰ্য্য বস্তুৰ মূল্য ৰোধ কৰাৰ ক্ষেত্ৰত আমাৰ প্ৰতিজন নাগৰিককে সকিয়াই দিয়া হৈছে যদিও আমাৰ কিছুমান নিজৰ দোষৰ ফলতেই এনেবোৰ বস্তুৰ মূল্য বৃদ্ধি হোৱা দেখা যায়। আজি উত্তৰ লক্ষীমপুৰত কামৰূপত, গোৱালপাৰাত বস্তুৰ দাম কিয় বেলেগে বেলেগে হব পাৰে ? ইয়াৰ গুৰিতে আমি ভাবো প্ৰশাসনীয় যন্ত্ৰতোৰ কিবা এটা বেমাৰ লাগিছে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ গোৱালপাৰা জিলালৈকে চালে দেখা যায় যে গোৱালপাৰা জিলাত বস্তুৰ মূল্য এনেদৰে বাঢ়িছে যে সি এটা নিকৰুণ ছবি, যি সময়ত কামৰূপৰ বৰমা অঞ্চলত ধানৰ দাম আছিল ২৪ টকা সেই সময়ত গোৱালপাৰাত ধানৰ দাম ৬০ টকা হলগৈ।

তাৰোপৰি বিশেষকৈ আমাৰ 'মোভমেণ্ট এণ্ড পামিটৰ' ক্ষেত্ৰত যথেষ্ট ত্ৰুটি আছে। প্ৰচাৰ কৰা হৈছে যে সকলো ৰাইজ সজাগ হব লাগে কলা বজাৰ থাকিব নালাগে ইত্যাদি কিন্তু তাৰ ফলত কি হৈছে ? ৰাজ্যত অৰাজকতাৰ সৃষ্টি হৈছে। মই জনাত এজন নিঃকিন মানুহে এক মোণ ধান কিনি আনি তেওঁ পাচ টকা ভৰিব লগীয়া হৈছে আকৌ সেই ঠাইৰপৰা আন এঠাইত আকৌ টকা ভৰিবলগীয়া হৈছে। গতিকে মোভমেণ্টৰ ক্ষেত্ৰত এই নিঃকিন বা সাধাৰণ মানুহৰ ওপৰতহে টেক্সচন হ'ল। গতিকে যিবিলাক বিদ্ধা আছে বা যোগান বিভাগৰ লুপহল আছে সেইবিলাক আঁতৰ কৰিলেহে আমাৰ ৰাইজ উপকৃত হব। মই ভাবো আমাৰ ৰাজ্যৰ ভিতৰত মোভমেণ্ট বা পামিট দিয়াৰ ক্ষেত্ৰত বিশেষ ধৰণৰ অনুশাসন থাকিব নালাগে। কিন্তু আচৰিত কথা যে আমাৰ দেশৰ বস্তু ভুটান বা পশ্চিম বঙ্গলৈ অবাধে গৈ আছে। আৰু অসমৰ চাউল বাহিৰলৈ অবাধ গতিত গৈ আছে, তাত হলে তেনে ধৰণৰ বাধা নিষেধ আৰোপ কৰা যেন নালাগে। গতিকে এনেবোৰ কাৰ্য্যত চৰকাৰে এটা বলিষ্ঠ পদক্ষেপ লৈ আগবাঢ়িব লাগে।

অধ্যক্ষ মহোদয়, আৰু এটা কথা ৰাইজৰ মাজত কোৱা কোই কৰে আৰু আমাক প্ৰশ্ন কৰে, যিটোৰ আমি উত্তৰ দিবলৈ টান পাওঁ। আমাৰ ধানৰ প্ৰতিকুইণ্টলত ৭০ টকাকৈ কিনি চাউলৰ কেজিত ১'৫৫ পইচাত বিক্ৰী কৰিছে। মানুহে কেতিয়াও ধানৰ দামতকৈ চাউলৰ দাম ডাবল দিব নোৱাৰে।

আমি এইটো কথা হিচাব কৰি চাইছো কেতিয়াও সেই দাম হব নোৱাৰে। এই কথাটো পুনৰ বিবেচনা কৰিবৰ কাৰণে মই যোগান মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

আৰু এটা কথা মই কব বিচাৰিছো যে আমাৰ এফ চি আই আৰু মাৰকেটিং চচাইটিয়ে যিবিলাক ধান পুৰণা দামত কিনিছিল সেই বিলাক ধান চাউল কিয় নতুন দামত বিক্ৰী কৰিবলৈ দিয়া হৈছে। এইদৰে এফ চি আই আৰু এপেক্স মাৰকেটিং চচাইটিয়ে পুৰণা দামত ধান কিনি সেইবিলাক এতিয়া নতুন দামত বিক্ৰী কৰি লাখ লাখ টকা অৰ্জন কৰিছে কিন্তু তাৰ অংশ আমাৰ চৰকাৰক দিব জানো? কেতিয়াও নিদিয়ে। এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীবলভদ্ৰ দাস ডাঙৰীয়াই আগতেই কৈ গৈছে যে ৰবি শস্য যিটো ৰিপৰ্ট দিছিল সেইটো ভুল ৰিপৰ্ট। সেই ভুল ৰিপৰ্ট আমাৰ প্ৰদেশৰ পৰা যোৱাৰ কাৰণেই আমাৰ প্ৰয়োজনীয় খাদ্য সামগ্ৰী ক্ষেত্ৰত, আটা, মইদা আদিৰ ক্ষেত্ৰত আমি যে এটা বিৰাট সমস্যাৰ সন্মুখীন হৈছো সেইটো সচা কথা। আমাৰ অফিচাৰ সকলে ভুল কৰি ৰিপৰ্ট দিয়াৰ কাৰণেই যে আমাৰ কোটা কাৰটেইল কৰিলে সেইটো সচা কথা।

আমাৰ এগ্ৰিকালচাৰ মিনিষ্টাৰৰ মই এটা কথাৰ প্ৰতি মনোযোগ দিবলৈ অনুৰোধ কৰিছো। কথাটো হল আমাৰ যিসকল নৱাই এগ্ৰিকালচাৰ ইঞ্জিনিয়াৰ হৈ আছে সেই সকলক কেতিয়াও অফিচৰ ভিতৰত ৰাখি ফাইলৰ কাম কৰিবলৈ দিব নালাগে। আমাৰ যি সকল মেট্ৰিকুলেট বা সাধাৰণ গ্ৰেজুৱেট কেৰানি আদি থাকে তেওঁলোকৰ হতুৱাই অফিচৰ ফাইলৰ কাম কৰোৱাব লাগে আৰু এগ্ৰিকালচাৰ ইঞ্জিনিয়াৰ সকলক ফিলডত কাম কৰিবলৈ বাহিৰলৈ পঠাই দিব লাগে। কাৰণ ফিলডত যি বিলাক কাম হয় সেই বিলাক গ্ৰাম শেৱক আদিৰ দৰে কৰ্ম্মচাৰীয়ে কেতিয়াও কৰিব নোৱাৰে।

আমাৰ প্ৰদেশত অলপতে যিটো চিমেণ্টৰ নাটনি হৈ গল সেইটো ট্ৰেন্সপৰ্টৰ অসুবিধাৰ কাৰণে অৰ্থাৎ ৰেলওৱে ওৱেগনৰ কাৰণেই হৈছে। আমি দেখিবলৈ পাইছো ভাৰতৰ অন্য প্ৰদেশ বিলাকত চিমেণ্টৰ নাটনি হোৱা নাই।

সেই কাৰণে আমাৰ ইয়ালৈ ৰেলওৱে ওৱেগন বঢ়াবৰ কাৰণে লিখা লিখি কৰিবলৈ অনুৰোধ জনালো। এই বিলাকৰ অসুবিধাৰ কাৰণেই আজি আমাৰ ৰাইজে বেচি দাম দিব লগীয়া হৈছে। ঠিক তেনেকৈ তেল, চাবন আদি নিত্য প্ৰয়োজনীয় জিনিচ বিলাকৰ কাৰণে যিবিলাক লিখা লিখি কৰিব লাগে সেই বিলাক কৰিবলৈ আহবান জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডঃ দাসে যিটো বিষয় উত্থাপন কৰিছে এই বিষয়টোৰ ওপৰত মই কব বিচাৰিছো। আৰু বিষয় এটা উত্থাপন কৰাৰ কাৰণে তেখেতক মই ধন্যবাদ দিছো। কাৰণ আজি আমাৰ প্ৰদেশত খাদ্য বস্তুৰ দাম বৃদ্ধি হোৱাটো এটা স্বাভাবিক গতিত হোৱা বুলি কব নোৱাৰো। কিছুমান বস্তুৰ দাম চৰকাৰে নিজে বান্ধি দিছে। আৰু তাৰ লগতে আন কিছুমান বস্তুৰ দাম স্বাভাবিকতে বাঢ়ি গৈছে। আৰু বিশেষকৈ এটা চৰকাৰ, ৰাজ্যিক চৰকাৰেই হওক বা কেন্দ্ৰীয় চৰকাৰেই হওক নিজৰ দেশৰ জনসাধাৰণক নায্য মূল্যত খাদ্য যোগান ধৰাটো চৰকাৰৰ নৈতিক কৰ্ত্তব্য। আৰু সেই ক্ষেত্ৰত আমাৰ প্ৰদেশত ধান-চাউলৰ পাইকাৰী ব্যৱসায় চৰকাৰৰ নিজৰ হাতলৈ অনাৰ সিদ্ধান্ত কৰাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু চৰকাৰে ধান-চাউলৰ ব্যৱসায় নিজৰ হাতলৈ অনাৰ লগে লগে চাউলৰ দাম যি ভাৱে নিৰ্দ্ধাৰণ কৰি দিছে তাৰ কিবা যুক্তি আছেনে নাই। ধানৰ দাম কুইণ্টলত ৭০ টকা কৰা হৈছে। আমাৰ প্ৰদেশত খেতিয়ক সকলে উপযুক্ত দাম পোৱাৰ কাৰণে আমি ভাল পাইছো। আৰু আজি কালি উপাৰ্জনৰ খৰচৰ কথা কি বিবেচনা কৰি ধানৰ কুইণ্টলত ৭০ টকা কিয় তাৰ কিছু বেচি কৰিলেও আমাৰ আপত্তি কৰিব লগীয়া একো নাই। কাৰণ আজি প্ৰত্যেক বিলাক বস্তুৰ দাম বাঢ়ি গৈছে। চৰকাৰী কৰ্ম্মচাৰী বিলাকৰ বিভিন্ন সময়ত দৰ্মহা বঢ়াই দিয়াত আমাৰ দেশৰ সৰহ ভাগ মানুহেই কৃষকসকলৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁলোকৰ এক মাত্ৰ উপাৰ্জন হল ধান। গতিকে ধানৰ দাম বৃদ্ধি হব লাগে। কিন্তু প্ৰতি কুইণ্টল ধানত ৭০ টকা হিচাবে সংগ্ৰহ কৰি সেই প্ৰতি কেজি চাউলত ১.৫৬ বা ১.৬০ পইচা কৰাটোত কোনো যুক্তি নাই। সাধাৰণতে এক কুইণ্টল ধানত ৬৫ কেজি চাউল উৎপাদন হয় আৰু চৰকাৰে বৰ্ত্তমান বান্ধি দিয়া দাম ১.৫৬ বা ১.৬০ পইচাকৈ ধৰা হয় তেনেহলে প্ৰতি কুই-

ণ্টল ধানত চৰকাৰে ৯৭ টকাকৈ পাব। গতিকে প্ৰতি কুইণ্টল ধানত চৰকাৰে ২৭ টকাকৈ লাভ কৰিছে। তাৰ কিবা যুক্তি আছেনে নাই ? এইদৰে প্ৰতি কুইণ্টলত ২৭ টকাকৈ লাভ কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। যদি কোনোবায় ব্যৱসায় কৰিলেহেতেন তেনেহলে আমি সমালোচনা কৰিব পাৰিলোহেতেন। এই ক্ষেত্ৰত অৱশ্যে কিছুমান খৰচ ধৰিব লাগিব। এইটোত আমাৰ আপত্তি নাই। বেংকৰ পৰা টকা ধাৰে লোৱাৰ কাৰণে তাৰ সুত দিব লাগিব। ধান খিনি বনুৱাৰ কাৰণে মিলক পইচা দিব লাগিব, আৰু সমবায় সমিতি বিলাকক কমিচন দিব লাগিব, এই ধৰণৰ খৰচ ধৰিব লাগিব। কিন্তু কথা হল আমাৰ ধান চাউলৰ ব্যৱসায়ক বৰ্ত্তমান লাভ জনক ব্যৱসায় হিচাবে ধৰা নাই। কাৰণ আজি কিছুমান কথা আমি জানো—কিছুমান বিষয় বিশেষকৈ যাতায়ত, এইবিলাকক চৰকাৰে লাভজনক বিষয় হিচাবে ধৰিব নালাগে। আমাৰ পৰিবহন যিটো বিভাগ আছে সেইটোৰ কোনোবা লাইনত লাভ নহব পাৰে আৰু কোনোবা লাইনত লাভ হব পাৰে কিন্তু আমাৰ ৰাইজৰ সুবিধাৰ কাৰণেই এই ব্যৱস্থাটো চলাই থাকিব লাগিব। সেই কাৰণেই ধান-চাউলৰ ব্যৱসায়ৰ লগত যদি এফ চি আইৰ কাৰণে খৰচ হোৱা টকা আদি ধৰা হয় সেই দৃষ্টিভঙ্গীৰ লগত আমি কেতিয়াও একমত হব নোৱাৰিম।

এতিয়া দেখা যায় যে আমি যদি প্ৰত্যেক কুইণ্টল ৭০ টকা দামত ১ কুইণ্টল ধান কিনিলে ৬৭ কেজি চাউল ওলায়। তেতিয়া প্ৰতি কেজি চাউলত ১০৮ পইছা হয় আৰু সকলো খৰছ লৈ ১৫৬ ৰ পৰা ১৬০ পইছা বন্ধাত যুক্তি আছে। আমাৰ চৰকাৰে স্বীকাৰ কৰিছে যে আমাৰ প্ৰদেশত দৰিদ্ৰৰ সংখ্যা বাঢ়িছে। ১৯৬১-৬২ চনত আমাৰ প্ৰদেশত যিটো চেনচাচ হৈছিল সেইমতে আমাৰ ৰাজ্যত শতকৰা ৪৮ জন লোক দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত আছে। ১৯৭০-৭১ চনত যি সমীক্ষা সেই সমীক্ষা মতে শতকৰা ৭৪ জন দাৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত এইটো হ'ল চৰকাৰী হিচাব। যি খন দেশত ইমান মানুহ দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত আছে সেইখন দেশত বাস্তৱ ভিত্তি নাই আৰু সেইখন দেশত অতিৰিক্ত মূল্য নিৰ্দ্ধাৰন কেতিয়াওঁ সমৰ্থন যোগ্য নহয়। সেই কাৰণে যিটো দৰত ধান কিনা হৈছে সেই হিচাবে প্ৰতি কেজি চাউলৰ মূল্য ১'০৮ পইচা হয় আৰু তাৰ দাম চৰকাৰে খুব বেছি ১'৩০ পইছা হব পাৰে তাত কৈ বেছি হোৱাৰ কোনো যুক্তি

নাই। আমাৰ দেশৰ সৰ্ব্বসাধাৰণ ৰাইজৰ মূল খাদ্য দ্ৰব্য হৈছে ভাত-ধনী দুখীয়া সকলোৰে কাৰণে। গতিকে সেই বস্তুটোৰ ওপৰত এনেকৈ অতিৰিক্ত দাম বৃদ্ধি কৰাটো নিতান্তই জনসাধাৰণৰ স্বাৰ্থৰ পৰিপন্থি হৈছে। গতিকে মই চৰকাৰক দাবী জনাইছো যে পহিলা নবেম্বৰৰ পৰা চৰকাৰে যি নীতি ঘোষনা কৰিছে সেই মতে বস্তুৰ দাম বান্ধিব লাগিব। যি ধানৰ দাম চৰকাৰে বান্ধি দিছে সেই দামতে প্ৰতি কেজি চাউলৰ দাম সকলো খৰছ ধৰি ১.৫৬ পইছা কিয় ১.৩০ পইছাৰ বেছি হব নোৱাৰে। অসমৰ নিচিনা এখন দুখীয়া দেশত চৰকাৰে জনসাধানৰ লগত খেমালী কৰাটো উচিত হোৱা নাই।

অধ্যক্ষ মহোদয়, মই এটা কথা উত্থাপন কৰিব খুজিছো যে যোৱা পহিলা নবেম্বৰৰ পৰা যিবিলাক চাউলৰ দাম প্ৰতি কেজিত ১.৫৬ পইছা বান্ধিছে সেই চাউলবিলাক মানুহে খোৱাৰ উপযুক্ত নহয়। মই যোৱা শুকুৰবাৰে শিৱসাগৰলৈ যাওঁতে তাৰ এখন সস্তীয়া চাউলৰ দোকানৰ চাউল দেখুৱালে - আপুনি আচৰিত হব এই চাউলবিলাক মানুহে খোৱাৰটো উপযোগী নহয়ে ধনী মানুহে সেই চাউল গৰুক দিয়ে নে নিদিয়ে সন্দেহ। এই চাউলবিলাক কোনে যোগান দিছে—চৰকাৰৰ যোগান বিভাগটোৱে দিছে। ইফালে চাউলৰ মূল্য ১.৫৬ পইছা বান্ধিছে আন-ফালে অখাদ্য বস্তু আমাৰ ৰাইজক খাবলৈ দিছে। যদি এই চাউল আমাৰ ৰাইজে খায় তেনেহলে আমাৰ ৰাইজৰ নিশ্চয় স্বাস্থ্য বেয়া হব আৰু বেমাৰ হব। আমি প্ৰত্যেক ঠাইৰ পৰা এই অভিযোগ পাইছো। নগাওঁত যিবিলাক চাউল যোগান ধৰা হৈছে সেইবিলাক অখাদ্য গতিকে তাত কোন ব্যৱসায়ীয়ে চাউল যোগান ধৰিছে বা যোগান বিভাগৰ কোন কোন কৰ্ম্মচাৰী, সমবায় বিভাগৰ কোন কোন কৰ্ম্মচাৰী আছে তেওঁলোকক বিছাৰি উলিয়াব লাগিব—আৰু তেওঁলোকৰ ওপৰত এতিয়াও কিয় ব্যৱস্থা লোৱা হোৱা নাই কব নোৱাৰো। গতিকে আজি এই অখাদ্য বস্তু খাই আমাৰ ৰাইজৰ মাজত ধাৰনা হৈছে যে চৰকাৰে যোগান ব্যৱস্থা নিজৰ হাতলৈ নিয়া বাবেই ৰাইজৰ এই অৱস্থা। গতিকে ৰাইজৰ মাজৰ এই ভুল ভ্ৰান্তি আতৰ কৰিবলৈ যিবিলাক কৰ্ম্মচাৰীয়ে ৰাইজক অখাদ্য যোগান ধৰি ৰাইজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হৈছে তেওঁলোকৰ ওপৰত শাস্তিবিহিবলৈ চৰকাৰক অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, ৰহুতো মাননীয় সদস্যই কৈছে যে আমাৰ সংগ্ৰহ হোৱা নাই। সংগ্ৰহ কেনেকৈ হব ? পহিলা নবেম্বৰৰ পৰা ধান-চাউলৰ ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ আনিলে কিন্তু সংগ্ৰহ কৰাৰ কাৰণে কি ব্যৱস্থা গ্ৰহন কৰিছে। আজি ২৭ নবেম্বৰ তাৰিখ আজিলৈ কোনো এখন সমবায় সমিতিয়ে এমুঠি ধানো সংগ্ৰহ কৰিব পৰা নাই কাৰণ সংগ্ৰহ কৰিবলৈ তেওঁলোকৰ টকা নাই বা সংগ্ৰহ কৰি ৰাখিবলৈ গুদাম নাই। আনহাতে ডাঙৰ ডাঙৰ ব্যৱসায়ী সকলে অতিৰিক্ত দামত ধান সংগ্ৰহ কৰিয়ে আছে গতিকে প্ৰশ্ন হয় আমাৰ ৰাইজে এই ব্যৱস্থাটো সৰ্ব্বান্তকৰনে লব পাৰিছে নে নাই? এইটো কোৱা বৰ টান। কিন্তু একশ্ৰেণীৰ লোকে যে এই নীতি বাঞ্চাল কৰাৰ ষড়যন্ত্ৰ কৰিছে। গতিকে আমি তৎকালিন ব্যৱস্থা লোৱা দৰ্কাৰ।

অধ্যক্ষ ডাঙৰীয়া, এটা প্ৰশ্ন উঠিব পাৰে বা বহুতৰ মনত এনেকুৱা ধাৰনা হৈছে আৰু প্ৰচাৰো হৈছে যে আজি এই ব্যৱসায় চৰকাৰৰ হাতলৈ নিয়া কাৰণে বস্তুৰ দাম বাঢ়ি গৈছে। আজি অকল ধান-চাউলৰ মূল্য নিৰ্দ্ধাৰন কৰিলেই যথেষ্ট নহব তাৰ লগে লগে যিবিলাক নিত্য প্ৰয়োজনীয় বস্তু আমাক জীয়াই থকাৰ কাৰণে অতি লাগতিয়াল সেই বিলাকৰো মূল্য নিয়ন্ত্ৰন কৰি দিব লাগিব। ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীকেহোৰাম হাজৰীকাই উল্লেখ কৰিছে যে ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে কৈছে যে স্বাভাবিকতে পৃথিবীৰ সকলো দেশতে বস্তুৰ দাম বাঢ়িছে। এই কথা সত্য নহয়। কাৰণ আজি কিছুদিন আগতে জাতীয়তাবাদী নামৰ কাগজত কৈছে যে পৃথিবীৰ সকলো দেশতে বস্তুৰ দাম বঢ়া নাই।

অধ্যক্ষ ডাঙৰীয়া, একমাত্ৰ পৃথিবীৰ যিবিলাক পুজিবাদী দেশ সেইবিলাকতহে বস্তুৰ দাম বাঢ়িছে। ভাৰতবৰ্ষৰ ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ এটা হিচাব দিছে সেই হিচাবমতে ১৯৭২-৭৩ চনৰ খাদ্য বস্তুৰ দাম বাঢ়িছে ২১.৫ ভাগ ইয়াৰ বাহিৰেও পৃথিবীৰ প্ৰত্যেক খন পুজিবাদী দেশত বস্তুৰ দাম বৃদ্ধি হৈছে। জাতিসংঘইও এইটো কথা স্বীকাৰ কৰিছে। কিন্তু সমাজতান্ত্ৰিক দেশ বিলাকত বস্তুৰ দাম বঢ়া নাই। চোভিয়েট দেশত বঢ়া নাই, জাৰ্মান গণতন্ত্ৰত বঢ়া নাই। সেইবিলাক দেশৰ অৰ্থনীতি এনেকুৱা অৰ্থনীতি যে সি সহজে দাম বাঢি যোৱা বিধৰ অৰ্থনীতি

নহয়। সেই কাৰণেই সেইবিলাক দেশত বস্তুৰ দাম বঢ়া নাই। মই সেই বিষয়ে বহলাই কব নোখোজো। অধ্যক্ষ ডাঙৰীয়া, আমি বস্তুৰ দাম নিৰ্দ্ধাৰণ কৰিবলৈ যাওঁতে চাব লাগিব, মই আগতেই উল্লেখ কৰি আহিছো যে আমাৰ অসমত কিমান জন লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে সেইটোহে চাব লাগিব। আমাৰ অসমত শতকৰা ৭৪ জন লোকেই দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে এই হিচাব চৰকাৰৰ পৰাই প্ৰচাৰ কৰা হিচাব। গতিকে যিকোনো বস্তুৰ দাম নিৰ্দ্ধাৰণ কৰিবলৈ যাওঁতে চাব লাগিব এই দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোক সকলৈকে। আকৌ খাদ্য বস্তুৰ ফাললৈ চালে দেখা যায় ১৯৭১-৭২ চনত আছিল ১৯২ পইণ্ট আৰু ১৯৭২-৭৩ চনত হল ২১৪ পইণ্ট। গতিকে আমি সামগ্ৰিক মানুহৰ অৰ্থনীতি বিবেচনা কৰি চাব লাগিব। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া মই এই কথা দাবী কৰিছো যে জনসাধাৰণৰ নিত্য ব্যৱহাৰ্য্য বস্তুৰ দাম নিৰ্দ্ধাৰণ কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। চৰকাৰে আজি যিবিলাক চাউল যোগান ধৰিছে তাৰ দাম আৰু বজাৰত পোৱা চাউলৰ দামৰ মাজত সমূলি পাৰ্থক্য নাই। সেই কাৰণে এইটো দাবী কৰিছো যিটো দাম চৰকাৰে নিৰ্দ্ধাৰণ কৰিব সেইটো যাতে বিবেচনা কৰি নিৰ্দ্ধাৰণ কৰে আৰু যাতে অন্ততঃ পক্ষে ১.৩০ টকাতকৈ বেছি নহয় ধন্যবাদ।

**শ্ৰীসোনেশ্বৰ বৰা :** মাননীয় অধ্যক্ষ মহোদয়, নিত্য প্ৰয়োজনীয় বস্তুৰ মূল্য দিনে দিনে ইমান বাঢ়িছে আৰু এই বিধান সভাতো প্ৰত্যেক বাৰেই আমি ইমান আলোচনা কৰিছো সমালোচনা কৰিছো কিন্তু সেইবোৰ কিবা কামত আহিছে বুলি আমি কব নোৱাৰো। আলোচনা কামত অহা নাই, ইয়াৰ মূল কথা এইটোৱেই যে আমাৰ যিটো দলে দেশ শাসন কৰিছে সেই শাষক কংগ্ৰেছী সকলে এই বিষয়ে উপলব্ধি কৰিব পৰা নাই। আৰু শাসক সকলে যেতিয়ালৈকে উপলব্ধি নকৰে তেতিয়ালৈকে এই সমস্যাটো সমাধান কৰাৰো কোনো উপায় নাই। জনসাধাৰণৰ প্ৰতিনিধি হিচাবে আমাৰ বক্তব্য আমি সদনত জনাব লাগিব নহলে আমি আচামী গৰালত সোমোৱাৰ কাৰণে সাজু হৈ থাকিব লাগিব। অৱশ্যে এইটো ঠিক যে আমি কোৱাৰ পিচতো জনসাধাৰণৰ কাৰণে আচামী হবযে নালাগিব সেইটো শাৰিৰীক ভাৱে নহলেও মানসিক ভাবে যে হব লাগিব সেইটো

মই স্বীকাৰ কৰো। ধান চাউলৰ মূল্য সম্পৰ্কে বহুত বাৰ বহুত কথা কোৱা হৈছে। ডাঃ সুৰেণ দাস ডাঙৰীয়াই কোৱাৰ দৰে অসমৰ বাহিৰৰ পৰা তেল পাউদাৰ, আৰ্চী-ফণী আদি যিবিলাক বস্তু এইখন ৰাজ্যলৈ আহে সেই বিলাক বস্তুৰ মূল্য নিয়ন্ত্ৰণ কৰিব পাৰিব লাগিছিল যদিও পৰা নাই সেইখিনি কথা বাদ দিও এই কথাটো চৰকাৰে কিয় বুজিব পৰা নাই মই বুজিব নোৱাৰো। মই নিজেই যদি চাউলৰ বেপাৰ কৰিবলৈ যাওঁ মই যদি চাউলৰ বেপাৰ কৰি খুৱাবলৈ যাওঁ তেনেহলে আশী টকা কুইণ্টল দৰত ধান কিনি মই এটকা ত্ৰিশ পইচা দৰত চাউল বিক্ৰী কৰি খুৱাব পাৰিম। যাক যিমান লাগে লব পাৰিব। প্ৰতি কুইণ্টল ধানত আশী টকা দৰত যদি অসমৰ খেতিয়ক সকলে পায় আৰু সেই ধানৰ চাউল এটকা ত্ৰিশ পইচা প্ৰতি কিলোগ্ৰাম দৰত কিনোতা সকলে পায় তেনেহলে আপত্তি কি? এই দৰতো অসমত চাউলৰ দাম বাঢ়িব নোৱাৰে। এই কথাটোকে কিন্তু চৰকাৰে বুজিব নোৱাৰে মই যোৱা সাতটা বছৰ এইটো হিচাবেই এই কথা কৈ আহিছো। তিনি কুইণ্টল ধান যদি কিনি লওঁ তাৰ চাউল ওলাব দুই কুইণ্টল। ৭০ টকাকৈ ধৰিলেও তিনি কুইণ্টল ধানৰ দাম দুশ দহ টকা হব আৰু দুই কুইণ্টল চাউলৰ দাম পৰিব দুশ দহ টকা। প্ৰতি কিলো চাউলৰ দাম পৰে ১.০৫। চাউল কৰি উলিওৱা খৰচ ধৰি হলেও মই চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া দামতকৈ কম দামত বজাৰত চাউল বিক্ৰী কৰিব পাৰিম। মোৰ জীৱনত যিমান দিনে খেতি কৰি আহিছো নাঙলৰ খুটিত ধৰিব পৰা হোৱাৰে পৰা খেতি কৰি আহিছো সেই তেতিয়াৰ পৰাই মই এই হিচাব জানো। আৰু যদি নিজে শুকাই উবাই উখুৱা চাউল কৰে তাতকৈও বেছি চাউল ওলাব। বজাৰত আজি যিটো চাউল সাধাৰণতে ওলায় সেইটোতো এটকা পাচ পইচাতকৈ বেছি নপৰে, পৰিব নোৱাৰে। কিন্তু এই ব্যৱসায় চৰকাৰে নিজে কৰিবলৈ গৈ এফালে প্ৰতিক্ৰিয়াশীল পুঁজিবাদী মুনাফাবোৰ, লাভখোৰক সুবিধা নিদিয়াৰ কথা কৈছে কিন্তু আনফালে মুনাফাবোৰ বগাহাতী F.C.I. ক অধিক লাভৰ সুবিধা দি খেতিয়কক শোষন কৰিবলৈ দিয়া হৈছে। চৰকাৰৰ বিপ্লৱ ক'ত? অগণন খেতিয়কক মোহাৰি মাৰি এই ব্যৱস্থাৰে দেশত বিপ্লৱ আনিব নোৱাৰে। মই কিন্তু খেতিয়ক সকল বঞ্চিত হোৱা, তেওঁলোকৰ উৎপাদিত বস্তুৰ

উচিত মূল্য নোপোৱাটো সমৰ্থন নকৰো। অৱশ্যে পৰ্ব্বতৰ টিং সদৃস দাম বঢ়াই দিয়াৰো পক্ষপাতী নহওঁ। খেতিয়কে খেতি কৰোতে যিবিলাক কষ্ট স্বীকাৰ কৰিছে, গৰু মহ কিনি, পানী-সাৰ দি খেতি কৰিছে সেই খৰচৰ হিচাব কৰি তেওঁবিলাকে উচিত মতে যিমানখিনি পাব লাগে সিমানখিনি পোৱাত মই উৎসাহিত কৰো। বৰঞ্চ তেওঁবিলাকে খৰচ কৰা পইচাখিনি পালে আৰু নতুন উৎসাহেৰে সেই টকাখিনিও আকৌ খেতিৰ কামত ব্যৱহাৰ কৰি অধিক উৎপাদন কৰিব পাৰিব। কিন্তু এফ-চি-আইৰ নামত, কৰপোৰেচনৰ নামত ধান কিনি যদি খেতিয়কক পাবলগীয়াৰ পৰা বঞ্চিত কৰে তেতিয়াহলে চৰকাৰক কোনেও ক্ষমা নকৰিব। যদি পাবলগীয়া হয় খেতিয়কে পাওক। সাৰ-পানী ব্যৱহাৰ কৰি বেছি উৎপাদন কৰক। পৃথিবীৰ কোনো সমাজবাদী চৰকাৰেই বস্তুৰ মূল্য বৃদ্ধি কৰিবলৈ নিবিচাৰে, ই কোনো ইতিহাসতে নাই। এইটো সম্ভৱ হৈছে কেৱল ভাৰতবৰ্ষৰ কংগ্ৰেছী শাসনৰ কবলতহে।

আজি মুৰ্খ খেতিয়কে উৎপাদন কৰা ধানৰ দাম ৭০ টকা বান্ধিছে। মই যদি বুধিয়ক খেতিয়ক হওঁতে এই দৰত কেতিয়াও ধান নিদিও। ১৩০ পইচা ১২০ পইচাত চাউল বেচিম, তথাপিও ৭০ টকাত ধান নিদিও। গোদাম ভাৰা নিবনুৱাক চাকৰি দিয়াৰ নামত, মিলত ধান কোটুৱাই তেওঁলোকক পাৰিতোষিক দিয়াৰ নামত খেতিয়কৰ বস্তু আমি কম দাম দিয়ে। এই ধৰণে কৰিলে বস্তুৰ উৎপাদন বাঢ়িব জানো? খেতিয়কে চাউল তৈয়াৰ কৰাৰ ব্যৱস্থা দিয়ক। সেইসকলেই চাউল কম দামত খোৱাব। আজি এইটো চাওক, এই মাহৰ ভিতৰতে ক'ৰপাৰেচিভে কিমান ধান কিনিছে, অলপো কিনা নাই। পুৰণা বেচা কিনা সমিতি বিলাকে মিকিৰ পাহাৰ আৰু নগাওঁ জিলাত কিছু ধান সংগ্ৰহ কৰিছে - বাকী বিলাকত সংগ্ৰহ হোৱা নাই। এফ, চি, আই, য়ে চৰকাৰী নীতিৰ বিৰোধীতা কৰিছে। তেওঁলোকে অসহযোগ কৰিছে। ১ ডিচেম্বৰত এফ, চি, আই, য়ে ধান লব। চৰকাৰে কৈছে কেচাই-পকাই-পতানে ধান লৈ খেতিয়কৰ সুবিধা কৰি দিব। এফ, চি, আইয়ে ইয়াকে সমৰ্থন কৰিছেনে? এমাহে এফ, চি, আইয়ে ধান ললেনে? নললে। এফ, চি, আইয়ে নিজে ধান লোৱা নাই এজেণ্টহে লৈছে। এফ, চি, আইয়ে চৰকাৰী নিয়ম মনা নাই। এইটো অকল অসমৰে সমস্যা নহয়, সমগ্ৰ ভাৰতবৰ্ষৰে সমস্যা। খাদ্য নিগমৰ হাতত

গোটেই ভাৰতীয় জীৱন বোৰৰ লীলা খেলা কৰিবলৈ এৰি দিব পাৰিবনে? কৰ্ণাটক, পশ্চিমবঙ্গ, কেৰেলাত নিজ ৰাজ্যৰ খাদ্য নিগম গঠন কৰিবলৈ উলাইছে। তাৰ কাৰণে তথ্য পাতি গোটাইছে। মই দাবী কৰিছো আমাৰ অসমতো নিজ ৰাজ্য খাদ্য নিগম গঠন কৰিব লাগে। জাতীয় এফ, চি, আই পাতি বগা হাতী পুহিবৰ দৰ্কাৰ নাই। মাদ্ৰাজ, ইউপিৰ, মানুহক বৰপিৰাত বহুৱাৰ আৱশ্যক নাই। সেই পইচা অসমতে থাকক অসমত ৰাজ্যিক নিগম প্ৰতিষ্ঠা কৰক। অধ্যয়ণ কৰক। চিন্তা কৰক লাভ হব। আজি মই পুনৰবাৰ কৈছো সমবায় মই নীতিগত ভাবে নিজে গ্ৰহণ কৰো। মই সমাজবাদী নীতি গ্ৰহণ কৰা মানুহ হিচাবে যোৱা সদনতে কৈছিলো, সমবায় সমাজবাদী আৰু নীতিৰ আধাৰ। সেই কাৰণে মই ইয়াক গ্ৰহণ কৰি আছিছো বিৰোধী দলত থাকিও। মই নিজ হাতে তিনি চাৰি হেজাৰ টকা সমবায়ৰ অংশ এসপ্তাৰ ভিতৰত বিক্ৰি কৰিছো। সমবায় গঠন কৰাৰ আগমূহুৰ্ত্তত গুৱাহাটী চহৰত যেতিয়া প্ৰায় জিলা বিলাকত সমবায় বিভাগ ৰেজিষ্টাৰ, এচিষ্টেণ্ট ৰেজিষ্টাৰ বিলাকক মাটি আনি চেমিনাৰ কৰা হৈছিল। তেতিয়া বিষয়া সকলে আপত্তি কৰিছিল যে মানুহবিলাক সমবায় কৰিবলৈ ৰৈ থকা নাই, সমবায় ফেইল হব আৰু কিছু সময়লৈ সমবায় গঠন কৰিব নালাগে। তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে আপোনালোকৰ নিচিনা কৰ্ম্মচাৰী দ্বাৰা একো নহব। শেষেতে কৈছিল নিজ নিজ ঠাইত মানুহ সমবায় কৰিবলৈ ৰৈ আছে। আপোনালোক অফিচাৰ সকল গলেই হৈ যাব। সেইসকল মানুহ হব যুবক কংগ্ৰেছ। কংগ্ৰেছী লোকসকলৰ তালিকা এখন এ, চি, অ, ডি,চি, অ, সকলক দি দিছিল। মোৰ সমষ্টিত ৬খন কৰপাৰেটিভ হৈছে। মোক কলৈকো মতা নাই। তাত কংগ্ৰেছী আৰু কমিউনিষ্ট বন্ধুসকলৰ নাম দিছে। সভাত কি অংশ কিনিম বুলি প্ৰতিশ্ৰুতি দিয়া লোকসকলৈ সমবায় গঠন কৰা হল। ডিফল্টাৰ মানুহসকলৰ নাম প্ৰকাশ কৰা হোৱা নাই। সেই সময়ত গঠন হোৱা সমবায় সমিতি বহুতেই নিয়মহীন ভাবে হৈছে। তেওঁলোকে মানুহ চাই চাই অংশীদাৰ বাচিছে যাতে পুনৰ সভাপতি হৈ থাকিব পাৰে। আগতে ১৫ নবেম্বৰ ভিতৰত অংশীদাৰ হোৱা সকলক লৈ নতুন কমিতি গঠন কৰাৰ

কথা আছিল। ১৫ নবেম্বৰৰ ঠাইত এতিয়া ২৫ ডিচেম্বৰ হল। ১৫ নবেম্বৰৰ ভিতৰত যিবিলাকে পুনৰ সভাপতি হম বুলি ভাবিছিল, সেইসকলে সভাপতি হব পৰাকৈ নিৰ্দ্দিষ্ট পকেটতহে অংশ বেছিছিল। এতিয়া এমাহলৈ দিন বঢ়াই দিয়াৰ কাৰণে বিপদত পৰিছে। মই দুস্কৃত কাহিনী থকা লোকসকলক কেতিয়াও সভাপতি হবলৈ নিদিও। সেই কেইটা মানুহক সভাপতি কৰি ৰং চাই নাথাকো। তেনেকুৱা সভাপতি ভাঙিবলৈ চেষ্টা কৰিম। আগত পঞ্চায়ত নিৰ্ব্বাচন আছে কাৰণেই কংগ্ৰেছৰ মানুহৰ এনে প্ৰভাব খটুৱাবলৈ ব্যৱস্থা কৰা হৈছে। কিয় মুল অৰ্থনীতিৰ বিষয়টো ৰাজনীতিলৈ ঠেলি দিছে এইটো কথা উপলব্ধি কৰিব লাগিব। সমবায় বোৰ গঠন কৰোতে আমাক সহযোগ কৰিবলৈ সুবিধা দিয়া নাই। আনকি উপবিধি এখনো আমাক দিয়া হোৱা নাই। ভিতৰুৱাকৈ চৰকাৰী বিষয়া সকলক আমাৰ লগত অসহযোগ কৰিবলৈ চৰকাৰে নিৰ্দ্দেশ দিছে। উদাহৰণ এটা মই দিওঁ। এখন সমবায় সমিতি গঠনৰ আগ দিনা উপবিধি চাবৰ মনেৰে সমবায় চেক্ৰেটেৰী এজনৰ ওচৰলৈ উপবিধি এখন আনিবলৈ দুজন লৰা পঠালো। এম এল এৰ হেচা পৰা বুলি কোনোবাই ভাবিব পাৰে কাৰণে মই যোৱা নাছিলো। লৰা দুজনো চাকৰি কৰা লৰাই। কিন্তু তেওঁ দিবলৈ অক্ষমতা প্ৰকাশ কৰিলে। কলে যে কিতাপ হেৰাব পাৰে। এইকণ সহযোগো আমাৰ লগত চৰকাৰে কৰিব পৰা নাই।

মই দিচপুৰৰ পৰা কংগ্ৰেছী এম, এল, এ এজনৰ গাড়ীত একেলগে গোলাঘাটলৈ এদিন যাওঁতে তেখেতৰ গাড়ীত ২০০ খন মান এনে সমবায়ৰ উপবিধি দেখি সুধিলো। আপুনি এইবিলাক কত পালে। তেতিয়া তেখেতে কলে এই বিলাক আমি পাওঁ। কিন্তু মই আজিলৈকে এখন কিতাপ পোৱা নাই। মই সেই ওপৰত উল্লেখ কৰা এ, চি, অ জনক কলে মাত্ৰ পাচখন কিতাপ আছে। এম, এল, এ হলেও দিব নোৱাৰো। আচল কথা হল কংগ্ৰেছী মানুহ হলেহে এইবোৰ সুবিধা পায়। এই দৰে চচাইটি নহয়। ভেকো ভাওনা হব যেনহে লাগিছে। মই যোৱা বাজেট অধিবেশনত সমবায় বিষয়ৰ কৰ্তন প্ৰস্তাব উথাপন কৰোতে কৈছিলো যে কংগ্ৰেছী মানুহৰ দ্বাৰাহে চৰকাৰে সমবায় কৰিব খুজিছে। মন্ত্ৰীয়ে সেইদিনা অস্বীকাৰ কৰিলেও আজি তাকো প্ৰমান হল। এই অৱস্থাত এই সমবায়ৰ জৰিয়তে কিবা হব বুলি মই নাভাবো। এই পদ্ধতিটোত

চলিলে আকৌ সমবায় ফেইল হব। পিচৰ পুৰুষে ভুল ইতিহাস দেখি হতাশ হব। সেই কাৰণে চৰকাৰে সমবায় পদ্ধটিটো অলপ ভালকৈ চাওক। আজি আমাৰ প্ৰেট্ৰোলৰ দাম বাঢ়িছে। কেন্দ্ৰীয় প্ৰেট্ৰোল মন্ত্ৰীয়ে কৈছে সৰুসুৰা মানুহৰ গাত এই ভাবে নপৰে। কাৰণ এম্বেচেদৰ ফিয়েট গাড়ী ধনী মানুহে চলায়। কিন্তু মন্ত্ৰীজনে নেজানে যে যদি এজন ডাইল, তেল মৰাপাত, আদিৰ বেপাৰ কৰা মহাজনে এখন এম্বেচেদৰ বা ফিয়েট গাড়ী চলাই তেওঁৰ গাড়ীখনৰ তেলৰ খৰচ সেই বেপাৰ কৰা বস্তু বিলাকৰ দামৰ পৰা তুলেনে নাই কৰবাৰ মাক বাপেকৰ ঘৰৰ পৰা সেই পইচা আহে। মন্ত্ৰী সকলে এই কথা জনা উচিত যে তেনে ব্যৱসায়ী বা অন্য ঠিকাদাৰ আদি সকলে তেওঁৰ গাড়ী তেলৰ দাম তেওঁ বেপাৰ কৰা বস্তু বিলাকতেই তুলি লয়। সদনৰ কোনো মাননীয় সদস্যাই চৰকাৰৰ সমবায় নীতিক সমালোচনা কৰিলে বেয়া পাইছে। কিন্তু এইটো কথা ঠিক যে এতিয়া গঠন কৰাৰ দৰে সমবায় কৰিলে ইয়াৰ পৰা ভাল নহয় বেয়াহেই হব। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই সমবায়, সমবায় বুলি গান এটা উলিয়াইছে। মাইকী ছোৱালী নছোৱাই নছোৱাই গান গায় গায় সমবায় অংশ বিক্ৰী কৰিলে জানো ৰাইজে আচল সমবায়ৰ অৰ্থ বুজিব নে নাই মুহিনী ৰূপত ভুল যাব? মুখ্য মন্ত্ৰীয়ে যেনেকৈ গান গাইছে ৰাইজেও তেনেকৈয়ে এটা গান গাইছে। গানটো মই গায় দিওঁ। গানটো এটা সাথঁৰ। সাঁথৰটো এই—

জলত জনম স্থলত বাস
দেৱ মনুষ্যই কৰে গ্ৰাস
ই যে কথা অদভুত
মাকে চুলে মৰে পুত।

আমাৰ চৰকাৰে যতে হাত দিয়ে তাতে জুই লাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সাঁথৰটোৰ উত্তৰটো উলিয়াব পাৰিলে কথাটো উপলব্ধী কৰিব পাৰিলে হেঁতেন। বাৰু উত্তৰটো ময়ে কৈ দিওঁ। ইয়াৰ উত্তৰ হৈছে নিমখ। নিমখ পানীৰ পৰাই হয়। দেৱ, মানুহে খায় কিন্তু মাকে চুলে অৰ্থাৎ পানী লাগিলেই পমে। আমাৰ চৰকাৰৰ কামবোৰো তেনেকুৱাই।

শ্ৰীশৰত্ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মূল্য বৃদ্ধিৰ

সম্পৰ্কত আমাৰ মাননীয় সদস্য সকলে যি ধৰণে উদ্বিগ্নতা প্ৰকাশ কৰিছে সেই-দৰে আমাৰ চৰকাৰেও উদ্বিগ্ন হৈছে। মূল্য বৃদ্ধি আজি অকল আমাৰ ৰাজ্য-খনতেই হোৱা নাই, গোটেই দেশতেই মূল্য বৃদ্ধি হৈছে। মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়াই গোটেই পৃথিৱীতে মূল্য বৃদ্ধি হোৱা নাই বুলি আপত্তি কৰিছে যে সমাজবাদী দেশবিলাকত মূল্য বৃদ্ধি হোৱা নাই কিন্তু পুঁজিবাদী দেশবিলাকত হে মূল্য বৃদ্ধি হৈছে, মই অৱশ্যে সেই কথাটো মানি লৈছোঁ কিন্তু সমগ্ৰ পৃথিবীতে যে মূল্য বৃদ্ধি হৈছে সেই সম্পৰ্কত কোনো সন্দেহ নাই। যিবিলাক প্ৰশ্নৰ কথা ইয়াত অৱতাৰণা কৰা হৈছে সেইবিলাকৰ কিছু কিছু উত্তৰ আমাৰ মাননীয় সদস্য দুই এগৰাকীয়ে দিছে। মাননীয় সদস্য পিটসিং কোঁৱৰ ডাঙৰীয়াই কৈছে যে আমাৰ ৰাজ্যৰ নিচেই ওচৰতে থকা মেঘালয় ৰাজ্যত চাউলৰ প্ৰতি কিলোত ৪ টকা হৈছে গৈ, আপোনালোকে চাওক ইয়াৰ কাষতে থকা পশ্চিমবঙ্গত আৰু কিমান দাম বাঢ়িছে। এই কথাটো মই তথ্য-পাতিৰে উল্লেখ কৰিব নোখোজো। আমাৰ মাননীয় সদস্য সকলে দিয়া বিবৃতিৰ পৰাই উল্লেখ কৰিছোঁ। আমাৰ দেশত বস্তুৰ মূল্য বৃদ্ধিৰ সমৰ্কত উদ্বিগ্নতা প্ৰকাশ কৰা হৈছে, যোৱা জুলাই মাহত দিয়া বিবৃতিত যিবিলাক কথাৰ অৱতাৰণা কৰা হৈছিল সেই বিলাকৰ বিষয়ে মই পুনৰুক্তি কৰিব নোখোজো। যোগাযোগ পৰিবহনৰ অসুবিধা য'ত উৎপাদন হব লাগে তাত উৎপাদন হোৱা নাই, বেপাৰী সকলে নানা চল-চক্ৰান্ত কৰি বুদ্ধি-বুদ্ধা কৰি বয়-বস্তু মজুত কৰি ৰাখি এই ধৰণে নানা প্ৰকাৰৰ কৃত্ৰিম অনাটনৰ সৃষ্টি কৰিছে। এই বিষয়ে মই আৰু দীঘলীয়াকৈ উল্লেখ নকৰো। আগৰ বিবৃতিত এই বিষয়ে উল্লেখ কৰা হৈছে।

মই এইটো নকও যে এনেবোৰ কাৰ্য্যই বয়-বস্তুৰ চৰা দামত প্ৰভাৱ পেলোৱা নাই, নিশ্চয় প্ৰভাৱ পেলাইছে। মই আজি এনে এটা দিশত মাননীয় সদস্য সকলৰ দৃষ্টি আকৰ্ষন কৰিব খুজিছো যে উৎপাদন বঢ়োৱাৰ ক্ষেত্ৰত আমি আজি কি কৰিছোঁ ? আমি আজি প্ৰত্যেকেই যিবিলাক বিষয়ত খৰচ কৰিছোঁ সেইবিলাকৰ উৎপাদন মুখী ব্যৱস্থা নাই ; য'ত উৎপাদন হব পাৰে সেই বিলাকত আমি খৰচ নকৰো তাৰ ফলত আমাৰ ৰাজ্যখনত আমাৰ দেশখনত এটা বেলেগ অৰ্থনীতিৰ সৃষ্টি হৈছে, যিদৰে আৰ্থিক অৱস্থা শোচনীয় হৈছে, টকা-পইচা খৰচ হৈছে সেই পৰিমানে উৎপাদন হোৱা নাই।

আজি দেখা যায় আমি 'এম্বেংকমেণ্টৰ' ওপৰত বেচিকৈ জোৰ দিও কিন্তু 'ইৰিগেশ্যনৰ' ওপৰত জোৰ নিদিও, ইয়াত মাননীয় সদস্য এগৰাকীয়ে কৰাপশ্যনৰ কথা কৈছে, আমাক আজি ইৰিগেশ্যনো লাগে এম্বেংকমেণ্টো লাগে। ঠিক সেই ধৰণে পি, ডব্লিউ, ডি আৰু 'আৰ এণ্ড বি' ডিভিজন আগতে একেলগে আছিল সেইটো এতিয়া ভাগ কৰা হ'ল। দেখা যায় যে পি ডব্লিউ ডিৰ ৰাস্তা নিৰ্ম্মান কৰাতহে আগ্ৰহ বেচি কিন্তু সেই পৰিমানে গৃহ নিৰ্ম্মানত আগ্ৰহ নাই। সেইকাৰণে আজি দেখা যায় যি পৰিমানে আমাৰ গৃহ নিৰ্ম্মান হব লাগিছিল হস্পিতাল বা স্কুল ইত্যাদিৰ প্ৰয়োজনীয় যিমান ঘৰ নিৰ্ম্মান হব লাগিছিল সেই পৰিমানে হোৱা নাই। আজি এই নিৰ্ম্মান কৰাৰ ক্ষেত্ৰতো কোনো উৎপাদনৰ ব্যৱস্থা হোৱা নাই। এই কথাটো দকৈ চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে।

গতিকে আজি আমি সামগ্ৰীক ভাবে আমাৰ ৰাজ্যখনৰ সকলো ক্ষেত্ৰতে বিষম জোৰ দিব লাগিব—উৎপাদনৰ ওপৰতহে। উৎপাদনৰ ওপৰতহে আমি মনোযোগ দিব লাগিব। তেতিয়া হলেহে আমাৰ ৰাজ্যত বয়-বস্তুৰ মূল্য কিছু পৰিমানে কমিব আৰু তেতিয়াহে দেশখনত আমাৰ ৰাজ্যখনত আৰ্থিক যিটো অৱস্থা তাৰ কিছু উন্নত হব। আমাৰ নিজৰ প্ৰচেণ্টাৰেই আমি কিছু উন্নতি সাধন কৰিব পাৰো, আমি যদি গোটেই দেশখনৰ কথাই ধৰো তেতিয়াহলে কিমান উৎপাদন বাঢ়িছে বা কিমান কমিছে আৰু কিমান টকাৰ প্ৰচলন হৈছে তাৰ এটা যদি সাধাৰণ হিচাব কৰা যায় তেতিয়াহলে দেখিব যে ১৯৬৭।৬৮ চনত আমাৰ খাদ্য দ্ৰব্যৰ উৎপাদন আছিল ৯২ মিলিয়ন টন আৰু সেই সময়ত টকাৰ প্ৰচলন আছিল ৩৪৪৮ কোটি টকা আৰু মাজৰ হিচাবটো দিলে দিঘলীয়া হব, সেইটো নিদি ১৯৬৯।৭০ চনত ৯৫ মিলিয়ন টন হ'ল আৰু ১৯৭০।৭১ চনত ১০৫ টন আৰু ১৯৭১।৭২ চনত ১০৫ মিলিয়ন টন আৰু ১৯৭২।৭৩ চনত হ'লগৈ ৯৬ টন হ'লগৈ।

যেতিয়া ১৯৬৭।৬৮ চনত আমাৰ মুঠ খাদ্য দ্ৰব্যৰ উৎপাদন আছিল ৯২ মিলিয়ন টন আৰু সেই সময়ত ৰাইজৰ টকা আছিল ৩৪৪৮ কোটি টকা, গতিকে এই মাজৰ সময়খিনিত খাদ্য দ্ৰব্য বাঢ়িছে বুলি কব নোৱাৰি কিন্তু টকা কিমান 'চাৰকুলেট' হৈছে ?—৩৪৪৮ কোটি টকাৰ পৰা ৫৮৫১ কোটি টকালৈ কিন্তু হিচাব কৰিলে দেখা যায় যে টকা চাৰকুলেট আগতকৈ ২ গুন বাঢ়িছে খাদ্য দ্ৰব্যৰ দাম

বাঢ়িৰ পাৰে গতিকে দেখা যায় ৰাইজৰ হাতত বজাৰত টকাৰ পৰিমান বেচি হৈ গৈছে। সেইকাৰণে মাননীয় সদস্য বন্ধু সকলক অনুৰোধ কৰিছোঁ যে বস্তুৰ দাম আমি কমাবলৈ আৰু বস্তুৰ দাম কমোৱাৰ কাৰণে আমি প্ৰচেষ্টা চলাইছোঁ।

সেইকাৰণেই আজি বস্তুৰ দাম কমাবৰ কাৰণে এটা প্ৰচেষ্টা চলাইছোঁ। মই আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই উল্লেখ কৰা কথা এটাত সন্তোষ পাইছোঁ যে, আজি অকল সমাজবাদী দেশবিলাকতে বস্তুৰ দাম বঢ়া নাই। পূজীবাদী দেশ বিলাকতো সমানে বস্তুৰ দাম বাঢ়িছে। আমাৰ দেশ খনৰ চাহিদাৰ ওপৰত ভিত্তি কৰিহে বয়-বস্তুৰ দাম নিৰ্ম্মিত হয়। যদি কোনো এটা বস্তুৰ চাহিদা বেছি অথচ তাৰ উৎপাদন নাই তেতিয়াহলে, সেই বস্তুটোৰ দাম বেছি হব। মানুহৰ কি প্ৰয়োজনীয় সেইটো আচলতে হিচাবত লোৱা নহয়। ইয়াৰ লগতে আন এটা কথাও জড়িত হৈ আছে যে, এতিয়া যি বিলাক বস্তুৰ দাম বাঢ়িছে সেই বিলাক কি কি বস্তু উৎপাদন হৈছে আৰু কাৰ কাৰ প্ৰয়োজনীয় বস্তু উৎপাদন হৈছে ? উৎপাদন হৈছে এনেকুৱা কিছুমান বস্তুহে যি বিলাক ধনী লোক সকলৰহে প্ৰয়োজনীয় বস্তু। আমাৰ সমাজৰ দুখীয়া লোকসকলৰ প্ৰয়োজনীয় বস্তু বিলাক যি পৰিমাণে উৎপাদন হব লাগিছিল সেইপৰিমাণে উৎপাদন হোৱা নাই। আমাৰ দেশখনৰ যিবিলাক সম্পদ সেই সমূহ সামগ্ৰীকে প্ৰয়োগ কৰা হৈছে ধনী লোকসকলৰ প্ৰয়োজন পূৰ্ণ কৰিবৰ কাৰণেহে। উদাহৰণ স্বৰূপে কব পাৰি যে, কিতাপ-পত্ৰাদি চপাবৰ কাৰণে কাগজ আমাৰ অতীব প্ৰয়োজনীয় অথচ এই বিলাক বস্তু পাবলৈ নাই। কিন্তু আৰ্ট পেপাৰ আদিৰ দাম বেছি আৰু এই বিলাক সহজে পোৱাও যায়। ধনী লোকসকলে ভাল কাগজত চিঠি-পত্ৰ আদি লিখিবৰ কাৰণে কিন্তু সেইদৰে ভাল কাগজো আছে। কিন্তু দুখীয়া লৰা-ছোৱালীয়ে পঢ়িব পৰাকৈ কিতাপ আদি চপাবৰ কাৰণে প্ৰয়োজনীয় কাগজ বজাৰত নাই। আজি যদি গুৱাহাটীৰ বজাৰলৈ যোৱা যায় তাত যিবিলাক কাপোৰৰ নমুনা আদি ওলোমাই থোৱা হয় সেইবিলাক দেখিলে আমি কেতিয়াও কবনোৱাৰো যে, এইখন দেশৰ লোকসকলৰ অৱস্থা ইমান বেয়া হব নোৱাৰে। স্বভাৱতেই এই প্ৰশ্ন মনলৈ আহে যে, ইমান দামী দামী কাপোৰ কানি পিন্ধা এই খন দেশৰ লোক বিলাকৰ অৱস্থা কেতিয়াও বেয়া হব নোৱাৰে। কিন্তু ইয়াৰ অন্তৰালৰ আছল কথাটো হৈছে এয়েযে, দুখীয়া লোকসকলৰ কাৰণে প্ৰয়োজনীয় কাপোৰ কানি আমি যিমান পৰিমাণে তৈয়াৰ

কৰিব লাগে সেইপৰিমাণে তৈয়াৰ নকৰো। সেইকাৰণেইহে মই কব বিছাৰো যে আমাৰ দেশখনৰ সমগ্ৰ সম্পত্তিবিলাক কেৱল ধনী লোকসকলৰ কাৰণেহে প্ৰয়োগ কৰা হৈছে আৰু অৰ্থনৈতিক ব্যৱস্থাটোও তেওঁবিলাকৰ কাৰণেইহে পৰিচালনা কৰা হৈছে যেন লাগে। আমাৰ ৰাজ্যখনত ধনী মানুহৰ সংখ্যা নিতান্তই কম। আমাৰ কেইবা গৰাকি মাননীয় সদস্যই কৰৰ দৰে আমাৰ দেশৰ শতকৰা ৭৫ ভাগ মানুহ এতিয়াও দৰিদ্ৰৰ সীমাৰেখাৰ তলতে আছে। এইটো সচাঁ কথাকেই তেখেতে কৈছে। এই দৃষ্টিকোণৰ পৰা চালে শতকৰা ৭৫ ভাগ মানুহৰ কাৰণে আমি একো কৰিব পৰা নাই। আমাৰ দেশৰ অৰ্থনৈতিক ব্যৱস্থাটো হৈছে কেৱল শতকৰা ২৫ ভাগ মনুহৰ কাৰণেহে। আমাৰ দেশৰ শতকৰা ৭৫ জন লোকৰ চাহিদা পুৰ্ণ কৰিবৰ কাৰণে যিবিলাক বস্তু উৎপাদন হোৱা দৰ্কাৰ সেইবিলাক বস্তু আমি উৎপাদন কৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, এইটোত মই অলপ সময় ললোহেঁতেন।

মাননীয় অধ্যক্ষ : কব পাৰে।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : সেই কাৰণেই অধ্যক্ষ মহোদয়, আমাৰ দেশৰ অৰ্থনৈতিক দিশৰ পৰা যদি এই কথা বিলাক চিন্তা কৰা নহয় তেতিয়াহলে, ইয়াৰ এটা বিজ্ঞান সন্মত সমাধান উলিওৱাটোও আমাৰ কাৰণে সম্ভৱপৰ নহব। আমি যদি আজি তাকে নকৰি আমাৰ ধানৰ দাম, চাউল, চেনি, আটা আদি বস্তুৰ দামতে নিবন্ধ থাকো তেতিয়াহলে, এইবিলাক সমস্যা আমি কেতিয়াও সমাধান কৰিব নোৱাৰিম। আমি যদি আমাৰ অৰ্থনৈতিক ব্যৱস্থাটোৰ প্ৰকৃত পৰ্য্যালোচনা কৰি কিভাৱে এইটো গঢ় লৈছে এই বিলাক কথা বিবেচনা কৰি বিজ্ঞান সন্মত প্ৰণালীৰ দ্বাৰা আমাৰ উৎপাদন পদ্ধতিটো পৰিবৰ্ত্তন কৰিব পাৰো তেতিয়াহলে, আমি বস্তুৰ মূল্য ৰোধ কৰিব পাৰিম। এই পৰিপ্ৰেক্ষিততে মই কওঁ যে, অধিক সংখ্যক লোকৰ প্ৰয়োজনীয় বস্তু বিলাকহে আমি প্ৰথমে যথেষ্টকৈ উৎপাদন কৰিব লাগিব। স্কুলীয়া লৰা ছোৱালীৰ কাৰণে প্ৰয়োজনীয় যিবিলাক কাগজ কিতাপ আদি চপাবৰ কাৰণে লাগে সেই কাগজ বিলাক আমি উৎপাদন কৰিব লাগিব আৰু এইটো হব লাগিব আমাৰ চাহিদা অনুসৰি। এইধৰণেই আমাৰ দুখীয়া লোক সকলৰ সকলো নিত্য প্ৰয়োজনীয় জিনিষ পত্ৰ আদি আমি যি পৰিমাণে দৰ্কাৰ সেই পৰিমাণে তৈয়াৰ

কৰিব পাৰিব লাগিব। যথেষ্ট পৰিমাণে দুখীয়া লোকসকলৰ সেই বস্তু বিলাক উৎপাদন হলে সেই সকল লোকে কিনিব পৰাকৈ তেতিয়াই তাৰ দাম নিয়ন্তন হব আৰু ধনী লোকসকলেও তেওঁলোকৰ চাহিদা অনুসৰি আৰু ৰুচি সন্মত ভাৱে তেওঁবিলাকৰ প্ৰয়োজনীয় বস্তু আদি উৎপাদন কৰিব লাগিব আৰু সেইমতেই তাৰ উচিত মূল্য নিৰূপন কৰি দিব লাগিব। এইটো কেনেকুৱা ভাৱে যে কৰিব পৰা যায় সেইটো মই কব নোৱাৰো। মই কেৱল মোৰ মনত খেলুৱা কথাটোহে ব্যক্ত কৰিছোঁ। আমি দুখীয়া মানুহক তেওঁলোকৰ প্ৰয়োজনীয় কাপোৰ উৎপাদন কৰি তাক উচিত মূল্যত দিব পাৰিছোঁ। তেনেহলে, ধনী লোকসকলেও তেওঁলোকৰ আয় আৰু ৰুচি অনুযায়ী তেওঁলোকৰ প্ৰয়োজনীয় বস্তু বিছাৰিছে তাতো তাৰ উচিত মূল্য বহন কৰিব লাগিব। এইটো হলেহে আমাৰ অৰ্থনৈতিক ব্যৱস্থাটো পৰিবৰ্ত্তন কৰা সম্ভৱপৰ হব। এই উৎপাদন পদ্ধতিটোকে আমি গ্ৰহণ কৰিব পৰা নাইকীয়া। আমাৰ দেশত পূজিবাদী ব্যৱস্থাটোৰেই কল্প বা বিকল্প ভাৱে চলি আছে আৰু আমি সেই ব্যৱস্থাৰ দ্বাৰাই নিষ্পেষিত হৈ সদায় হাহাকাৰ কৰিব লাগিছোঁ।। ফলতেই আমি আজি কোনো দিক্-বিদিগ নিৰ্ণয় কৰিব পৰা নাইকীয়া। মই মাননীয় সদস্যসকলৰ ওচৰত এই কথাটোহে বিশেষকৈ নিবেদন কৰিব বিছাৰিছো যে, আমি এই সমস্যা বিলাক সমাধান কৰাৰ ক্ষেত্ৰত উপযুক্ত ব্যয়ৰ দ্বাৰা সৰ্ব্ব প্ৰথমে উৎপাদন বঢ়োৱাৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু বাকী আনুসঙ্গি বিষয় বিলাকৰ ওপৰত অলপ কম গুৰুত্ব দিব লাগিব।

অধক্ষ্য মহোদয়, আমাৰ ৰাজ্যখনত যি পৰিমাণৰ মিঠাতেল লাগে আৰু সেই অনুপাতে যিমান সৰিয়হ লাগে তাৰ তিনিভাগৰ এক ভাগ আমাৰ উৎপাদন হয় আৰু তিনিভাগৰ দুই ভাগ সৰিয়হ বাহিৰৰপৰা আহে। মহোদয়, যেতিয়া বাহিৰৰপৰা অহা সৰিয়হৰ ওপৰত নিৰ্ভৰ কৰিব লগাই হয় তেতিয়া তাৰ দাম বঢ়াতো স্বাভাবিক। ৰেল লাইনৰ বিজুতিৰ কাৰণতে হওক বা অন্যান্য কাৰণতে হওক নানা ৰকমৰ নৈসৰ্গিক কাৰণতে দাম বাঢ়ে। আৰু এইবিলাক বস্তুৰ দাম বাহিৰতে যদি দাম বাঢ়ে তেতিয়াহলে ইয়াত দাম নিয়ন্ত্ৰণ কৰাৰ কথাটো সম্ভৱ নহব। বেচি দামত কিনি আনি কম দামত কোনেও বিক্ৰি কৰিব নোৱাৰে। সৰিয়হ এনে এটা বস্তু নহয় যে, ইয়াক উৎপাদন কৰিব

নোৱাৰে। আমি যদি সৰিয়হ উৎপাদন কৰিব পাৰো তেনেহলে মিঠাতেলৰ দাম বাঢ়িব নোৱাৰে। এই খেতি কৰিবলৈ হলে আমি সংকল্পবদ্ধ হব লাগিব। যে আমি সৰিয়হ উৎপাদন কৰিম। আমি মনোযোগেৰে সৰিয়হ উৎপাদন কৰাৰ ওপৰত মনোনিবেশ কৰিব লাগিব। দাইলৰ ক্ষেত্ৰতো আমি ইচ্ছা কৰিলে বহুতো বিধ দাইল উৎপাদন কৰিব পাৰো। দাইল যদি আমাৰ ইয়াতে উৎপাদন হয় তেন্তে তাৰো দাম নিয়ন্ত্রন হব পাৰে। আজি আমাৰ ইয়াত আলুৰ দামো বাঢ়িছে। ইয়াৰ প্ৰধান কাৰণ হৈছে যে এইবিলাক আলু মেঘালয়ৰ পৰা আহিছে। আমাৰ ইয়াতে আলু উৎপাদন কৰিব পৰা হলে আলুৰ দাম বাঢ়ি নগলহেতেন। আমি আলু ইয়াতে উৎপাদন কৰিব পাৰো, যিটো আমাৰ অতি নিত্য প্ৰয়োজনীয় বস্তু সেই বিলাকো আমাৰ ইয়াত উৎপাদন কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। আজি ৰবিশস্যৰ কথাও আলোচনা হৈছে। আৰু ৰবিশস্যৰ প্ৰতি অলপ কটু মন্তব্য কৰা হৈছে। ৰবিশস্যৰ উৎপাদন আচনিখন যে কৃতকাৰ্য্য হোৱা নাই সেই কথা মই নকও, এই আচনি কৃতকাৰ্য্য হৈছে। আমাক যিটো হিচাব দেখুৱা হৈছে ১'৫ লাখ টন উৎপাদনৰ যিটো হিচাব দেখুৱা হৈছে সেই কথাটো আমাৰ বিভাগে দেখুৱাইছে। আমাৰ বহুতো মাননীয় সদস্যই কৈছে যে, এইটো দেখুৱাৰ কাৰণে আমাৰ ইয়াৰ এইবাৰ ঘেহুৰ কোটা কমাই দিছে। অকল আমাৰ ইয়াতে নহয় অনান্য ৰাজ্যতো কমাই দিয়া হৈছে। আপোনালোকে জানে যে, যোৱা বছৰ অনাবৃষ্টি হোৱাৰ কাৰণে, অসমতো বানপানী হৈছিল, বংগ দেশতো আৰু গোটেই ভাৰতবৰ্ষতে খৰাং বতৰ হোৱাৰ কাৰণে আৰু ঘেহুৰ উৎপাদন নোহোৱাৰ কাৰণে আমাৰ সকলো ৰাজ্যতে ঘেহুৰ অনাটন হল। এই ঘেহু আনিবৰ কাৰণে বাহিৰলৈ যাব লগা হৈছে, কেন্দ্ৰীয় চৰকাৰৰ হাতত ঘেহু নাইকীয়া হোৱাৰ বাবেই দিব পৰা নাই। এইবাৰ ঘেহু ভাল হৈছে। আমাৰ ইয়াতো ধান ভাল হৈছে।

শ্ৰীসোনেশ্বৰ বৰা : মহোদয়, ঘেহুৰ সচ আনি অসমত ঘেহুৰ সচ দিব পৰা নাই।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : কথাটো একেবাৰে নোহোৱা নহয়। আমাৰ ইয়াত যি ঘেহু হয় তাৰ সচ নহয়। অৱশ্যে এইটো আৱহাওৱাৰ কাৰণে। সকলো

বিলাক ঘেহুৰ সচ আমাৰ ইয়াত নহয়। কেইখন মান ৰাজ্যই আমাক ঘেহুৰ সচ দিয়াৰ কথা আছিল, কিন্তু নানা কাৰণ বশতঃ সচ দিয়া নহল। এই কথাবিলাক যদি ভালকৈ চোৱা হয় তেতিয়া হলে সমাধান যদিও আমি বহল ক্ষেত্ৰত কৰিব নোৱাৰো তথাপিতো সীমিত ভাবে আমাৰ ক্ষেত্ৰত কৰিব পৰিম তাত অকনো সন্দেহ নাই। আজি আমাৰ দেশত যি অৰ্থনীতি চলিছে তাৰ প্ৰভাৱৰ পৰা দেশ মুক্ত হব পৰা নাই কেৱল বক্তৃতাৰ দ্বাৰা দেশক সেই প্ৰভাৱৰ পৰা মুক্তি কৰিব নোৱাৰে। যিদিনাই আমাৰ দেশত সমাজবাদী অৰ্থনীতি প্ৰৱৰ্ত্তন কৰিব পৰা হব সেইদিনাই আমাৰ দেশ ভালেমান সমস্যাৰ পৰা মুক্ত হব।

মহোদয়, আজি চেনিৰ দাম চৰকাৰে নিয়ন্ত্ৰন কৰিছে। মুকলি বজাৰৰ চেনিৰ দাম যিটো সেইটো কেন্দ্ৰীয় চৰকাৰে নিৰ্ণয় কৰিছে। ইয়াত আমাৰ কৰ লগা নাই। কাৰণ এইটো দাম একৰকম স্থিৰকৃত কৰা হৈছে। আজি মুকলি বজাৰত চেনিৰ দাম প্ৰতি কেজিত ৩৭৫ বা পৰা ৪ টকাৰ ভিতৰত পোৱা যায়। সেই অনুপাতে লোণৰ দাম ৩০-৪০ পইচাৰ ভিতৰতে আছে।

(ভইচ: গাৱঁত নিমখৰ দাম প্ৰতি কেজিত ডেৰ টকা দুটকা হৈছে)

অধ্যক্ষ মহোদয়, তাৰ পিচত আমাৰ কেৰাচিন তেলৰ দামৰ কথা কৈ লাভ নাই। কাৰণ ক্ৰুদ অইলৰ দাম বঢ়াৰ লগে লগে গোটেই বিশ্বতে তাৰ এটা কু-প্ৰতিক্ৰিয়া হৈছে। ক্ৰুদ অইলৰ দাম বঢ়াৰ লগে লগে আমাৰ ইয়াতো তেলৰ দাম বাঢ়িছে। এইটো কথা কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰি আছে।

শ্ৰীসোনেশ্বৰ বৰা: মহোদয়, আৰব ৰাষ্ট্ৰ সমূহে তেল দিয়াৰ চুক্তি বাহল ৰাখিব বুলি ঘোষণা কৰিছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী): মহোদয়, আৰব ৰাষ্ট্ৰ সমূহে তেল দিব, এইটোত আমাৰ সমস্যা সমাধান হোৱা নাই। তেল বৰ্দ্ধিত দামতহে দিব। তেতিয়া হলে কেৰাচিনৰ দাম বাঢ়িব। আন হাতে আমাৰ দাইল আৰু মিঠাতেলৰ যি দাম বাঢ়িছে সেইটো খৰাং বতৰ হোৱাৰ বাবেই বাঢ়িছে। সেইটো মহোদয়, আটা আৰু চাউলৰ দাম ভাৰত চৰকাৰে নিৰ্ণয় কৰি দিছে। সেইমতে আমাৰ ফেয়াৰ প্ৰাইচ চপ বিলাকত সেই দামতে আটা দিবলৈ দিয়া হৈছে। মই চাউলৰ ক্ষেত্ৰত

এইটোকে কবলৈ বিচাৰিছো যে, ঐকিক অংকৰ দ্বাৰা এইটো মই এনেদৰে সমাধান কৰিব বিচাৰিছো। ঐকিক নিয়মত অংক কৰি চালে দেখা যায় যে, যেতিয়া ধানৰ দাম ৫৬ টকা আছিল, তেতিয়া চাউলৰ কেজি আছিল ১'৩০ পইচা আৰু যেতিয়া ধানৰ দাম আছিল কুইণ্টলত ৭০ টকা তেতিয়া চাউলৰ দাম ঐকিক নিয়ম মতে কৰিলে ১'৬৫ পইচা হয়। সেই মতে চাউলৰ দাম বঢ়া নাই। বৰং কমিছেহে প্ৰায় প্ৰতি কিলোত ৭ পইচা কমিছে।

সেইদিনাৰ পৰা ৫৬ টকাৰ লগত ১'৩২ পইচাৰ যিটো সম্পৰ্ক সেইটো হিচাব কৰিলে সেইমতে দাম বঢ়া নাই কমিছেহে। প্ৰতি কেজিত ৭ পইচা কমিছে।

অধ্যক্ষ মহোদয়, এইটো নিয়মৰ দ্বাৰা হিচাব কৰি মই গোটেই কথা আলোচনা কৰিব খোজা নাই। এই কথা মাননীয় সদস্য সকলৰ লগত ব্যক্তিগত ভাবে সমূহীয়া ভাবে আৰু বিভিন্ন ৰাজনৈতিক দলৰ লগত আলোচনা কৰা হৈছে। ইয়াৰ হিচাব যি ধৰণে দিয়া হৈছে আৰু খেতিৰ দাম যিধৰণে নিৰ্ণয় কৰিছে সেইটো বিজ্ঞান সন্মত ভাবেই কৰা হৈছে। গতিকে মাননীয় সদস্য সকলে ইয়াত সন্মতিজ্ঞাপন কৰিব বুলি আশা ৰাখিলো।

শ্ৰীসোণেশ্বৰ বৰা : অৱশে' ধানৰ দাম ইমানতে ৰাখি আপোনালোকক ধান চাউল নিদিলে ৰাইজে কম দামত দিব পাৰিব।

শ্ৰীশৰতচন্দ্ৰ সিংহ : অধ্যক্ষ মহোদয়, তেখেতে যদি এই কামটো কৰি দিব পাৰে তেনেহলে ভাল হব। তেখেতে ৮০ টকাত কিনি ১.৩০ পইচাত দিব বিচাৰিছে। এই কথাৰ যদি উত্তৰ নিদিও তেনেহলে কাল্লিলৈ ৰাইজ আমাক ধৰিব। মাননীয় সদস্য এগৰাকীয়ে ৮০ টকাত কিনি ১'৩০ টকাত দিব পাৰে - আপুনি মুখ্যমন্ত্ৰী হৈ কিয় নোৱাৰিব? সেইকাৰণে এই কথাটো আমাৰ কাৰণে কিছু ডিগদাৰ হব। সেইকাৰণে এই কথা সম্পূৰ্ণভাবে পৰিচালনা কৰাৰ দায়িত্ব বাতিল কৰি দিব বিচাৰিছো। এইটোৰ দায়িত্ব এই কাৰণেই নাই যে ইয়াৰ কোনো লাভালাভ অন্য মানুহে কৰা নাই। ইয়াৰ যিটো লাভ লোকচান হব সেইটো ৰাইজৰ হব আৰু সমবায় সমিতিবিলাকৰ হব, চৰকাৰৰ নহয়। চৰকাৰৰ এটা সৰু অংক আছে, যেতিয়া ৫৬ টকা আছিল তেতিয়া চৰকাৰৰ এড্মিনি-

ষ্ট্ৰেটিভ চাৰ্জ মাত্ৰ এটকা। এতিয়া সেই এটকাৰ ঠাইত মাত্ৰ ১'১২ পইচা কৰা হৈছে। এইটোও নানা ধৰণৰ খৰছৰ কাৰণে। কাৰণ ইয়াত চৰকাৰৰ ভিজিলেন্স খৰছ পুলিচৰ ডি, এ খৰছ ইত্যাদি সোমাই আছে। কিন্তু এই ১'১২ পইচাৰ ভিতৰত এই '১২ পইচা খিনি বাদ দিলে চৰকাৰৰ হাতত এটাও পইচা নপৰে। এই গোটেই লাভ-লোকচান ৰাইজৰ আৰু সমবায় সমিতি বিলাকৰ। সেইকাৰণে সমবায় সমিতি, ৰাইজৰ প্ৰতিনীধি আৰু ৰাজনৈতিক দলসমূহে একেলগে বহি যদি ইয়াৰ দাম নিৰ্ণয় কৰে আৰু যদি ইয়াৰ দাম কমাব পাৰে তেনেহলে চৰকাৰৰ ইয়াত কোনো আপত্তি নাই। আমি ইয়াত ব্যক্তিগত ভাবে কোনো লাভ বিচৰা নাই। বৰঞ্চ এইটো কৰিব পাৰিলে ৰাইজৰেই লাভ হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এতিয়া কণ্ট্ৰোলৰ কথা কৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়াই : কিন্তু যেতিয়া কণ্ট্ৰোল নাছিল তেতিয়া দাম কিমান আছিল ?

শ্ৰীশৰত চন্দ্ৰ সিংহ : অধ্যক্ষ মহোদয়, এতিয়াই যদি কাৰোবাৰ প্ৰশ্ন উত্থাপন কৰিব লগা আছে, তেন্তে আগতেই উত্থাপন কৰক—পিচত আৰু নকৰিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, জুন জুলাই মাহত অহা এই প্ৰস্তাৱটোত ভালেমান সদস্যই অংশ গ্ৰহণ কৰি যথেষ্ট পৰামৰ্শ আগবঢ়াইছে। সেই কাৰণে মই মাননীয় সদস্যসকলক আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। এই প্ৰস্তাৱৰ যোগেদি যিটো মূল্যবৃদ্ধিৰ সম্পৰ্কে আলোচনা কৰিবলৈ বিচাৰিছো তাত যথেষ্ট ব্যৱধানৰ সৃষ্টি হৈছে। বস্তুৰ দাম বৃদ্ধি হৈছে। মই মুখ্যমন্ত্ৰী দেৱৰ ভাষণটো শুনি বৰ ভালেই পাইছো আৰু আমাৰ সকলো সদস্যই তেনেকুৱা একোটা আকৰ্ষণীয় ভাষণ দি নানা পৰামৰ্শও আগবঢ়াইছে। সেই কাৰণে আমাৰ ফালৰ পৰা এই প্ৰস্তাৱৰ গোটেই কথা আলোচনা হৈ গলেই বুলি আগৰ সদনতো এইটো উক্তি কৰিছো যে "গালো—বালো খোলা খুটি তাল"। গতিকে এনেকুৱা ভাষণৰ যোগেদি পৰস্পৰে যিটো বন্দৱস্তী কৰিছে তাতোতকৈ ভূল কাম আৰু ডাঙৰ কাম কেতিয়াও হব নোৱাৰে।

আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে দেশখনক আগবঢ়াই নিয়াত যথেষ্ট বাধাৰ সৃষ্টি হৈছে : কিন্তু আগবঢ়াই নিব কোনে ? আজি কংগ্ৰেছ চৰকাৰে শাসনৰ গাদীত বহি ২৬ বছৰ ধৰি একেবিলাক কথাকে কৈ আছে আৰু আমিও

শুনি আছো। কিন্তু তেখেতসকলৰ যিটো দায়িত্ব সেই দায়িত্ব পালন কৰাত তেখেত-সকলৰ যিটো ত্রুটি সেইটো তেখেতসকলে কেতিয়াও স্বীকাৰ নকৰিলে। আজি আমাৰ মাননীয় সদস্য গগৈ দেৱে ক'লে যে সামাজবাদী দেশবিলাকত বস্তুৰ দাম বঢ়া নাই,—পুজিপতি দেশবিলাকতহে বস্তুৰ দাম বৃদ্ধি হৈছে। মুখ্যমন্ত্রী ডাঙৰীয়াই বোধকৰো ভাবিছে ইয়াত পুজিপতিনো কোন আছে ? ইয়াত কোনো পুজিপতি নাই। কিন্তু মই কৈছো ইয়াত পুজিপতি নাছিল সচাঁ,-যিটোক আজি এই কংগ্রেছ চৰকাৰে নিজেই সৃষ্টি কৰি লৈছে। এই পুজিপতি আজি তেখেত-সকলৰ নিজৰ হাতৰ সৃষ্টি। গতিকে সেই শ্রেণীক আজি যদি মহীমূৰ কৰিব পৰা নাযায় বা আজি যদি তাৰ বিলুপ্তি সাধন নহয় তেতিয়াহলে যিমানেই ভাল আঁচনি নকৰক কেতিয়াও এই চৰকাৰ কৃতকার্য্য হব নোৱাৰে। কিন্তু এতিয়া কথা হল কেনেকৈ মহীমুৰ কৰিব ? তেখেতসকলে আজি নিজেই পুজিপতি সৃষ্টি কৰিছে— আজি পুজিপতি নহলে চৰকাৰ নচলে। আজি বিধান সভাৰ নির্ব্বাচনেই হওক বা লোকসভাৰ নির্ব্বাচনেই হওক বা টাউন কমিটি বা পঞ্চায়ত নির্বাচনেই হওক তাত সেই পুজিপতিসকল লিপ্ত নাথাকিলে আজি ভাৰত চৰকাৰ বা অসম চৰকাৰ তিকিব নোৱাৰে। সেই পুজিপতিসকলৰ হাতত আজি আমি সকলো ক্ষমতা ন্যস্ত কৰা নাই নে ? আজি আমাৰ মানুহক খাবলৈ ভাত দিব পৰা নাই পিন্ধিবলৈ কাপোৰ দিব পৰা নাই, নিত্য-প্রয়োজনীয় আহিলাপাতি দিব পৰা নাই, আমাৰ ৰাজ্যত কি নাই ? কিন্তু কিয় দিব পৰা নাই ? মুখ্যমন্ত্রীয়ে কৈছে—আজি কাপোৰ নবয়—কাৰণ তেওঁলোকে সূতা কিনি দিব নোৱাৰে। আজি ৰাইজে ভাত খাবলৈ বিচাৰি আছে—কিন্তু তাৰ পৰিবর্ত্তে তেওঁলোকক কথাৰে ভাত খুৱায়। এই অৰ্দ্ধ নাঙ্গঠ, অৰ্দ্ধশিক্ষিত খিলঞ্জীয়া লোকক ভাত কাপোৰ দিয়াৰ বন্দৱস্ত কৰিব পাৰিছেনে ? আমি সদস্যসকলে বজাৰত বস্তুৰ দাম বাঢ়িছেনে কি হৈছে উমান নাপাওঁ। এম, এল, এ, মন্ত্রী হোৱাৰ পাছত সকলো পাহৰি যাওঁ। আজি আমাৰ ঘৰত ভাই-ভনীসকলে খাবলৈ পাইছেনে নাই পাহৰি যাওঁ। আজি চৰকাৰে বস্তুৰ যোগান ধৰিছে—কি বস্তুৰ যোগান ধৰিছে সেইটো ভগবানেহে জানে। আজি মুখ্যমন্ত্রী ডাঙৰীয়াই নকলেও আমি কবলৈ বাধ্য হৈছো ভাত পানী সকলোৱে খায়—কিন্তু আমাৰ অসমীয়া মানুহে আটা ময়দা নাখায়। গাৱঁৰ খেতিয়ক সকলেও কেতিয়াও আটা নাখায়। মই নিজে এজন খেতিয়কৰ লৰা। মই ভাতৰ বদলি আটা ময়দা খাব

নোৱাৰো আৰু মোৰ ঘৰতো কোনেও আটা নাখায়। এতিয়া মুখ্যমন্ত্ৰীৰ অবগত হোৱা উচিত যে আমাৰ মানুহে ভাতহে খায়। কিন্তু আজি চৰকাৰে এই বিষয়টো বিবেচনা কৰি খিলঞ্জীয়া লোকক ভাতৰ যোগান ধৰাৰ ব্যৱস্থা কৰিছেনে ? আজি যিবিলাক মানুহৰ হাতত দেশৰ সমস্ত ক্ষমতা কেন্দ্ৰীভুত হৈ আছে যিসকলে আজি আমাৰ ভাইভনীসকলক শোষণ কৰি আছে সেই শ্ৰেণীটোৰ বিলুপ্তিসাধণৰ ব্যৱস্থা কৰিছেনে ?

আজি চৰকাৰে যি বিলাক ব্যৱসায় নিজৰ হাতলৈ আনিছে তাৰ লগে লগে কি হৈছে ? আজি চৰকাৰৰ শাসন যন্ত্ৰটো একেবাৰেই সোলোক ধোলোক হৈ পৰিছে। চৰকাৰে যতেই হাত দিছে ততেই জুই লাগিছে, যিহতেই হাত দিছে সিয়েই নাইকীয়া হৈ গৈছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা সুখৰ বাতৰি দিছে আজি আমি দাইল উৎপাদন কৰিব লাগিব, সৰিয়হ উৎপাদন কৰিব লাগিব। কিন্তু তেখেতৰ দিনতেই ৰবিশস্য কৰা নাছিলনে ? তেখেতেই ৰবি শস্য উভৈনদী হোৱা বুলি কোৱা নাছিলনে ? মই মুখ্যমন্ত্ৰীক এই কথা সদনৰ বাহিৰতো জনাই-ছিলো। এই সকলো বিলাক অৱস্থা এনে হৈছে কাৰ দোষত কব নোৱাৰো। এই বিলাক চৰকাৰৰ দোষতনে নাই চৰকাৰী কৰ্মচাৰী বিলাকৰ দোষত হৈছে কব নোৱাৰো। শস্যৰ থলিত গৈ সচ নাপালেগৈ, সাৰ নাপালেগৈ বিস্তু টকা খৰচ হৈ গল। অধ্যক্ষ মহোদয়, মই যি ঠাইলৈকে গৈছো তাতেই হিচাপ কৰি চাইছো কতো একো হোৱা নাই। মাত্ৰ মাজুলিত হৈছে, মাজুলিত যি হৈছে সেইটো চৰ-কাৰৰ সাহায্যত হোৱা নাই সেইটো হৈছে ৰাইজৰ প্ৰচেষ্টাত। তেখেতে যদি সত ভাৱে চায় তেনেহলে দেখা পাব যে যিমান বিলাক টকা খৰচ কৰা হৈছে সেই বিলাক অপব্যৱহাৰ হৈছে আৰু আত্মসাত কৰা হৈছে। আমি ইয়াৰ এটা অনুসন্ধানৰ দাবী কৰিছো। এই অনুসন্ধানৰ দাবী আমি এই কাৰণেই কৰিছো যে মুখ্যমন্ত্ৰীয়ে যি বিলাক ৰবিশস্যৰ কাৰণে ৰেডিয়'ৰ যোগে' কাগজে পত্ৰে, সভায় সমিতিয়ে যি বিলাক বক্তৃতাৰ ফুলজাৰি মাৰিলে সেই বিলাকৰ কতো একো দেখা নাপাব। সেই কাৰণেই মই কব খুজিছো যে আমাৰ অসমীয়াত এষাৰ কথা আছে বোলে "কলি ঔচ বগী ঔচ পেটত" এই বিলাক কি হল ? তাৰ উত্তৰ হল 'পেটত' বৰমুৰীয়া সকলে এই বিলাক খালে, কোনো কোনোৱে ল্লৰা ছোৱালীৰ বিয়া পাতিলে। এই বিলাকৰ হিচাপ পত্ৰ নাই।

আমাৰ আজি কৃষিমন্ত্ৰী, মন্ত্ৰী হৈ বহিছে। কিন্তু তেখেতৰ দেউতাক, ককাকে কেকুৰা নাঙল লৈ বা জাল লৈ মাছ মাৰিবলৈ গৈ তেখেতক পঢ়াইছিল।

শ্ৰীউপেন দাস (মন্ত্ৰী) : ময়ো সেই বিলাক কাম কৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : তেখেতে আজি ৰবি শস্য কি বুলি সুধিলে কব নোৱাৰে। মোৰ দেউতাৰ নাম মটিৰাম হব পাৰে বা অন্য নামো থাকিব পাৰে। আজি এনেকুৱা যুগ হৈছে যে টিপ টপ মৰা কলেজত পঢ়ি থকা লৰাৰ দেউতাকে চাউল দিবলৈ আহিলে লৰাই বাপেকক ঘৰত কাম কৰা মানুহ বুলি কোৱাৰো উদাহৰণ আছে। আজি এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে। যি সকল ৰৰমুৰীয়া কাষৰে পাজৰে নগলে চৰকাৰ নচলে, নিৰ্ব্বাচন নচলে, চৰকাৰ নৰয় বুলি ভাবে, মখমল কাপোৰৰ খচমচনি গাত নালাগিলে ভাল নালাগে সেই বিলাক বাদ দিব নোৱাৰিলে বক্তৃতা বিলাক ফুলজাৰি হৈয়েই ৰব কেতিয়াও কাৰ্য্যত পৰিনত নহব। আমাৰ এষাৰ কথা আছে বোলে "মহন্তৰ চিন মাহনিত"। যি মহন্তই লোকৰ মাহনিৰ মাজেৰে গলেও লোকৰ খেতি বুলি নাখায় সেইজনহে আচল মহন্ত। সেই দৰে আমাৰ মুখ্য মন্ত্ৰীৰো আচল ৰূপ মাহনিতহে ধৰা পৰিব। এইটো কি লজিকেলত তেখেতে কৈছে। এই বিলাকৰ সুবিধা জাতি লাও, ৰঙালাও বিলাকে লব অহা চাউলকে কোমোৰা বুলি। তেখেত সকলে কি অংক উলিয়াইছে কব নোৱাৰো ৭ পইচাকৈ কমাইছে। এইটো কি কাৰণে কৰিছে কব নোৱাৰো। গতিকে আজি শ্ৰীবৰা ভাঙৰীয়াই কোৱাৰ দৰে এই চৰকাৰে যতেই হাত দিছে ততেই কিবা নহয় কিবা এটা হৈছে। চৰকাৰে চাউলৰ ব্যৱসায়ত হাত দিলে চাউল পাবলৈ নাইকীয়া হল। কিন্তু কোনোবা মন্ত্ৰীয়ে চাউল অৰ্থাৎ ভাত নোখোৱাকৈ আছেনে। হয়তো কোনোবায় ফ্লিম ফিগাৰ ৰাখিবলৈ নাখাব পাৰে সেইটো সুকিয়া কথা। আমাৰ মানুহে ৰুটি নাখায়। আনকি ময়ো খাব নোৱাৰো। কোনোবায় চেহেৰা ৰাখিবলৈ ৰুটি খোৱাটো বেলেগ কথা। কিন্তু আজি ৰুটি খাবলৈকো আটা ময়দা পাবলৈ নাইকীয়া হল। আৰু চৰকাৰে বস্তুৰ দাম বঢ়াই দিয়াত বস্তু পাবলৈ নাইকীয়া হল। কিন্তু আচলতে চৰকাৰে চাউলৰ ব্যৱসায় নিজৰ হাতত লৈছেজানো? এখন আৰ কাপোৰ তৰি দিছে। আচলতে চাউলৰ ব্যৱসায় চৰকাৰে লোৱা নাই। মাত্ৰ এইটো কৰি লাও কোমোৰা বিলাকক বাঢ়িবলৈ সুবিধা দিছে।

## ADJOURNMENT

The House was then stands adjourned till 10 A. M. on Tuesday the 28th November, 1973.

Dispur
The 27th November 1973

P. D. Barua
Secretary,
Legislative Assembly Assam.